## দ্বিতীয় অধ্যায়

# ৰীতা চৌধুৰীৰ উপন্যাসত নাৰীচেতনা

আশীৰ দশকৰ পৰৱৰ্তী সময়ৰ নানান সমাজতাত্ত্বিক দিশবোৰ আলোকপাত কৰি উপন্যাস ৰচোঁতাসকলৰ ভিতৰত **ৰীতা চৌধুৰী** অন্যতম। **মননশীল** আৰু **বাস্তৱধৰ্মী** লেখাৰ জৰিয়তে নিজৰ সুকীয়া পৰিচয় গঢ়ি তোলা চৌধুৰীৰ জন্ম হৈছিল ১৯৬০ চনৰ ১৭ আগষ্টত অৰুণাচল প্ৰদেশৰ টিৰাপত। তেখেতে প্ৰাথমিক শিক্ষা উজনি হাফলঙত আৰম্ভ কৰি মাৰ্ঘেৰিটাত মাধ্যমিক পৰ্যায়ৰ শিক্ষা সমাপ্ত কৰে। অসমীয়া আৰু ৰাজনীতি বিজ্ঞান এই দুয়োটা বিষয়তে স্নাতকোত্তৰ ডিগ্ৰীধাৰী চৌধুৰীয়ে এগৰাকী সাহিত্যিক আৰু প্ৰবক্তা ৰূপে সমাজলৈ অৱদান আগবঢ়াই আহিছে।

তেখেতৰ সাহিত্যিক কৰ্মৰাজি হ'ল —

উপন্যাস ঃ

১। **অবিৰত যাত্ৰা** (১৯৮১)

২। **তীৰ্থভূমি** (১৯৮৮)

৩। **মহাজীৱনৰ আধাৰশিলা** (১৯৯৩)

৪। **নয়না, তৰালী, সুজাতা** (১৯৯৬)

৫। **পপীয়া তৰাৰ সাধু** (১৯৯৮)

৬। **জলপদ্ম** (১৯৯৯)

৭। **হৃদয় নিৰুপায়** (২০০৩)

৮। **দেওলাংখুই** (২০০৭)

৯। **ৰাজীৱ ঈশ্বৰ** (২০০৭)

১০। **মাকাম** (২০১০)

১১। **ৰাগ মালকোশ** (২০১০)

১২। **এই সময় সেই সময়** (২০১০)

১৩। **মায়াবৃত্ত** (২০১২)

১৪। **বিভ্ৰান্ত বাস্তৱ** (২০১৫)

১৫। **জাহ্নৱী** (২০১৮)

কবিতা পুথি ঃ

১। **সুদূৰ নক্ষত্ৰ** (১৯৮৯)

২। **বনৰীয়া বতাহৰ সুহুৰি** (১৯৯৬)

৩। **অলপ পোহৰ অলপ আন্ধাৰ** (১৯৯৭)

৪। **বগা মাটিৰ তুলসী** (১৯৯৯)

**ৰীতা চৌধুৰীয়ে তেওঁৰ উপন্যাসসমূহত সংবেদনশীল কাহিনী, সূক্ষ্ম দৃষ্টিভংগী, বিচিত্ৰ অভিজ্ঞতা আদিৰ লগতে সমাজ সচেতনতা, মানৱীয় অনুভূতি আদিক স্থান দি নিজৰ ৰচনাৰাজিক এক আছুতীয়া স্থান দিবলৈ সক্ষম হৈছে।**

**ৰীতা চৌধুৰীৰ উপন্যাস ঃ**

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত অসমীয়া উপন্যাস সাহিত্যই ন ন ৰূপ পৰিগ্ৰহ কৰে। সমাজ জীৱনত সততে মুখামুখি হোৱা অভিজ্ঞতা আৰু পৰিৱৰ্তনবোৰক ঔপন্যাসিকসকলে নানাধৰণৰ চিন্তাৰে জুকিয়াই লৈ নতুন বিষয়বস্তুৰে উপন্যাস ৰচনা কৰিবলৈ আৰম্ভ কৰে। এনে ঔপন্যাসিকসকলৰ ভিতৰত ৰীতা চৌধুৰীও অন্যতম। **বিদেশী বহিষ্কাৰৰ দাবীত আৰম্ভ হোৱা অসম আন্দোলনে ৰীতা চৌধুৰীৰ প্ৰায় আটাইবোৰ উপন্যাসতে কম-বেছি পৰিমাণে স্থান পাইছে।** এইখিনিতে আৰু এটা কথা উল্লেখযোগ্য যে চৌধুৰীৰ আটাইবোৰ উপন্যাসৰে প্ৰধান চৰিত্ৰ নাৰী। উপন্যাসসমূহৰ নাৰী চৰিত্ৰসমূহ অংকন কৰোঁতে অতি সূক্ষ্ম দৃষ্টিভংগী লোৱা বাবে ঔপন্যাসিক নিজেই চৰিত্ৰৰ লগত একাত্ম হৈ যোৱা যেন অনুমান হয়।

**ৰীতা চৌধুৰীৰ প্ৰথমখন উপন্যাস হ'ল— 'অবিৰত যাত্ৰা'।**

"Chowdhury's first novel was Abirata Jatra (English : Incessant Journey) in 1981 which won the first prize in a competition held by Asom Sahitya Sabha on the contemporary Assamese situation. She wrote this novel while she had to go underground during the Assam Movement.

In 1981, her debut novel 'Abirata Jatra' (Incessant Journey) was published and reflecting the name of the novel her journey into the Assamese literary world also started."[১]

চৌধুৰীৰ এই উপন্যাসখন বিদেশী বহিষ্কাৰৰ দাবীত আৰম্ভ হোৱা অসম আন্দোলনৰ পটভূমিত ৰচিত। ৰীতা চৌধুৰী অসম আন্দোলনৰ লগত প্ৰত্যক্ষভাৱে জড়িত আছিল আৰু সেইকাৰণেই তেওঁৰ প্ৰায়বোৰ উপন্যাসতে এই আন্দোলনৰ প্ৰভাৱ সুস্পষ্ট।

চৌধুৰীৰ **'এই সময় সেই সময়'** নামৰ উপন্যাসখনত **অসম আন্দোলনৰ পিছত হোৱা আশাভংগৰ বেদনা** অতি স্পষ্ট আৰু তীব্ৰ ৰূপত প্ৰতিফলিত হৈছে। এই উপন্যাসখন ২০১০ চনত প্ৰকাশিত হৈছে। **'অদিতি'** নামৰ নাৰী চৰিত্ৰটোক প্ৰধানভাৱে লৈ এই উপন্যাসখন ৰচিত হৈছে। গুৱাহাটীৰ এখন মহাবিদ্যালয়ত অধ্যাপক ৰূপে প্ৰতিষ্ঠিত এই অদিতি **স্ব-মহিমা আৰু স্ব-স্থিতিৰে উজ্জ্বল নাৰী**। তেওঁ একে সময়তে এগৰাকী পত্নী, এগৰাকী মাতৃ আৰু এগৰাকী অধ্যাপকৰ দায়িত্ব সগৌৰৱে পালন কৰিছে আৰু ভাল-বেয়া সকলো পৰিস্থিতিতে নিজক চম্ভালি এক গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী হ'বলৈ সক্ষম হৈছে।

**চৌধুৰীয়ে তেওঁৰ প্ৰায় প্ৰতিখন উপন্যাসতে নাৰীৰ মাজত নিহিত হৈ থকা অপৰিসীম গুণৰাজিক স্পষ্টভাৱে বিভিন্ন ৰূপত ফুটাই তুলিছে। এই নাৰী চৰিত্ৰসমূহৰ জৰিয়তে নাৰীজগতৰ মায়া-মমতা, উদাৰতা, স্নেহ, মহত্ত্ব, সততা, সন্তানৰ প্ৰতি মোহ আদিক চৌধুৰীয়ে সহৃদয়তাৰে প্ৰতিভাত কৰিছে।**

**'গায়ত্ৰী'** নামৰ এগৰাকী যুৱতীৰ কাহিনীক মূল হিচাপে লৈ চৌধুৰীয়ে **'বিভ্ৰান্ত বাস্তৱ'** নামৰ উপন্যাসখন ৰচনা কৰিছে। গ্ৰামাঞ্চলৰ পৰা ডিব্ৰুগড় চহৰলৈ উচ্চ শিক্ষাৰ্থে অহা এই চৰিত্ৰটোৱে পদে পদে বিপদৰ লগত যুঁজিব লগা হৈছে। প্ৰতিটো খোজতেই তাই লাঞ্ছনা, অপমান আৰু নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছে। গায়ত্ৰীয়ে মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়ায় যদিও এই নিৰ্বাচনেই তাইৰ জীৱনলৈ অন্ধকাৰ কঢ়িয়াই আনে। নিৰ্বাচনত তাই নিৰ্মম প্ৰৱঞ্চনাৰ কবলত পৰি ৰবীন, নিশান্ত আদিৰ দৰে **পুৰুষৰদ্বাৰা নিৰ্যাতিত** আৰু **অপমানিত** হয়। পুৰুষতান্ত্ৰিক সমাজত এগৰাকী নাৰী কিদৰে শোষণ আৰু অপমানৰ হাতোৰাত পৰিবলগীয়া হয়, সেই কথা এই উপন্যাসখনিত প্ৰতিফলিত হৈছে। তদুপৰি **সমসাময়িক নাৰী সমাজৰ দুৰ্বল মানসিকতা** আৰু **ফোঁপোলা স্বৰূপো উপন্যাসখনিত বিবৃত হৈছে।**

তিনিখন ভিন্ন উপন্যাস— **'প্ৰেম জ্যোতিৰ্ময় প্ৰেম'**, **'তাই তেতিয়া সাৰে আছিল'** আৰু **'সুজাতা চিৰন্তনী'**ৰ প্ৰধান চৰিত্ৰ ক্ৰমে **'নয়না'**, **'তৰালী'** আৰু **'সুজাতা'**ক লৈ ৰীতা চৌধুৰীৰ **'নয়না, তৰালী, সুজাতা'** নামৰ উপন্যাস সংকলনখনি ১৯৯৬ চনত প্ৰকাশিত হৈছে।

**'প্ৰেম জ্যোতিৰ্ময় প্ৰেম'**ৰ **'নয়না'** চৰিত্ৰটো নিজস্ব গাম্ভীৰ্যতাৰে উজ্জ্বল। স্বামীৰ পৰা পোৱা অপমান আৰু হাইকাজিয়াত বিৰক্ত হৈ নিজ অধ্যাপনা আৰু কষ্টেৰে ফেল'শ্বিপ লৈ অসমৰপৰা বাহিৰলৈ গৱেষণা কৰিবলৈ গুচি যোৱা নয়নাই এখনি আলোচনাচক্ৰত অংশগ্ৰহণ কৰিবলৈ পূৰ্বতে পঢ়ি যোৱা বিশ্ববিদ্যালয়লৈ আহোঁতে পূৰ্বৰ স্মৃতিবোৰে তাইক আমনি কৰিছে। তাই সতীৰ্থ আৰু অগ্ৰজ-অনুজ ৰুমমেটবোৰকো লগ ধৰিছে। আলোচনাচক্ৰলৈ আহি বিশ্ববিদ্যালয়ৰ অতিথিশালাত থাকোঁতে পূৰ্বৰ প্ৰেম-প্ৰত্যাশী প্ৰেমিকে তাইক লগ ধৰিবলৈ আহোঁতে ভয়াৱহ অভিজ্ঞতাৰো সন্মুখীন হৈছে। কাৰণ সেইজন নিষিদ্ধঘোষিত সংগঠন এটাৰ সক্ৰিয় সদস্য আছিল। এই অহাতে তাই আন এজন সতীৰ্থৰপৰা বিবাহৰ প্ৰস্তাৱ লাভ কৰিছে যদিও সকলো দিশ চালি-জাৰি চাই তাই **অকলশৰে থকাৰ সিদ্ধান্তত অটল** থাকি অহা বাটেৰেই ঘূৰি গুচি গৈছে।

নিজ পিতৃৰ লগতে স্বামীৰ কৰ্তৃত্বৰ অধীনত জীৱনৰ সকলো আশা-আকাংক্ষা ছাৰখাৰ হৈ যোৱা **'তৰালী'** নামৰ চৰিত্ৰটোৰ কাহিনীৰে **'তাই তেতিয়া সাৰে আছিল'** নামৰ উপন্যাসখন ৰচিত হৈছে। ঘৰুৱা হিংসাৰ ৰোষত পৰি মানসিক চিকিৎসালয়ৰ ৰোগী হ'বলগীয়া তৰালীয়ে আত্মীয়ৰ কুচক্ৰান্তত হাৰি নগৈ ছদ্মনামত কেইবাখনো গ্ৰন্থ ৰচনা কৰি নিজকে সমাজত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। **নানান নিৰ্যাতনৰ বলি হৈও নিজক দুৰ্বল হ'বলৈ নিদি নিজৰ আধাপূৰ্ণ স্বপ্নবোৰ মানসিক চিকিৎসালয়ৰ ভিতৰত থাকিয়েই পূৰাব খোজা 'তৰালী' ঔপন্যাসিকৰ এক সবল সৃষ্টি।**

**'সুজাতা'** নামৰ এজনী **চিৰন্তন প্ৰেমিকাৰ চৰিত্ৰক লৈ 'সুজাতা চিৰন্তনী'** নামৰ উপন্যাসখন ৰচিত হৈছে। এই উপন্যাসখনিৰ জৰিয়তে ঔপন্যাসিকে শাৰীৰিকভাৱে এক নোহোৱাকৈও যে কাৰোবাৰ ছবি হৃদয়ত মৃত্যুপৰ্যন্ত কঢ়িয়াই লৈ ফুৰিব পাৰি এই কথা প্ৰতিপন্ন কৰিছে। স্বামীৰ লগত তাইৰ সহচৰ অসম্ভৱ বুলি জানিয়ে নিজকে তাই সকলো বান্ধোনৰপৰা মুক্ত কৰিব বিচাৰিছে। এইক্ষেত্ৰত তাইৰ পূৰ্বৰ বন্ধুৱে সহায়ৰ হাত আগবঢ়াইছে যদিও নিজৰ ঘৰখনে গা-এৰা দিছে। কিন্তু তাই হাৰ নামানি বিদ্ৰোহী হৈ উঠিছে আৰু হাতত কলম তুলি লৈছে। সমাজৰ আগত, স্বামীৰ আগত, নিজ পিতৃগৃহত অপমানিত আৰু লাঞ্ছিত হোৱা সত্বেও নিজ অধ্যয়সায় আৰু

লেখাৰ জৰিয়তে তাই এটা সময়ত এখন উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে। এই চৰিত্ৰটোক ঔপন্যাসিকে বলিষ্ঠ ৰূপত অংকন কৰিছে।

**চাহ শিল্পৰ লগত সাঙোৰ খাই থকা চীনামূলীয় সমাজখনৰ অলিখিত ইতিহাসৰ কৰুণ দস্তাবেজ ৰূপে ৰীতা** চৌধুৰীয়ে **'মাকাম'** নামৰ উপন্যাসখন ৰচনা কৰিছে। **'মাকাম'** চীনা ভাষাৰ শব্দ। **ইয়াৰ অৰ্থ হৈছে — 'সোণালী ঘোঁৰা'। চীনামূলীয় মানুহখিনিৰ ক্ষোভ, বিষাদ, যন্ত্ৰণা, কঠিন শ্ৰমেৰে ভাৰাক্ৰান্ত জীৱনগাথা ঔপন্যাসিকে অতি প্ৰাঞ্জলতাৰে অংকন কৰিছে।**

"Makam, which names "golden horse" in cantonese, is a factionalized historical account of the Chinese Assamese people in North-East India. The novel, by award-winning writer Rita Chowdhury, documents the struggles, suffering, and tragedies of the Chinese Assamese over the past two centuries, culminating in their wrongful expulsion from India during the 1962 Sino-Indian war.

Based on interviews with more than one hundred Chinese Assamese, Chowdhury's moving narrative blends ninteenth century history with the tragedy of 1962, revealing how the Chinese were brought to India decades earlier by the British in order to work as laborers on the tea plantations. Once there, the Chinese married into different communities and began to speak with a mix of their native and local languages. However, during the Sino-Indian war, the chinese Assamese, though now completely assimilated, were brutally and unjustly forced to leave India because of their Chinese origin. Around fifteen hundred Chinese Assamese from Makum, a small town in upper Assam, were imprisoned as spies and prisoners of war, before being deported to china. The untold story of this terrible incident, captured here in Makam, created as uproar in India when first published."[২]

এই উপন্যাসখনিত চীনামূলীয় মানুহখিনিৰ নিজৰ জন্মস্থানৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু তেওঁলোকৰ যন্ত্ৰণাকাতৰ ইতিহাসৰ অনুপম প্ৰকাশ ঘটিছে। ঔপন্যাসিকে ইয়াত কিছুমান কাল্পনিক কাহিনীৰ সংযোগ কৰিছে যদিও মূল কাহিনীবোৰ যথাসম্ভৱ একেই ৰাখিছে। এই

উপন্যাসখনক চৌধুৰীয়ে মানৱীয়তাৰ সন্ধানত দৌৰা সোণালী ঘোঁৰাসদৃশ কৰি তুলিছে। এখন গণতান্ত্রিক ৰাষ্ট্ৰৰ অন্যায়-অবিচাৰৰ বলি হোৱা, জীৱনৰ সৰ্বস্ব হেৰুৱাই নিঃস্ব হৈ পৰা এজাক মানুহৰ প্ৰতি ঔপন্যাসিকৰ দৰদ আৰু সহানুভূতি উপন্যাসখনিত সুন্দৰভাৱে অনুভৱ কৰিব পাৰি।

২০০৬ চনত প্ৰকাশিত **'জাহ্নৱী'** ৰীতা চৌধুৰীৰ আন এখন উপন্যাস। এই উপন্যাসখন অসমৰ সন্ত্ৰাসজৰ্জৰিত এক নিৰ্মম সময়ৰ খণ্ডচিত্ৰ। নিৰীহ মানুহক সন্ত্ৰাসবাদীয়ে ধন দাবী কৰা আৰু দাবী কৰা ধন নাপালে নিৰ্মমভাৱে হত্যা কৰাৰ কাহিনীৰে উপন্যাসখন ৰচিত হৈছে। ইয়াত **'জয়া' নামৰ নাৰী চৰিত্ৰটোৰ জৰিয়তে ঔপন্যাসিকে মানৱীয় গুণসম্পন্ন এগৰাকী নাৰীৰ প্ৰতিচ্ছবি প্ৰতিভাত কৰিছে**। সন্ত্ৰাসবাদীৰ হাতত নিজৰ পুত্ৰক হেৰুওৱাৰ পিছতো দুৰ্বল নহৈ স্বামীক হেৰুৱাই মানসিক অসুস্থতাৰ বলি হোৱা বোৱাৰী **নীলাক্ষীক** তেওঁ মৰম-চেনেহেৰে ভৰাই ৰাখিছে। নিজ পুত্ৰৰ হত্যাকাৰীক চিনাক্ত কৰাৰ পিছতো প্ৰতিহিংসাৰ পথেৰে নগৈ জয়া বৰুৱাই সেই হত্যাকাৰীৰ গৰ্ভৱতী পত্নীক প্ৰসৱৰ সময়ত যথাসম্ভৱ সেৱা-শুশ্ৰূষা আগবঢ়োৱা এই চৰিত্ৰটি ৰীতা চৌধুৰীৰ সবল তথা সফল সৃষ্টি।

২০০৮ চনত প্ৰকাশ হোৱা **'দেওলাংখুই'** ৰীতা চৌধুৰীৰ আন এখন বিশিষ্ট উপন্যাস।

— **"ইতিহাসৰ এক উজ্জ্বল চৰিত্ৰ তিৱা জাতিৰ বীৰপুৰুষ জোঙালবলহুৰ জীৱনৰ ওপৰত আধাৰ কৰিয়েই 'দেওলাংখুই' ৰচিত। কিংবদন্তি, জনশ্ৰুতি, লোককথা আৰু ইতিহাসৰ কিছু সমল একগোট কৰি 'দেওলাংখুই' নিৰ্মাণ কৰা হৈছে। ইতিহাসৰ এই চৰিত্ৰটোক মূৰ্তমান কৰিবলৈ যাওঁতে ঔপন্যাসিকে অনেক সৰু-বৰ চৰিত্ৰ উপন্যাসখনত ভাস্বৰ কৰি তুলিছে। সেইসমূহ চৰিত্ৰৰ ভিতৰত উপন্যাসখনৰ মূল নায়িকা ৰূপে প্ৰথমৰেপৰা শেষলৈকে স্বকীয়তাৰে জিলিকি আছে একালৰ প্ৰতাপপুৰৰ মহাৰাণী 'চন্দ্ৰপ্ৰভা' বৰ্তমানৰ গোভাৰাজ্যৰ ৰাজমাতা কনচাৰী। প্ৰেম আৰু ঈৰ্ষাৰ, বিশ্বাস আৰু বিশ্বাসঘাতকতাৰ, সৰলতা আৰু ক্ৰূৰতাৰ এক নীৰৱ সাক্ষী হৈ চন্দ্ৰপ্ৰভাই উপন্যাসখনত নিজৰ অস্তিত্ব ঘোষণা কৰি আছে। উপন্যাসখনত চন্দ্ৰপ্ৰভা এজোপা বটবৃক্ষৰ দৰেই, যাৰ ছাঁত জীপাল হৈ ধৰিছে অন্যান্য চৰিত্ৰবোৰ।"**[৩]

এক ঐতিহাসিক কাহিনীৰ ওপৰত ভিত্তি কৰি লিখা এই 'দেওলাংখুই' উপন্যাসখনে তিৱা জাতিৰ জাতীয় ঐতিহ্য বহন কৰিছে।

২০০৭ চনত প্ৰকাশিত ৰীতা চৌধুৰীৰ **'ৰাজীৱ ঈশ্বৰ'** উপন্যাসত প্ৰধানভাৱে অভিজাত

পৰিয়ালৰ বোৱাৰী হিচাপে এগৰাকী নাৰীৰ মনত থকা সংস্কাৰ তথা আদব-কায়দাৰ কথা বিশেষভাৱে উল্লেখ কৰাৰ উপৰি পূৰ্বৰ অজানা ভুলৰ পৰিণতিত মাত্ৰ চৈধ্য বছৰ বয়সত গৃহশিক্ষকৰ কামনাৰ বলি হৈ সন্তান জন্ম দিয়া আৰু পিছত মাতৃৰ মমতা কি বস্তু বুজিব পাৰি সেই সন্তানক বিচাৰি হাইৰাণ হোৱা, এবাৰ স্পৰ্শ কৰি চাব খোজা আদি কথাবোৰেই ৰেখাপাত হৈছে। উপন্যাসখনত **'মন্দিৰা'** নামৰ মুখ্য চৰিত্ৰটিৰ জৰিয়তে **এগৰাকী নাৰীৰ গভীৰ মমতাবোধ, নিজৰ সন্তানক দুচকুৰে দেখাৰ আকাংক্ষা, এবাৰ চুই চোৱাৰ ইচ্ছা** আদিৰ কথা সুন্দৰভাৱে অংকিত হৈছে। লগতে স্বামীৰ প্ৰতি কৰণীয়, সন্তানক সুশিক্ষা দি প্ৰতিপালন কৰাতো যে মন্দিৰা সফল হৈছে ঔপন্যাসিকে এই কথাও ব্যক্ত কৰিছে। সমাজৰ নাৰীত্বৰ শিকলিৰে বন্ধা মন্দিৰাৰ মনৰ গোপন বেদনাও উপন্যাসখনিত বৰ্ণিত হৈছে। তীব্ৰ ইচ্ছা থকা সত্বেও তাই নিজৰ পৰিয়ালৰ আগত 'ৰাজীৱ'ক নিজৰেই বিবাহপূৰ্ব সন্তান বুলি পৰিচয় কৰি দিব পৰা নাই। কিন্তু সেয়ে হ'লেও সমাজৰ বান্ধোনক ভয় নকৰি, দহজনৰ কটূক্তিক আওকাণ কৰি তাই যে বিবাহপূৰ্ব সন্তান ৰাজীৱক বিচাৰি যাবলৈ সক্ষম হৈছে— এইখিনিতে মন্দিৰাৰ শক্তিশালী মনৰ পৰিচয় পোৱা যায়। মন্দিৰা যে নাৰীচেতনাৰে সমৃদ্ধ এগৰাকী নাৰী— এই কথা উপন্যাসখনিৰ পাতে পাতে প্ৰতিফলিত হৈছে।

**'হৃদয় নিৰুপায়'** ৰীতা চৌধুৰীৰ আন এখন উপন্যাস। এই উপন্যাসখনিত **চিকিৎসা বিজ্ঞানৰ ছাত্ৰাৱাসৰ ছাত্ৰৰ জীৱনশৈলীৰ পৰা আৰম্ভ কৰি অভিজাত শ্ৰেণীৰ উচ্চপদস্থ বিষয়াৰ বনকৰা মহিলাৰ লগত হোৱা অবৈধ শাৰীৰিক সম্পৰ্ক আৰু এই সম্পৰ্কৰ ফলত জন্ম হোৱা সন্তানক সামাজিক স্বীকৃতি নিদিয়াৰ কথা বৰ্ণিত হৈছে।** 'সৌৰীণ' নামৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰজনে পিতৃৰ অবৈধ সন্তান 'মলয়া'ক বিচাৰি যোৱা আৰু সকলোকে সৌৰীণে মুখ খুলি পিতৃৰ কুকাৰ্যৰ কথা বৰ্ণনা কৰিব নোৱাৰাৰ ফলস্বৰূপে সকলোৱে সৌৰীণ-মলয়াৰ সম্পৰ্কক বেয়া দৃষ্টিৰে চোৱা, অমল নামৰ মলয়াৰ প্ৰেমিকজনে মলয়াৰ নাৰীত্বক জোৰ কৰি হ'লেও কাঢ়ি লৈ অপৱিত্ৰ কৰা আৰু পিছত মলয়া গৰ্ভৱতী বুলি জানি তাইক চৰিত্ৰহীন বুলি তিৰস্কাৰ কৰাৰ কথা এই উপন্যাসখনিত আলোচিত হৈছে। চৌধুৰীয়ে এই উপন্যাসখনিৰ জৰিয়তে সন্দেহে মানুহৰ জীৱনক কিদৰে ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে আৰু লগতে প্ৰেমপ্ৰত্যাশী লোকৰ হতাশাই যে কিমান হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰাত সহায়ক হ'ব পাৰে এই প্ৰসংগ উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছে।

**'মায়াবৃত্ত'** ৰীতা চৌধুৰীৰ আন এখন বিশিষ্ট উপন্যাস। **'পুতি'** নামৰ এগৰাকী সৰু ছোৱালী

আৰু তাইৰ বাল্যবন্ধু **'সুৱৰ্ণ'**ৰ কাহিনীৰে এই উপন্যাসখনে গতি লাভ কৰিছে। ঔপন্যাসিকে 'পুতি' ওৰফে 'নীৰা'ৰ চৰিত্ৰৰ জৰিয়তে **পাৰ্থিৱ পৃথিৱীৰ সুখ-দুখ তথা ভোগ-বিলাসিতাৰ উপৰি মনোজগত বুলি যে এখন বেলেগ পৃথিৱী থাকিব পাৰে** সেই কথা উপন্যাসখনিত প্ৰতিপন্ন কৰিছে। স্বামী ব্ৰজেনৰ দৰে ঐশ্বৰ্যশালী আৰু ক্ষমতাবান ব্যক্তিৰ ব্যক্তিত্বই নীৰাক সন্মোহিত কৰিব পৰা নাছিল। বস্তুকেন্দ্ৰিক পৃথিৱীখনত **নীৰা 'পুতি'** হৈ থাকিব বিচাৰিছিল, যাৰ লগ আছিল **সুৱৰ্ণ**। শৈশৱতেই সুৱৰ্ণই পুতিক পাহাৰৰ ওচৰত এটা ছাংঘৰ সজাৰ সপোন দেখুৱাইছিল। ইয়াত কেৱল পুতি, সুৱৰ্ণ আৰু দেউতাকৰ অত্যাচাৰত জুৰুলা মাককহে স্থান দিব সিঁহতে। কিন্তু বাস্তৱ ক্ষেত্ৰত পুতিয়ে সুৱৰ্ণৰ লগত দেখা সপোন সপোন হৈয়ে ৰ'ল। মনৰ অপূৰণীয় আকাংক্ষাৰ বাবেই আকাশ, বতাহ, ফুল, পখিলা, চৰাই, বন্য পশু-পক্ষীক ভালপোৱা **'পুতি'**জনী পিতৃ বা স্বামীয়ে বিচৰা ধৰণে **'নীৰা'** হ'ব নোৱাৰিলে।

১৯৯৯ চনত প্ৰকাশিত **'জলপদ্ম'** চৌধুৰীৰ আন এখন উপন্যাস। এইখন এখন কাল্পনিক উপন্যাস।

"দেশৰ এতিয়া দুঃসময়। হত্যা আৰু অপহৰণ, অত্যাচাৰ আৰু লুণ্ঠন— এইধৰণৰ অসংখ্য ঘটনা ঘটি আছে প্ৰতিদিনে। নিজে জড়িত নোহোৱাকৈ অথবা নিজৰ কোনো আত্মীয়ক নেহেৰুৱাকৈ এই ঘটনাবোৰৰ সম্পূৰ্ণ গভীৰতাক যিয়ে স্পৰ্শ কৰিব পাৰিছে তেওঁ যান্ত্ৰিকতাৰ স্পৰ্শহীন এজন দৰদী, নিঃস্বাৰ্থ আৰু নিৰাসক্ত মানুহ হ'ব লাগিব। আমাৰ দৰে মধ্যবিত্তীয় মানসিকতাৰ সাধাৰণ মানুহে নিজৰ জীৱনকেন্দ্ৰিক অন্ধত্ব আৰু স্বাৰ্থপৰতাৰ মাজতো এই ঘটনাবোৰত কাতৰ হওঁ। সহজ জীৱনৰ সীমাবদ্ধতাৰ মাজতো চিন্তিত আৰু আশংকিত হৈ উঠোঁ। অনুভৱ কৰিব খোজোঁ, এই ভয়ংকৰ আৰু অনিশ্চিত সময়ৰ কোনো ঘটনাৰ কেন্দ্ৰত থিয় হৈ কেনে লাগিব পাৰে, কেনে লাগে অন্য মানুহবোৰৰ, যিয়ে মুখামুখি হ'ব লগা হৈছে দুঃসহ কোনো ঘটনাৰ। এই চিন্তাৰপৰাই এই উপন্যাসৰ জন্ম।"[৪]

ঔপন্যাসিকে এই উপন্যাসখনিত সন্ত্ৰাসজৰ্জৰ এখন সমাজৰ এটা সময়ৰ বাস্তৱ দিনবোৰৰ নিৰ্মোহ ছবি অংকন কৰিছে। **'কল্যাণী'** এই উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ। **সন্ত্ৰাসবাদীৰ নিৰ্মমতা আৰু অপহৰণ-হত্যা আদিৰ লগতে পুলিচ-আৰ্মীৰ বৰ্বৰতা, হিংসা, ধৰ্ষণ আদিত সাধাৰণ মানুহৰ জীৱন পৰিক্ৰমা যে নৰকসদৃশ হৈ পৰিছিল, সেই কথা উপন্যাসখনিৰ পাতে পাতে প্ৰতিফলিত হৈছে।**

২০১০ চনত ৰীতা চৌধুৰীৰ **‘ৰাগ মালকোশ’** নামৰ আন এখন উপন্যাস প্ৰকাশ হৈছিল। ঔপন্যাসিকৰ আন আন উপন্যাসবোৰৰ দৰেই এইখন উপন্যাসৰো কেন্দ্ৰীয় চৰিত্ৰ হৈছে এজনী নাৰী। এই নাৰী চৰিত্ৰটো হৈছে উচ্চপদস্থ চৰকাৰী বিষয়া অৰুণ কটকীৰ পত্নী **‘মালা’**। অৰুণ কটকীৰ ওচৰত মালাৰ একো আব্দাৰেই কামত নাহে। আনকি নিজৰ দুটা সন্তান— **‘ৰুণি’** আৰু **‘ৰূপ’**ক স্বামীয়ে বোৰ্ডিং স্কুলত থ’বলৈ লোৱা সিদ্ধান্তত মালাৰ বিৰোধিতাৰ কোনো মূল্য নৰজিল। সকলো মাতৃৰ দৰেই মালায়ো নিজৰ দুয়োটা সন্তানক লৈ ঘৰখন ভৰাই তোলাৰ সপোন দেখিছিল। কিন্তু পুৰুষতান্ত্ৰিক সমাজত মালাৰ আশা আশা হৈয়ে ৰ’ল। ইয়াৰ ফলস্বৰূপে মালা খান্দি খান্দি ৰিক্ত কৰি পেলোৱা সোণৰ খনিৰ দৰে পৰিত্যক্ত আৰু ভয়ংকৰ আগ্নেয়গিৰিৰ লাভাই পুতি পেলোৱা ঐশ্বৰ্যশালী নগৰৰ দৰে নিষ্প্ৰাণ হৈ পৰিল। সেয়েহে প্ৰায়েই উজাগৰী নিশা পাৰ কৰা মালাক গোটেই দিনটো ক্লান্তি, অন্যমনস্কতা, বিষাদ আৰু উদ্যমহীনতাই আৱৰি থাকে। **জীৱন আৰু সংসাৰৰ অৰ্থহীনতাৰ এক যন্ত্ৰণাময় অনুভৱত নিমজ্জিত হৈ থকা মালাৰ চৰিত্ৰই সকলো পাঠকৰ অন্তৰত সহমৰ্মিতাৰ সৃষ্টি কৰে।**

ৰীতা চৌধুৰীৰ আন এখন উপন্যাস হৈছে— **“পপীয়া তৰাৰ সাধু”**। এই উপন্যাসখনক **প্ৰবল আলোড়নকাৰী উপন্যাস** হিচাপে অভিহিত কৰিব পাৰি। অসমৰ সাহিত্য আৰু সংবাদজগতৰ পটভূমিত ৰচিত এই উপন্যাসখনৰ মূল চৰিত্ৰ দুটা। এটা হৈছে হাইপ্ৰফাইল কাকতৰ সম্পাদক **‘সুবিমল ফুকন’** আৰু আনগৰাকী হ’ল সাহিত্য চৰ্চাৰ জৰিয়তে সফলতাৰ শীৰ্ষত উপনীত হ’ব খোজা উচ্চাভিলাষী যুৱতী **‘জেউতি’। উপন্যাসখনিত সাহিত্য আৰু সাংবাদিকতাৰ আঁৰত অতি সংগোপনে লুকাই থকা এচাম অতিশয় কদাচিত চৰিত্ৰৰ মানুহৰ কৰ্ম-কাণ্ডক চিত্ৰিত কৰাৰ লগতে বহু গণ্য-মান্য ব্যক্তিৰ মুখাপিন্ধা স্বৰূপ নগ্নৰূপত অংকন কৰিছে।** উপন্যাসখনিত বিবৃত হোৱা ব্লেকমেইলিং, কম্প্ৰমাইজ, পংকিলতা, ৰাজনৈতিক মেৰপাক আদিয়ে পঢ়ুৱৈ সমাজক এখন বেলেগ পৃথিৱীলৈ লৈ যায়।

মুঠৰ ওপৰত ৰীতা চৌধুৰীৰ আটাইবোৰ উপন্যাস অধ্যয়নৰ পৰা এটা কথা জ্ঞাত হয় যে তেওঁৰ প্ৰায় আটাইবোৰ উপন্যাসৰে মুখ্য চৰিত্ৰবোৰ সদায় নাৰী। ঔপন্যাসিক উপন্যাসসমূহৰ মাজত এনেদৰে সানমিহলি হৈ পৰিছে যে কেতিয়াবা কোনোখন উপন্যাসৰ নায়িকা আৰু ঔপন্যাসিক একেটা চৰিত্ৰ যেন লাগে।

"শত-সহস্ৰ পাঠকৰ মন জয় কৰা ৰীতা চৌধুৰীৰ উপন্যাসৰ অন্যতম আকৰ্ষণ উপন্যাসৰাজিত স্ব-মহিমাৰে উজ্জ্বল হৈ উঠা নাৰী চৰিত্ৰসমূহ। তেখেতৰ প্ৰতিখন উপন্যাসতে নাৰীৰ মাজত নিহিত হৈ থকা অপৰিসীম জ্ঞানৰাজি বিভিন্ন ৰূপত ফুটি উঠিছে স্পষ্টভাৱে। এগৰাকী নাৰীৰ মাজত লুকাই থকা মমতা, মহত্ত্ব, অনুভূতিপ্ৰৱণতা, সততাক ঔপন্যাসিকগৰাকীয়ে অতি সহানুভূতি আৰু সহৃদয়তাৰে অংকন কৰিছে। অতি সূক্ষ্ম দৃষ্টিভংগী নিক্ষেপ কৰি ৰীতা চৌধুৰীয়ে উপন্যাসৰাজিৰ নাৰী চৰিত্ৰসমূহ অংকন কৰিবলৈ যাওঁতে প্ৰতিটো চৰিত্ৰৰ সৈতে তেওঁ নিজে একাত্ম হৈ পৰিছে। যাৰ বাবে সেই প্ৰতিটো নাৰী চৰিত্ৰৰ বুকুত যেন ৰীতা চৌধুৰী নিজেই লুকাই আছে এনে অনুভৱ হয়।"[৫]

**তেওঁৰ নাৰী চৰিত্ৰসমূহে বিপ্লৱী কণ্ঠেৰে সৰ্বদা প্ৰতিবাদ নকৰিলেও নীৰৱ প্ৰতিবাদ এই নাৰী চৰিত্ৰবোৰত সদায় বৰ্তমান**। তদুপৰি সাৱলীল বাক্য সংযোজন, চৰিত্ৰৰ মুখৰ বলিষ্ঠ সংলাপ আদিয়েও তেওঁৰ উপন্যাসবোৰৰ ৰহণ চৰাইছে। তেওঁৰ উপন্যাসৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰসমূহে প্ৰায়ে নিন্দা আৰু অপবাদৰ সন্মুখীন হৈছে যদিও কোনোধৰণৰ গ্লানিয়েই এই চৰিত্ৰবোৰক নিজস্ব স্থিতিৰপৰা লৰাব পৰা নাই। এইখিনিতেই ঔপন্যাসিকৰ সফলতা।

**'এই সময় সেই সময়'ত প্ৰতিফলিত নাৰীচেতনা ঃ**

২০০৭ চনত প্ৰকাশ হোৱা **'এই সময় সেই সময়'** ৰীতা চৌধুৰীৰ এখন উল্লেখযোগ্য উপন্যাস। ১৯৮৮ চনত প্ৰকাশিত চৌধুৰীৰ 'তীৰ্থভূমি' নামৰ উপন্যাসখনৰ জুমুধিতে আলোচ্য এই উপন্যাসখন ৰচিত হৈছে। ইয়াত অসম আন্দোলনৰ শেষভাগৰ জটিল সময়ছোৱাৰ লগতে আন্দোলনৰ পৰৱৰ্তী সময়ছোৱাও সামৰি লোৱা হৈছে। ঔপন্যাসিকে উপন্যাসখনিৰ আৰম্ভণিৰ 'লেখকৰ একাষাৰ' অংশত কৈছে—

"'এই সময় সেই সময়' ইতিহাস নহয়। ই অচলায়ত কালৰ এক অংশত উপস্থিত থকা এক জনজীৱনৰ খণ্ডচিত্ৰ। যি জনজীৱন সাঙোৰ খাই আছে ধূলিয়ৰি দিনবোৰৰ সৈতে।"[৬]

ঔপন্যাসিকে সমাজ বাস্তৱতাৰ বিভিন্ন দিশ উপন্যাসখনিৰ জৰিয়তে উদঙাই দেখুৱাবলৈ যত্ন কৰিছে। এনে কৰিবলৈ যাওঁতে তেওঁ কেতিয়াবা শোক, ক্ষোভ, হতাশা, আশ্চৰ্য, যন্ত্ৰণা আদিৰ বশৱৰ্তী হৈছে। আকৌ কেতিয়াবা আনন্দ, আস্থা, বিশ্বাস আদিৰেও জীপ লৈ ঠন ধৰি উঠিছে।

কাঁইটীয়া আৰু বিশৃংখলাময় পৰিৱেশৰপৰাও নিজে কিদৰে নিজৰ বাবে সততাৰ পথ বাছি ল'ব পাৰি— এই কথা উপন্যাসখনিত অংকিত হৈছে।

ঔপন্যাসিকে নিজে বক্তব্য কৰা অনুসৰি উপন্যাসখনিৰ পটভূমি বাস্তৱ যদিও ইয়াৰ চৰিত্ৰসমূহ সম্পূৰ্ণ কাল্পনিক। তেওঁ ইয়াৰ মূল কাহিনীটোও কাল্পনিক বুলি কৈছে। কিন্তু পুনৰ তেৱেঁই মন্তব্য কৰিছে যে— "কিন্তু এই কল্পনা বাস্তৱৰ কঠিন মাটিৰে গঢ়া।"[৭]

উপন্যাসখন অধ্যয়ন কৰিলে দেখা যায় যে যদিওবা ঔপন্যাসিকে ইয়াৰ চৰিত্ৰবোৰ কাল্পনিক বুলি কৈছে তথাপি এইবোৰ আমাৰ চকুৰ আগত ভাহি থকা, আমাৰ চৌপাশৰ কেইখনমান চিনাকি মুখ যেন বোধ হয়। উপন্যাসখনৰ অধ্যয়নৰ পৰা অনুমান হয়— এইয়া যেন চৌধুৰীৰ জীৱনত সংঘটিত ঘটনাৰাজিৰ ৰেখাংকনহে। বিশেষকৈ 'অদিতি'ক ঔপন্যাসিকে ইমান সহৃদয়তা আৰু সহানুভূতিৰে উপস্থাপন কৰিছে যে **অদিতিৰ জৰিয়তে এগৰাকী নাৰীৰ মাজত লুকাই থকা মমতা, মহত্ত্ব, অনুভূতিপ্ৰৱণতা আৰু সততাক পুংখানুপুংখকৈ বিৱৰণ দি পাঠক-গৱেষকৰ বাবে গৱেষণাৰ এটা বাট মুকলি কৰি থৈ গৈছে।**

সততাৰে জীয়াই থাকিব খোজা মানুহকো মানুহে যে বেয়া পথলৈ যোৱাৰ ইংগিত দিয়ে বা সততাৰ মূৰ্তি হোৱাৰ বাবেই যে বহু সময়ত বহু লোকৰ ঠাট্টা তথা ইতিকিঙৰ বলি হ'ব লগা হয়, উপন্যাসখনিৰ অধ্যয়নৰপৰা এই কথা বুজিব পাৰি। কিন্তু সেয়ে হ'লেও 'অদিতি' নামৰ মূল চৰিত্ৰটোৱে নিজৰ জীৱনৰ আদৰ্শ তথা স্থিতিত অটল হৈ ৰোৱাতেই এই নাৰী চৰিত্ৰটিৰ সবল ব্যক্তিত্বৰ উন্মোচন ঘটিছে।

**'অদিতি'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

গুৱাহাটীৰ এখন মহাবিদ্যালয়ত কৰ্মৰত **'অদিতি'** নামৰ নাৰী চৰিত্ৰটোক কেন্দ্ৰ কৰি **'এই সময় সেই সময়'** নামৰ উপন্যাসখনে গতি লাভ কৰিছে। ৰীতা চৌধুৰী অসম আন্দোলনৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকাৰ বাবেই তেওঁৰ প্ৰায়বোৰ উপন্যাসতে বিষয়বস্তু নিৰ্মাণত এই আন্দোলনে যথেষ্ট প্ৰভাৱ পেলাইছে। 'এই সময় সেই সময়' উপন্যাসখনতো আন্দোলনৰ পিছত হোৱা জনসাধাৰণৰ আশাভংগৰ বেদনা অতি স্পষ্ট আৰু তীব্ৰ ৰূপত প্ৰতিফলিত হৈছে।

"An intersting book depicting the socio-political scene of Assam from

the time of the Assam Movement to the present day, wrappen in an emotional storyline of self-discovery, courage and morality. I beleive the author has based the central character of Aditi Choudhury on herself, judging by some of the similarities to her own life (which were revealed by herself on a TV show)."[৮]

**'এই সময় সেই সময়'** উপন্যাসৰ মূল কেন্দ্ৰীয় চৰিত্ৰ **'অদিতি'**ৰ জীৱন নানান ঘটনা পৰিক্ৰমাৰ মাজেৰে আগবাঢ়িছিল। অসম আন্দোলনে আন বহু ল'ৰা-ছোৱালীৰ দৰে অদিতিৰ জীৱনো বিক্ষিপ্ত কৰি তুলিছিল। ১৯৬০ চনত হোৱা ভাষা আন্দোলনত অদিতিৰ পিতৃ-মাতৃ দুয়ো জ্বলি-পুৰি নিঃশেষ হোৱাৰ পিছত শিশু অদিতিক মোমায়েক-মামীয়েকে লৈ গৈছিল যদিও ১৯৭৯ চনৰপৰা আৰম্ভ হোৱা অসম আন্দোলনত দুয়োজনৰে মৃত্যু ঘটিছিল। তেওঁলোকৰ মৃত্যুত একেবাৰে নিঃসংগ হৈ পৰা অদিতিয়ে অসম আন্দোলনত যোগদান কৰে। এই সময়ছোৱাত কোনো আত্মীয় লোকেই নিজৰ ঘৰত অদিতিক স্থান দিবলৈ ৰাজী নহ'ল— কাৰণ পুলিচে সতকাই বিচাৰি ফুৰা আৰু অকলে অকলে দিন-ৰাতিৰ ছেদ-ভেদ নাৰাখি ঘূৰি ফুৰা ছোৱালী এজনীক নিজৰ ঘৰত ৰাখি অনাহূত বিপদৰ সন্মুখীন হ'বলৈ সকলোৱে ভয় কৰিছিল। এই সময়ছোৱাত চন্দন, অলকেশ, কবিতা, প্ৰভাকৰ, শুভংকৰ আদিৰ দৰে বন্ধুবোৰে সদায় অদিতিক বেৰি ৰাখিছিল। এই আন্দোলনকাৰী বন্ধুবিলাকৰ মৰম-ভালপোৱাই জীৱন বিচ্যুত হৈ পৰা অদিতিক ধৰি ৰাখিলে। অদিতিৰ প্ৰতিটো বিপদত মূল সহায়কাৰীৰ স্থানত অৱতীৰ্ণ হোৱা চন্দনে আন্দোলনত আঘাতপ্ৰাপ্ত অদিতিক পাটনালৈ নি চিকিৎসা কৰালে। অদিতি পাটনাৰ পৰা ঘূৰি অহালৈকে ইতিমধ্যে আন্দোলন শেষ হৈ অসম চুক্তি ৰূপায়ণ হৈছে। ঘূৰি আহি অদিতি আশ্ৰয়হীন হৈ পৰাত সকলোৱে মিলি বন্ধু অলকেশৰ ঘৰত অদিতিক ৰাখিলে যদিও অলকেশৰ বৌৱেকহঁতৰ নিষ্ঠুৰ বাক্যবাণে তাইৰ জীৱন দুৰ্বিসহ কৰি তুলিলে। চন্দনক এই বিষয়ে জনোৱাত চন্দনেই অদিতিক বিয়া কৰাই দিশপুৰৰ মন্ত্ৰীগৃহলৈ লৈ গ'ল যদিও মন্ত্ৰীনিবাসত তাইৰ জীৱন বৰ সুখদায়ক নহ'ল। ৰাজনীতিৰ মেৰপাকত পৰি চন্দনৰ আদৰ্শৰ তাৰতম্য ঘটা কথাটো অদিতিয়ে সহ্য কৰিব পৰা নাছিল। অদিতিৰ নিজৰ নীতি-আদৰ্শ অনন্য আছিল। সেয়েহে চন্দনে নিজৰ আদৰ্শ আৰু নীতিক বিসৰ্জন দি কিছুমান ক্ষমতালোভী আৰু সুবিধাবাদী লোকক সমৰ্থন কৰাৰ বাবে

চন্দনক অদিতিয়ে গালি পাৰিছিল। এইখিনিতে চন্দন অদিতিৰ বৈবাহিক জীৱনত সংঘাতৰ আৰম্ভণি ঘটিল। চন্দন ৰাজনীতিৰ মেৰপাকত যিমানেই সোমাবলৈ ধৰিলে অদিতি সিমানেই দিশহাৰা হৈ পৰিল। অদিতি ক্ৰমে অসুখী আৰু অসন্তুষ্ট হ'বলৈ আৰম্ভ কৰিলে। **আদৰ্শ আৰু মতৰ অমিলৰ কাৰণে অদিতিয়ে স্ব-নিৰ্বাসনৰ পথ বাছি ল'লে।**

ঔপন্যাসিকে অদিতিক এগৰাকী অধ্যাপিকাৰ লগতে এগৰাকী পত্নী আৰু মাতৃৰ ৰূপতো অংকন কৰিছে।

"এই সময় সেই সময়' উপন্যাসখনত অদিতি চৌধুৰী নামৰ নাৰী চৰিত্ৰটিক আমি পাইছো গুৱাহাটীৰ এখন মহাবিদ্যালয়ৰ এগৰাকী প্ৰবক্তা ৰূপত। এগৰাকী অধ্যাপিকাৰ লগতে এগৰাকী পত্নী আৰু তাৰো ঊৰ্দ্ধত এগৰাকী মাতৃৰ ত্ৰিকোণ অৱস্থিতি অদিতিয়ে সগৌৰৱে ঘোষণা কৰি উপন্যাসখনত জিলিকি আছে। মহাবিদ্যালয়ৰ প্ৰবক্তা ৰূপে আত্মপ্ৰকাশ কৰা অদিতি চৌধুৰীক আমি উপন্যাসখনত ভিন্ন সময়ত ভিন্ন ৰূপত দেখা পাইছোঁ। কেতিয়াবা অদিতিয়ে অতীতত খোজ থৈছে— কেতিয়াবা বৰ্তমানত সৰৱ হৈ উঠিছে। সেই সকলো ক্ষণতে অদিতিৰ স্থিতপ্ৰজ্ঞতাই চৰিত্ৰটোক পাঠকৰ ওচৰ চপাই নিছে।"[৯]

উপন্যাসখনিৰ 'অদিতি' ধীৰ-গম্ভীৰ ব্যক্তিত্বৰ অধিকাৰী। অন্যান্য সাধাৰণ মানুহৰপৰা তেওঁৰ চিন্তা-চৰ্চা যথেষ্ট দূৰত। অযথা সমালোচনা, অযথা কথা, অদৰকাৰী আড্ডা— এইবোৰত অদিতিয়ে কেতিয়াও অংশগ্ৰহণ নকৰে। বিদ্যায়তনিক দিশতো তাই যথেষ্ট উচ্চখাপৰ যদিও নিজৰ কঠোৰ একাগ্ৰতা, কৰ্তব্যনিষ্ঠা আৰু দায়িত্ববোধেৰে নিজৰ ভৰিত নিজে থিয় হ'ব পৰাকৈ জীৱনটো গঢ়ি লৈছে। অদিতিৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে নাৰীচেতনাৰ বহুকেইটা দিশ সামৰি লৈছে। মাতৃ হিচাপে অদিতিয়ে পালনীয় সকলো কৰ্তব্যত গুৰুত্ব দিছে। অদিতিৰ জীয়ৰী কাজৰি শিশুকালত কিছু অসুখীয়া আছিল। এই কাজৰিৰ বাবেই অদিতিয়ে নিজৰ বৈবাহিক জীৱনৰ সমগ্ৰ সুখ-শান্তি পৰিহাৰ কৰিছিল। উপন্যাসখনিৰ শেষৰফালে অদিতিয়ে কাজৰিক কৈছে—

"মোৰ হাতত তেতিয়া দুটা পথ খোলা আছিল। তোমাক কোনো অনাথ আশ্ৰমত থৈ চন্দনৰ লগত সংসাৰ কৰা, নহ'লে তোমাক লৈ আঁতৰি যোৱা। মই বহুত ভাবি তোমাক লৈ গুচি যোৱাৰ সিদ্ধান্ত লৈছিলোঁ। চন্দনে মই নাথাকিলেও জীয়াই থাকিব পাৰিব।

কিন্তু মই নাথাকিলে তুমি জীয়াই থাকিব নোৱাৰিবা।"[১০]

অদিতিৰ মুখৰ এনে কথাৰ পৰা **এগৰাকী মাতৃৰ নিজৰ সন্তানৰ প্ৰতি থকা দায়িত্ব আৰু একান্ত মৰমৰ কথা জানিব পাৰি**। নিজৰ সন্তান যিমানেই অসুখীয়া নহওক লাগিলে মাতৃহৃদয়ে সেই শিশুটিক নিজৰ পৰা কেতিয়াও দূৰ কৰি দিব নোৱাৰে।

এগৰাকী মাতৃ হিচাপে, এগৰাকী নাৰী হিচাপে অদিতিয়ে তেওঁৰ কৰণীয় দায়িত্ব সকলোখিনিয়েই সুচাৰুৰূপে পালন কৰিছে। এইখিনিতে এটা কথা লক্ষণীয় যে ঘাইকৈ সংস্কৃতি আৰু ঐতিহ্যৰ উত্তৰণৰ পথ সুনিশ্চিত কৰাৰ দায়িত্ব এগৰাকী নাৰীৰ হাততেই ন্যস্ত কৰা থাকে। কাৰণ নাৰীয়েই দেশৰ ভৱিষ্যৎ প্ৰজন্মক গঢ় দিয়ে। অদিতিও এই গুণৰ অধিকাৰী হোৱা বাবেই অসমীয়ে নৱাগত আদৰণী সভাত গান গাই অপমানিত হৈ পৰাত সুকন্যাই এই কথাৰ প্ৰতিবাদ কৰা কথাটোত সমৰ্থন জনাইছে।

**ঔপন্যাসিকে 'অদিতি'ৰ চৰিত্ৰৰ মাজেদি ব্যক্তিবাদী আদৰ্শৰ ধ্বজা উৰুৱাইছে। পুৰুষৰ কথামতে উঠা-বহা কৰা নাৰী অদিতি নহয়। পুৰুষৰ ভোগৰ সামগ্ৰী ৰূপে নাৰীয়ে যাতে নিজৰ হৃদয়ৰ দাবী আৰু মৰ্যাদাবোধ হেৰুৱাবলগীয়া নহয়, পুৰুষৰ হাতৰ পুতলা ৰূপে নাৰীয়ে যাতে নিজকে পৰিচালনা কৰিবলগীয়া নহয়, তাকেই ঔপন্যাসিকে অদিতিৰ চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰিব বিচাৰিছে।**

এই উপন্যাসখনিত অদিতি কেৱল এগৰাকী নাৰীয়ে নহয়; অদিতি হৈছে এক প্ৰত্যাহ্বান, নাৰী শক্তিৰ মূৰ্তিমান স্বৰূপ। নিজস্ব আদৰ্শৰ প্ৰতি সন্মান জনাই তেওঁ সামাজিক পৰম্পৰাৰ বিপক্ষে গৈ একাকী জীৱন বাছি লৈছে। এইয়া নাৰী স্বতন্ত্ৰতাৰ এক সবল দিশ।

"কিয় এনে হ'ল?

কিয় এটা সহজ জীৱন নহ'ল অদিতিৰ? এটা অনায়াস, প্ৰাচুৰ্য ভৰা জীৱনে কিয় দিব নোৱাৰিলে সেই সন্তুষ্টি, সেই পৰিতৃপ্তি— যি এক নাৰীক বান্ধি ৰাখে সংসাৰৰ সীমাবদ্ধতাত? সংসাৰৰ আনন্দ আৰু পৰিপূৰ্ণতাৰ আনন্দত?

এই প্ৰশ্ন প্ৰথমতে বহুবাৰ নিজকে কৰিছিল অদিতিয়ে। তাৰ পিছত এৰি দিছিল। নিজক জাপি-কুঁচি ভৰাই হৈ গুচি গৈছিল স্ব-নিৰ্বাসনলৈ।"[১১]

অদিতি স্বাধীনচিতীয়া ব্যক্তিত্বৰ অধিকাৰী হোৱাৰ বাবেই নিজৰ দুয়োজনী জীয়ৰী কাজৰি আৰু কস্তুৰীক স্বাধীনভাৱে চিন্তা কৰিব পৰা, নিজাকৈ সিদ্ধান্ত ল'ব পৰা মনৰ একোজনী স্বয়ংসম্পূৰ্ণ

ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। দুয়োজনীকে অদিতিয়ে এনেদৰে সবল কৰি তুলিব বিচাৰিছিল যাতে ভৱিষ্যতৰ কোনো পৰিস্থিতিতেই সিহঁত সুগভীৰ বিষাদ বা নিঃসংগতাৰ বলি হ'ব লগা নহয়।

স্বামী চন্দনৰ লগত সম্পৰ্কৰ আঁতডাল হেৰাই যাবলৈ আৰম্ভ কৰাৰ সময়তেই তেওঁলৈ পৰিৱৰ্তনৰ প্ৰথম বাৰ্তাটো লৈ প্ৰথমে কলেজৰ চাকৰিটো আহিল। ইয়াৰ পিছতেই কাজৰি আহিল। চন্দনৰ হাজাৰ বাধাকো নেওচি অদিতিয়ে কলেজৰ চাকৰিটোত যোগদান কৰিবলৈ পাহাৰীয়া চহৰখনলৈ গুচি আহিল। কিন্তু সেয়ে হ'লেও বহু বছৰৰ মূৰত অদিতি লাহে লাহে যন্ত্ৰণাৰে ভাৰাক্ৰান্ত দিনবোৰৰ পৰা মুক্ত হ'বলৈ সক্ষম হ'ল।

অদিতিক ঔপন্যাসিকে এক অসাধাৰণ নাৰী চৰিত্ৰ ৰূপে উপস্থাপন কৰিছে। তেওঁ নিজকে সমাজৰ এখন উচ্চ আসনত প্ৰতিষ্ঠিত কৰাৰ লগে লগে সমান্তৰালভাৱে দুয়োজনী জীয়েকক সমাজত প্ৰতিষ্ঠিত কৰাৰ যি প্ৰচেষ্টা লেখকে কৰিছে সেইয়া তুলনাহীন। সমাজৰ, স্বামীৰ, আত্মীয়-স্বজনৰ, সহকৰ্মীৰ বহুতো গঞ্জনা মূৰ পাতি লৈ অদিতিয়ে অকলশৰীয়াভাৱে নিজৰ পথ প্ৰশস্ত কৰি তুলিছিল। প্ৰকৃতাৰ্থত **অদিতি নাৰী স্বতন্ত্ৰতাৰ দৃঢ় স্বাক্ষৰ**।

নিজে এজনী ছোৱালীৰ মাতৃ হোৱাৰ পিছতো ৰাস্তাৰ কাষত কোনোবাই পেলাই থৈ যোৱা কস্তুৰীক অদিতিয়ে নিজৰ কৰি তুলি লৈছে। কোনোদিন নিজে জন্ম দিয়া আৰু কোনোবাই ৰাস্তাৰ কাষত পেলাই থৈ যোৱা বুলি কাজৰি আৰু কস্তুৰীৰ মাজত পাৰ্থক্য ৰখা নাই। ইয়াৰ পৰিৱৰ্তে কস্তুৰীৰ সন্মুখত তাইৰ জন্মৰ কোনো কথাকে গোপনে নাৰাখি সমাজৰ আগত মূৰ তুলি এষাৰ ক'ব পৰাকৈ যোগ্য কৰি তুলিছে। অদিতিৰ মতে আত্মীয়তা শব্দটো তেজত থকাটো সঁচা। কিন্তু তেজৰ বাহিৰতো আত্মীয়তা থাকিব পাৰে।

স্বামীক এৰি থৈ একাকী জীৱন আদৰি লোৱা নাৰী জীৱন মুঠেও সুৰক্ষিত নহয়। **ঔপন্যাসিকে অদিতিৰ চৰিত্ৰৰ জৰিয়তে ৰক্ষণশীল অসমীয়া সমাজখনৰ বৰ্তমান আধুনিক নাৰী সমাজৰ মানসিকতা, সামাজিক অৱস্থা, ৰীতি-নীতিৰ লগতে নাৰীৰ মানসিক দ্বন্দ্ব, সংঘাত আদিক অধিক প্ৰাণৱন্ত, উজ্জ্বল আৰু গতিশীল ৰূপত উপস্থাপন কৰিছে।** অদিতি সহকৰ্মী ভাগৱতীৰ আৱেগজড়িত গভীৰ মাতত সচকিত হৈ পৰিছে। কাৰণ পুৰুষৰ মিঠা মাতৰ অন্তৰালত নিহিত হৈ থকা কলুষতাখিনি ইতিমধ্যেই অদিতিৰ জ্ঞাত।

"বিগত দিনবোৰত এনে পুৰুষ চকু অনেক দেখিছে অদিতিয়ে। অনেক শুনিছে এনেধৰণৰ মাত। স্বামীৰপৰা আঁতৰি অহা সকলো নাৰীয়েই হয়তো দেখে। শুনে।

ঔদাসীন্য, সৌজন্য, গাম্ভীৰ্য আৰু নিৰ্বিকাৰ মনোভংগীৰে সেই দেখা-শুনাবোৰক প্ৰতিহত কৰি আহিছিল অদিতিয়ে। কিন্তু ভিতৰত জানো অস্বস্তি আৰু আশংকা নাছিল? আছিল। কিন্তু কোনেও নজনাকৈ আছিল। এতিয়াও বাহিৰত শান্ত আৰু নিৰ্বিকাৰ হৈ থাকিলেও ভিতৰে ভিতৰে অস্বস্তিত ভুগিবলৈ আৰম্ভ কৰিছে অদিতিয়ে।"[১২]

নাৰী হিচাপে অদিতিৰ ক্ষেত্ৰত এইয়া নিতান্তই স্বাভাৱিক কথা। কিন্তু সেয়ে হ'লেও পুৰুষৰ লোলুপ দৃষ্টিৰপৰা অদিতি সাৰি যোৱা নাই। অৱশ্যে নিজৰ প্ৰভাৱশালী ব্যক্তিত্ব আৰু মহান আদৰ্শই এই সকলোবোৰ প্ৰতিহত কৰি অদিতিক এক দৃঢ় চৰিত্ৰৰ নাৰী ৰূপে প্ৰতিপন্ন কৰিছে।

জীৱনত বাৰে বাৰে সন্মুখীন হোৱা নানা ঘাত-প্ৰতিঘাত আৰু আন্দোলনৰ পিছত নতুনকৈ গঠন হোৱা সমাজ-ব্যৱস্থাৰ জটিলতাই অদিতিৰ মন-মগজুক ক্ৰমান্বয়ে শক্তিশালী কৰি তুলিছে। সেয়েহে নিজৰ বিবেকে সত্য বুলি মানি লোৱা কামবোৰ কৰিবলৈ অদিতি কেতিয়াও পিছহুঁহকি অহা নাই। সেয়েহে সহকৰ্মী, সহপাঠীসকলে মাজে-সময়ে সৃষ্টি কৰা ক্লেদাক্ত পৰিৱেশে অদিতিক কেতিয়াও দুৰ্বল কৰিব নোৱাৰিলে। বেলেগৰ কটূক্তিক অদিতিয়ে সদায় উপেক্ষা কৰি মৌনতা অৱলম্বন কৰিছে। সেয়েহে লাহে লাহে অদিতিয়ে নিজকে সংযত কৰি এজোপা বটবৃক্ষৰ দৰেই দৃঢ় খোপনি পুতিবলৈ সক্ষম হৈছে আৰু এই বটবৃক্ষৰ তলত সুকন্যা, কস্তুৰী আৰু অমিতহঁতৰ দৰে নৱ প্ৰজন্মৰ এচামে আশ্ৰয় লাভ কৰিবলৈ সক্ষম হৈছে।

উপন্যাসখনিৰ শেষৰফালে অদিতিৰ চৰিত্ৰৰ আন এটা সবল দিশ উন্মোচিত হয়। ডাঙৰ জীয়ৰী কাজৰিৰ কাৰণেই আচলতে অদিতি আৰু চন্দনৰ সংসাৰত আউল লাগিবলৈ আৰম্ভ কৰে। কাজৰিও অদিতিয়ে নিজে জন্ম দিয়া সন্তান নাছিল। অদিতিৰ পুৰণা বন্ধু, নিষিদ্ধঘোষিত সংগঠনৰ সক্ৰিয় সদস্য অৰণ্য বৰুৱা আৰু তেওঁৰ পত্নীৰ সন্তান আছিল কাজৰি। কিন্তু জন্মৰ পিছতেই মাকৰ মৃত্যু হোৱাত অৰণ্যই অসুখীয়া সন্তান কাজৰিৰ দায়িত্ব তেওঁৰ সবাতোকৈ বিশ্বস্ত বান্ধৱী অদিতিক দি গৈছিল। এজন সন্ত্ৰাসবাদীৰ সন্তানক নিজৰ ঘৰত ৰাখিলে চন্দনৰ ৰাজনৈতিক কেৰিয়াৰত বিপদ আহিব পাৰে বুলিয়েই চন্দনে ইয়াৰ প্ৰতিবাদ কৰিছিল। কিন্তু অদিতিয়ে এই কথা মানি নলৈ চন্দনৰপৰা আঁতৰি গৈ সকলোৰে আগত কাজৰিক চন্দন-অদিতিৰ সন্তান বুলিয়েই পৰিচয় কৰাই

দিছিল যাতে কাজৰিৰ ভৱিষ্যৎ পৰিচয়হীনতাত সংকটাপন্ন নহয়। এই কথা অদিতিয়ে কাজৰিক নিজে মুখ খুলি নোকোৱাহেঁতেন সকলো এই দিশটোৰ পৰা দূৰৈত ৰ'লহেঁতেন। কিন্তু কাজৰিক অদিতিয়ে এনে মমতাৰে প্ৰতিপালন কৰিছে যে নিজৰ সন্তান নোহোৱা সত্ত্বেও মহানুভৱতা আৰু আত্মীয়তাৰ বান্ধোনেৰে বান্ধি ৰাখিব পৰাত অদিতি বহুদূৰ আগুৱাই গৈছে। **নাৰী হিচাপে নিজে সন্তান জন্ম নিদিয়াকৈও যে বেলেগৰ সন্তানক নিজৰ বুলি জ্ঞান কৰি সিহঁতক সঠিক পথেৰে আগুৱাই যোৱাত অদিতিয়ে সাহস আৰু প্ৰেৰণা যোগাব পাৰিছে এইখিনিতেই অদিতিৰ চৰিত্ৰৰ সফলতা**। নাৰী হিচাপে অদিতি পৰিপুষ্টিতাৰে পৰিপূৰ্ণ।

"কাজৰিৰ দৰে কস্তুৰীকো ডাঙৰ কৰিছে অদিতিয়ে। এজনীৰ লগতো তেজ-মঙহৰ সম্পৰ্ক নাই। কিন্তু দুয়োজনীৰ বাবে অদিতিয়ে বহু কষ্ট স্বীকাৰ কৰি সিহঁতক মানুহ ৰূপে গঢ় দিয়াত ব্ৰতী হৈছে। সিহঁতৰ সকলো অসুবিধা দূৰ কৰিবলৈকে পাহাৰীয়া ঠাইখনৰ মহাবিদ্যালয়ৰপৰা গুৱাহাটীলৈ আহিল। দুয়োজনীকে কোনোদিন অনুভৱ হ'বলৈ দিয়া নাই দেউতাকৰ অনুপস্থিতি। আদৰ্শৰ সংঘাতত চন্দনৰপৰা আঁতৰি আহিছে বুলি ক'লেও কেতিয়াও অদিতিয়ে চন্দনৰ প্ৰতি বেয়া মনোভাব সিহঁতৰ মনত সুমুৱাই দিয়া নাই। প্ৰতিক্ষণ অদিতিয়ে দুটা পৃথক মতৰ অধিকাৰী দুয়োজনী ছোৱালীকে মানসিকভাৱে সিহঁতৰ সহযোগিতা কৰি আগবঢ়াই নিয়াৰ যত্ন কৰিছে। নিচেই ওচৰৰপৰা বুজিবলৈ চেষ্টা কৰিছে ছোৱালী দুজনীক। পাৰ্যমানে দুয়োজনী ছোৱালীক স্পষ্টবাদী, সাহসী হ'বলৈ প্ৰেৰণা দিছে। এগৰাকী মাতৃৰূপে প্ৰকৃততেই অদিতি অতুলনীয়।"[১৩]

ইয়াৰ উপৰি বন্ধুৰ ছোৱালী অসমীৰ লোকেল গাৰ্জেন হিচাপে তাইৰ ভাল-বেয়া সকলোবোৰ দিশ অদিতিয়ে আঙুলিয়াই দিছে। তদুপৰি কস্তুৰীৰ লগৰ সুকন্যাৰ স্পষ্ট মন্তব্যক শলাগ লোৱাৰ লগতে ৰাজনৈতিক চক্ৰান্তৰ বলি হোৱা সুকন্যাৰ কাষতো অদিতি থিয় হৈছে।

ৰীতা চৌধুৰীয়ে অদিতি চৰিত্ৰটোক তেওঁৰ অন্যান্য উপন্যাসসমূহৰ নাৰী চৰিত্ৰসমূহৰ দৰেই বলিষ্ঠ আৰু সাহসী ৰূপত গঢ়ি তুলিছে। অদিতিৰ বিদ্যায়তনিক দিশ অতি উচ্চখাপৰ যদিও কেতিয়াও এইটো কাৰণত অদিতিয়ে কাৰো ওচৰত অহংকাৰ প্ৰকাশ কৰা নাই। ইয়াৰ পৰিৱৰ্তে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈ নিজৰ কঠোৰ একাগ্ৰতাৰে নিজৰ ভৰিত নিজে থিয় হোৱাৰ লগতে দুজনী ছোৱালীকো নিজৰ সু-সংস্কাৰেৰে শিক্ষিত কৰি তুলিছে। অদিতিক ঔপন্যাসিকে বহল অন্তৰৰ এগৰাকী নাৰীৰ ৰূপত গঢ়ি তুলিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো

অদিতি অতি প্ৰিয়। কলেজৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী অনন্তকো অদিতিয়ে মৰম কৰে। চতুৰ্থবৰ্গৰ কৰ্মচাৰী হোৱা সত্বেও অনন্তৰ প্ৰতিটো খবৰেই অদিতিয়ে ৰাখে। সমাজৰ উচ্চ-নিম্ন সকলো স্থানতে অৱতীৰ্ণ প্ৰতিজন মানুহকে অদিতিয়ে সমানেই গুৰুত্ব দিয়ে। এখন নামজ্বলা মহাবিদ্যালয়ৰ প্ৰবক্তা পদত অধিষ্ঠিত হৈও অহংকাৰৰ লেশমানো মনত পুহি নৰখা অদিতি ৰীতা চৌধুৰীৰ এক বলিষ্ঠ তথা শক্তিশালী সৃষ্টি।

**বহু জটিল পৰিস্থিতিতো অদিতি কেতিয়াও ভাঙি পৰা নাই। যিদৰে সুখ্যাতি আৰু আনন্দই অদিতিৰ চৰিত্ৰত একো সালসলনি ঘটাব পৰা নাছিল, একেদৰেই নিন্দা, অপবাদ আৰু গ্লানিয়েও তেওঁক নিজৰ স্থিতিৰ পৰা আঁতৰাব পৰা নাই। অদিতিয়ে নিজকে এটা খোলাৰ মাজত আবদ্ধ কৰি ৰাখিছে, যাৰ বাবে কোনো কুৎসা-ৰটনাই তেওঁৰ চৰিত্ৰত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে। ইচ্ছা কৰা হ'লে অদিতিয়ে ক্ষমতাৰ মাটিত শিপা বহলাই ল'ব পাৰিলেহেঁতেন। কিন্তু ইয়াৰ পৰিৱৰ্তে নিজৰ ভৰিৰ তলৰ মাটিকে খামুচি ধৰি তেওঁ শক্তিশালী হৈ ৰ'ল। এইখিনিতেই এই চৰিত্ৰটিৰ সাৰ্থকতা।**

### 'কাজৰি'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা

**'এই সময় সেই সময়'**— উপন্যাসখনিৰ আন এটি নাৰী চৰিত্ৰ হ'ল— **'কাজৰি'**, যাৰ বাবে অদিতিৰ জীৱন-বাটত এটা কেঁকুৰিৰ সৃষ্টি হ'ল বুলিব পাৰি। এই চৰিত্ৰটোৰো দ্বন্দ্ব আছে। এই দ্বন্দ্ব জীৱনক বিলাসিতাৰ মাজেৰে উপভোগ কৰিব নোৱাৰাৰ দ্বন্দ্ব; এই দ্বন্দ্ব মিছা আভিজাত্যৰ দ্বন্দ্ব।

এজনী অকলশৰীয়া মাতৃ হিচাপে অদিতিয়ে কাজৰিক তুলি-তালি ডাঙৰ-দীঘল কৰাত কেতিয়াও কৃপণালি কৰা নাই। আনকি পিতৃৰ অভাৱো অনুভৱ কৰিবলৈ দিয়া নাই। কিন্তু সৰুতেই পিতৃৰ কাষৰপৰা তাইক আঁতৰাই অনাৰ বাবে পিতৃৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ পৰিছিল কাজৰি। 'পিতৃ' নামৰ বিশাল আকাশখনৰপৰা দূৰ কৰি লৈ অনাৰ বাবে অদিতিৰ ওপৰত ভিতৰি ভিতৰি ক্ষুণ্ণ হৈ পৰি অৱশেষত ঘটনা বিশেষত বাধ্য হৈ কাজৰিৰ মুখৰপৰা অগ্নিৰ স্ফুলিংগৰ দৰে নিসৃত হয় মাতৃৰ প্ৰতি মনত পুহি ৰখা বিৰোধ ভাববোৰ। **'কস্তুৰী'**ক যেতিয়া ৰাস্তাৰ কাষৰপৰা অদিতিয়ে তুলি লৈ আহিছিল তেতিয়া কাজৰিৰ বয়স চাৰি বছৰ আছিল। কস্তুৰীৰ আগমনত মাকৰ তাইৰ

প্ৰতি থকা মৰমৰ ভাগ হ'ল বুলিয়েই কাজৰিয়ে ভাবি লৈছিল। সিহঁতৰ সৰু ঘৰটোত অদিতি, কাজৰি আৰু কস্তুৰীয়ে নিজকে এডজাষ্ট কৰি লৈছিল যদিও অদিতিৰ বন্ধু বলোভদ্ৰৰ জীয়েক **'অসমী'**কো যেতিয়া মাকে নিজৰ ঘৰত স্থান দিলে, কাজৰিৰ ধৈৰ্যচ্যুতি ঘটিল। উচিত-অনুচিত আৰু সময়-অসময় নোচোৱাকৈয়ে তাইৰ মনৰ ভিতৰত অতদিনে লুকুৱাই ৰখা ক্ষোভখিনি উজাৰি দিলে। পিতৃৰ লগত থকা হ'লে কিজানি কাজৰিয়ে বহু সুবিধা পালেহেঁতেন, উন্নতিৰ জখলাত আৰু এঢাপ বেছিকৈ খোজ দিব পাৰিলেহেঁতেন— এইটো কাজৰিৰ মনৰ ভাব। নিজ প্ৰাপ্যৰ পৰা যেন কাজৰি বঞ্চিত হৈ ৰ'ল— এইবাবেই কাজৰিৰ অন্তৰত ক্ষোভ আৰু ক্ৰোধ স্তিমিত হৈ ৰৈছে। অদিতিৰ ওচৰত কাজৰি এই কাৰণেই অভিমানী হৈ ৰৈছে যে পিতৃৰ ওচৰৰ পৰাতো তাইক আঁতৰাই আনিলেই, তথাপি অদিতি সন্তুষ্ট নহ'ল; ৰাস্তাৰ কাষৰপৰা অনাহূত অতিথি কস্তুৰীক বুটলি আনি মৰমৰ চান কাঢ়িলে। ইয়াৰ পিছত পুৰণা কোনো বন্ধুৰ জীয়েককো আনি ঘৰত স্থান দিছে। এই সকলোবোৰ কাজৰিয়ে সহ্য কৰিব পৰা নাই।

"কাজৰি বঞ্চনাৰ ক্ষোভেৰে ভাৰাক্ৰান্ত। বাহিৰৰ পৰা অহা অনাহূত কস্তুৰীৰ সুগম জীৱন দেখি ঈৰ্ষাত দগ্ধ। কস্তুৰীয়ে লাভ কৰা মৰম আৰু স্বীকৃতি দেখি নিৰাপত্তাহীনতাত বিভ্ৰান্ত। কস্তুৰীয়ে পোৱা সুযোগ-সুবিধা দেখি উপশমহীন ক্ৰোধত অন্ধ।

অকলে জীয়াই থাকিব খোজে কাজৰিয়ে। সম্পূৰ্ণকৈ উপভোগ কৰিব খোজে জীৱনক। উঠি যাব খোজে বিকাশৰ শিখৰলৈ। সকলো সুযোগ-সুবিধা সম্পূৰ্ণকৈ ব্যৱহাৰ কৰিব খোজে। নিজৰ ভাগৰ পৰা এমুঠি সুযোগ, এমুঠি সুবিধাও কাকো দিবলৈ ৰাজী নহয়।"[১৪]

কাজৰিয়ে যদিওবা আশৈশৱ পিতৃৰ সান্নিধ্য পোৱা নাই, তথাপি তাই পিতৃক প্ৰাণভৰি ভাল পায়। সাধাৰণতে ছোৱালী সন্তানবোৰে পিতৃকেই প্ৰধানকৈ বিচাৰে। মনোবিজ্ঞানী ফ্ৰয়েডেও তেওঁৰ 'Electra Complex'– নামৰ তত্ত্বত পিতৃৰ প্ৰতি থকা ছোৱালী সন্তানৰ দুৰ্বলতাৰ কথা কৈ থৈ গৈছে।

"In the phallic stage in a girl she is unconsciously attracted to her father and is jealous and resentful of her mother. She is worried that her mother will find out about the feelings she has for her father. According to Freud, the girl beleives she has already been castrated and losing is not fearful like a boy but does feel conflict between her feelings for her father and losing her

mother love. To resolve this she indentifies with her mother and behaves like her."[১৫]

সৰুৰেপৰাই কাজৰিয়ে সম্পূৰ্ণ নিৰাপত্তাৰ আবেষ্টনীত থাকিলেও পিতৃৰ প্ৰতি থকা তাইৰ আকৰ্ষণ সুপ্ত কৰি ৰাখিছিল। কিন্তু সদায় এইটো সম্ভৱ নহ'ল বাবেই তাই মাকৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হৈছে। তাই পিতৃৰ ওচৰলৈ ঘূৰি যাব বিচাৰিছে। সেয়েহে মাক-দেউতাকৰ পুৰণা বন্ধু প্ৰভাকৰক তাই কৈছে—

"মোৰ দেউতাক চাবলৈ মন যায় খুৰা।"[১৬]

এইজন প্ৰভাকৰকে তাই দেউতাকৰ ওচৰলৈ তাইক লৈ যাবলৈ অনুৰোধ কৰিছে। প্ৰভাকৰে তাইক নিনিয়াত এদিন ক্ষুব্ধ হৈ নিজেই পিতৃৰ কোৱাৰ্টাৰ গৈ ওলাইছেগৈ। আনকি অদিতি নিজেই তাইক ঘৰলৈ ঘূৰাই আনিবলৈ খোজোঁতেও তাই আঁকোৰগোজ হৈ ৰৈছে— তাই পিতৃৰ লগত পিতৃৰ কোৱাৰ্টাৰতে থাকিব। অৱশেষত সকলোৰে পৰামৰ্শ শুনি অদিতিয়ে কাজৰিক তাইৰ জন্ম ৰহস্য ক'বলৈ বাধ্য হ'ল। কাৰণ কাজৰিয়ে ভবাৰ দৰে তাই চন্দন ফুকন আৰু অদিতিৰ সন্তান নাছিল; তাই আছিল বিদ্ৰোহী সংগঠনৰ সদস্য অৰণ্য বৰুৱা আৰু তেওঁৰ পত্নীৰ সন্তান। অসুখীয়া সন্তান কাজৰিৰ জন্মৰ পিছত পত্নীৰ মৃত্যু হোৱাত নিজৰ আটাইতকৈ বিশ্বস্ত বান্ধৱী অদিতিৰ হাতত অৰণ্য বৰুৱাই কাজৰিক চোৱাচিতা কৰাৰ দায়িত্ব দিছিল।

কাজৰিয়ে নিজৰ প্ৰকৃত পৰিচয় পাই আশ্চৰ্যচকিত হোৱাৰ লগতে তাইৰ কাৰণেই যে চন্দন-অদিতিৰ ভগ্নপ্ৰায় সংসাৰখন একেবাৰে ভাগি গ'ল এইকাৰণে চূড়ান্ত দুখত ভোগে। তাই ইয়াৰ পিছত একেবাৰে নিশ্চুপ হৈ ৰয়। কিন্তু কস্তুৰীৰ এখন গ্ৰন্থই, যিখন গ্ৰন্থ তাই বায়েক কাজৰিৰ নামত উছৰ্গা কৰিছিল, এই গ্ৰন্থখনে পুনৰ কস্তুৰী, কাজৰি আৰু অদিতিৰ সংসাৰলৈ জীপ কঢ়িয়াই আনে। আনকি অসমীক ঘৰলৈ লৈ অনাত যি কাজৰিয়ে আপত্তি কৰিছিল, সেই কাজৰিয়ে অসমীক পুনৰ নিজৰ ঘৰত ঠাই দিলে।

এনেদৰেই ৰীতা চৌধুৰীয়ে কাজৰিৰ চৰিত্ৰৰ জৰিয়তে পিতৃৰ এটি ছোৱালী সন্তানৰ যি মৰম তথা আকৰ্ষণ আছে, সেয়া প্ৰাঞ্জলতাৰে বৰ্ণনা কৰিছে। কাজৰি মাক অদিতিৰ ওচৰতো কৃতজ্ঞ হৈ ৰৈছে। কিন্তু তাই যথেষ্ট স্পষ্টবাদী। সেয়েহে নিজ পিতৃক পিতৃ হিচাপে দায়িত্ব পালন নকৰাৰ বাবে দোষী সাব্যস্ত কৰিছে।

**'কস্তুৰী'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

**'এই সময় সেই সময়'** উপন্যাসত **'কস্তুৰী'**ৰ চৰিত্ৰটো ধ্ৰুৱতৰাৰ দৰে জিলিকি আছে। চন্দনৰ কাষৰপৰা অদিতি একেবাৰে গুচি অহাৰ পিছত কাজৰিৰ চাৰি বছৰ হওঁতে এদিন ৰাস্তাৰ কাষত পৰিত্যক্ত অৱস্থাত পোৱা কস্তুৰীক অদিতিয়ে আইনগতভাৱেই নিজৰ সৰু জীয়েক কৰি তুলি লৈছিল। ৰীতা চৌধুৰীয়ে কস্তুৰীৰ চৰিত্ৰটোক সহজ-সৰল আৰু নিৰ্মল মনৰ অধিকাৰী ৰূপে গঢ়ি তুলিছে। **তাই ক্ৰূৰতাহীন আৰু নিঃস্বাৰ্থ স্বভাৱৰ। ইয়াৰ উপৰি একপ্ৰকাৰৰ নাৰীসুলভ লাজ বা দুৰ্বলতা তাইৰ ব্যক্তিত্বৰ প্ৰধান দিশ।**

কস্তুৰী সহজ-সৰল মনৰ অধিকাৰী হোৱাৰ বাবেই তাই নিজৰ জন্ম ৰহস্য গম পোৱাৰ পিছতো কোনোদিন হীনমন্যতাত ভোগা নাই। ছবি আঁকি, গল্প-কবিতা লিখি, ঘৰুৱা কাম-বন, ৰন্ধা-বঢ়া এই সকলোবোৰ কৰি কস্তুৰীয়ে নিজকে সদাব্যস্ত কৰি ৰাখে। অদিতি আৰু বায়েক কাজৰিৰ সুখ আৰু সৌভাগ্যকে কস্তুৰীয়ে নিজৰ সুখ আৰু অসীম সৌভাগ্য হিচাপে গণ্য কৰে।

প্ৰথম প্ৰেমানুভূতিৰ সলাজ আকুলতা, নাৰীসুলভ কমনীয়তা, সুখ-দুখৰ মিশ্ৰিত অনুভূতিয়ে পৰশা মনৰ আৱেগবিহ্বলতাই মোহনীয় কৰা এই চৰিত্ৰটিৰ মাজত সততা, দৃঢ়তা আৰু সাহসিকতাৰ পৰিচয় পোৱা যায়। নাৰীৰ স্বাভাৱিক ঈৰ্ষাপৰায়ণতা কাজৰিৰ চৰিত্ৰত দেখা পোৱা নাযায়। নিজৰ জন্ম ৰহস্যৰ কথা গম পাই আৰু বায়েক কস্তুৰীৰ মুখৰপৰা জ্বালামুখীৰ লাভাৰ দৰে তপ্ত বাক্য শুনিলেও তাই নিজৰ জীৱন বিপন্ন কৰা নাই। ইয়াৰ পৰিৱৰ্তে ৰাস্তাৰ কাষৰপৰা তাইক তুলি আনি ডাঙৰ-দীঘল কৰাৰ কাৰণে অদিতিৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰৈছে।

সৰু চহৰখনত থাকোঁতে কস্তুৰী যেনে চৰিত্ৰৰ আছিল, গুৱাহাটী মহানগৰলৈ অহাৰ পিছতো তাইৰ চাৰিত্ৰিক পৰিৱৰ্তন নঘটিল।

"তাইৰ সপোনবোৰ কি অদিতিয়ে একো নাজানে। তাইৰ জীৱনৰ লক্ষ্য নিশ্চয় আছে। সেইবোৰ কথা তাই কাকো নকয়। কাজৰিৰ দৰে নিজক গঢ়ি তোলাৰ বাবে ব্যস্ত হৈ নাথাকে কস্তুৰী। তাই ঘৰৰ কাম কৰে। পঢ়ে। গান শুনে। ছবি আঁকে। লিখে।

গুৱাহাটীলৈ অহাৰ পিছত বিশেষ পৰিৱৰ্তন হোৱা নাই কস্তুৰীৰ।"[১৭]

**নাৰীসুলভতা** কস্তুৰীৰ চৰিত্ৰত বৰ্তমান। সেয়েহে তাইৰ একান্ত বান্ধৱী **সুকন্যাই** ল'ৰাৰ লগত কাজিয়া কৰোঁতে, ল'ৰাৰ বাইক চলাওঁতে তাই লজ্জা অনুভৱ কৰে। এই **কস্তুৰীৰ মনত**

**মাক অদিতি চৌধুৰী এগৰাকী দেৱী আৰু দয়াৰ আকৰ**। কাৰণ তাইৰ নিজ মাতৃয়ে নিষ্ঠুৰ হাতেৰে জন্মৰ পিছত ৰাস্তাৰ কাষত পেলাই থৈ গৈছিল। অদিতি চৌধুৰীয়ে তুলি ননা হ'লে তাইৰ জীৱনটোৱে বা কোনদিশে গতি কৰিলেহেঁতেন এই কথা ভাবি তাইৰ চকু ভৰি পৰে।

কস্তুৰী যথেষ্ট **দায়িত্বশীলাও**। মাকৰ অনুপস্থিতিত ঘৰখন চম্ভালি লোৱাৰ সামৰ্থ্য তাইৰ আছে। তদুপৰি বয়সতকৈ বেছি বুজন কস্তুৰীয়ে মাক অদিতিক ভাগি পৰা দেখি সান্ত্বনা বাক্যৰে বুজাবলৈ সক্ষম হৈছে।

কস্তুৰী, অদিতিয়ে দিয়া সংস্কাৰেৰে পৰিপূৰ্ণ এক নাৰী চৰিত্ৰ। সেয়েহে সুকন্যাৰ মাক-দেউতাকৰ লগত ক্লাবলৈ যাওঁতে অপৰিচিত বাতাৱৰণৰ লগত তাই নিজকে খাপ খুৱাব নোৱাৰি পাৰ্টি আধাতে এৰি গুচি আহিছে।

কস্তুৰী এক **গভীৰ চিন্তাশীল ব্যক্তিত্বৰ অধিকাৰী**। সেয়েহে বোম ফুটাৰ দিনাই চহৰৰ মুখাপিন্ধা ভদ্ৰলোকবোৰৰ ৰঙীন পাৰ্টিত তাই মনোনিৱেশ কৰিব পৰা নাছিল। ভনীয়েক হিচাপেও বায়েক কাজৰিৰ প্ৰতি কস্তুৰীৰ আছিল অপৰিসীম মৰম। সেয়েহে জন্ম ৰহস্য গম পাই নিশ্চুপ হৈ যোৱা কাজৰিৰ প্ৰতি নিজৰ প্ৰথম কিতাপখন উছৰ্গা কৰি কাজৰিৰ মন মুকলি কৰিবলৈ কস্তুৰী সমৰ্থ হৈছিল।

নিজৰ অস্তিত্ব গম পাই মানসিকভাৱে একেবাৰে ভাগি পৰা কাজৰিক কস্তুৰীয়ে দিয়া বুজনিৰপৰা তাইৰ গভীৰ আৰু চিন্তাশীল ব্যক্তিত্বৰ লগতে বহল মনৰো পৰিচয় পাব পাৰি।

"এটা সময়ত মোৰো খুব বেয়া লাগিছিল জানা বা।ময়ো কি কৰিম ভাবি পোৱা নাছিলোঁ। সুকন্যাই মোক বাট দেখুৱালে। আমি কি পাইছোঁ সেইটো বুজাবলৈ তাই কি পোৱা নাই সেই কথা ঘৰলৈ নি দেখুৱালে। তাইৰ কাৰণেই মই জীৱনক নতুনকৈ বুজিবলৈ শিকিলোঁ। মই এতিয়া বুজো মানুহৰ অস্তিত্ব জন্মদাতাৰ লগত জড়িত হৈ নাথাকে। অস্তিত্ব, আত্মীয়তা আৰু নিজস্বতাৰ মাটিত গঢ়ি উঠে। এই আত্মীয়তা আৰু নিজস্বতাৰ লগত তেজৰ প্ৰৱাহৰ কোনো সম্পৰ্ক নাই। বুজা কাৰণেই মই মনপুতি লিখিবলৈ আৰম্ভ কৰিলোঁ। নিজৰ হীনমন্যতা আৰু হতাশাক জয় কৰিবলৈ চেষ্টা কৰিলোঁ। মান-অভিমানক গুৰুত্ব নিদিবলৈ শিকিলোঁ। ডাঙৰ কামত মন দি সৰু কথাৰ পৰা আঁতৰি আহিবলৈ শিকিলোঁ। তুমি মোতকৈ বহুত বেছি শক্তিশালী। তুমি পৰিষ্কাৰকৈ ভাবিব জানা। সিদ্ধান্ত ল'ব জানা। তুমি মোৰ দৰে নহয়। তুমি মাৰ দৰে। মই যদি নিজক নতুনকৈ গঢ়িব পাৰো— তুমি কিয় নোৱাৰিবা বা?"[১৮]

কস্তুৰীৰ এনে উৎসাহজনক আৰু তত্ত্বমূলক কথা-বতৰাই তাইক বয়সতকৈ অধিক গম্ভীৰ আৰু গভীৰ কৰি তোলে। ইয়াৰ উপৰি নিজৰ হাজাৰ যন্ত্ৰণা লুকুৱাই ৰাখি আনক বিপদৰ সময়ত উৎসাহজনক মন্তব্য দি প্ৰেৰণা যোগোৱাৰ সাধাৰণ নাৰীৰ যি প্ৰৱণতা এইয়া কস্তুৰীৰ চৰিত্ৰত প্ৰতিবিম্বিত হৈছে।

কস্তুৰী এই উপন্যাসখনিৰ এটি সক্ৰিয় নাৰী চৰিত্ৰ। জন্মতেই দুৰ্ভাগ্য কঢ়িয়াই লৈ অহা তাই নিজৰ কপালক দোষ দি কেতিয়াও দুৰ্বলচিতীয়া বুলি পৰিগণিত হোৱা নাই। ইয়াৰ পৰিৱৰ্তে ঔপন্যাসিকে এই চৰিত্ৰটিত **নৈতিক সাহস আৰু মহান ত্যাগৰ আদৰ্শৰ সংমিশ্ৰণ ঘটাইছে। ধৈৰ্য আৰু দৃঢ়তাৰে জীৱনৰ জটিল পৰিস্থিতিৰ লগত কস্তুৰীয়ে মোকাবিলা কৰিছে। নাৰীৰ সহনশীল ৰূপো কস্তুৰীৰ চৰিত্ৰত দেখা যায়।** তাইৰ অন্তৰত এনে এক শক্তি আৰু মহান আদৰ্শ সোমাই আছে, যাৰ বাবে জটিল সময়তো তাই ভাগি নপৰি নিজে সাহসেৰে মুখামুখি হোৱাৰ লগতে মাক আৰু বায়েককো বুজনি দিছে। ৰীতা চৌধুৰীয়ে 'কস্তুৰী'ৰ চৰিত্ৰৰ জৰিয়তে এনেদৰেই নাৰীচেতনাৰ বহিঃপ্ৰকাশ ঘটাইছে।

**'সুকন্যা'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

ভুৱা আভিজাত্যৰ গৰিমাৰে আবৃত **মধুমিতা হাজৰিকা** আৰু **অবিনাশ হাজৰিকা**ৰ একমাত্ৰ সন্তান **'সুকন্যা'**। সুকন্যাক ঔপন্যাসিকে এক সাহসী চাৰিত্ৰিক বৈশিষ্ট্যৰে অংকিত কৰিছে। লাগ বুলিলেই থাউকতে বস্তু পোৱা সুকন্যাৰ জীৱন পথ ইমান মসৃণ নাছিল। পিতৃ-মাতৃৰ প্ৰতি তাইৰ মনত গভীৰ বিদ্বেষ আছিল। কিন্তু তাইৰ প্ৰতি পিতৃ-মাতৃৰ যি অৱহেলা বা অমনোযোগিতা, তাৰ বাবে সুকন্যাই চকুপানী টোকা নাই, ইয়াৰ পৰিৱৰ্তে তাইৰ দুচকুৰে অগ্নিস্ফুলিংগ বিচ্ছুৰিত হৈছে। পিতৃ-মাতৃৰ অনাদৰৰ বাবে তাই দুখত ভাগি নপৰি নিজকে সাহসী ৰূপত প্ৰতিষ্ঠিত কৰিছে। পৰম্পৰাগত নাৰীসুলভতাৰ বিপৰীতে গৈ তাই বাইক চলাইছে, ল'ৰাৰ দৰে সাজপাৰ কৰিছে।

সুকন্যা অতিশয় অধ্যয়নশীল যুৱতী। পিতৃ-মাতৃৰ অৱহেলা আৰু অনাহক কাজিয়াই তাইক কোনোদিন পথভ্ৰষ্ট কৰিব পৰা নাই। ইয়াৰ বিপৰীতে তাই অসংখ্য কিতাপ পঢ়িছে। তাৰপৰা নানান অভিজ্ঞতাৰ সোৱাদ লৈ নিজৰ জীৱনক এক সাঁচত গঢ়ি তুলিছে।

নৱাগত হোৱা সত্বেও কলেজৰ আদৰণী সভাত অসমীয়ে বৰগীত গাওঁতে প্ৰেক্ষাগৃহত

তুচ্ছ-তাচ্ছিল্যৰ সন্মুখীন হওঁতে সুকন্যাই ইয়াৰ ঘোৰ বিৰোধিতা কৰিছে। তাই বাক্‌যুদ্ধত লিপ্ত হৈছে, আনকি প্ৰয়োজন হ'ল মাৰপিট কৰিবলৈকো সাজু হৈছে। **সাধাৰণ পৰম্পৰাগত নাৰীৰ দৰে তাই লজ্জা আৰু সংকোচেৰে আবৃত নহয়।** ইয়াৰ পৰিৱৰ্তে প্ৰকৃত সত্যটোৰ হে তাই সদায় মাত মাতি আহিছে। নিজৰ অতিশয় কাষৰ বান্ধৱী কস্তুৰীয়ে অদিতিৰ দৰে মাতৃ পোৱাৰ পিছতো কেতিয়াবা নিজৰ জন্ম পৰিচয় নথকাত দুখবোধত ভোগাৰ কাৰণে নিজৰ ঘৰত কস্তুৰীক এৰাতিৰ বাবে থাকিবলৈ নি তাইৰ পিতৃ-মাতৃৰ ফোঁপোলা আভিজাত্য আৰু ভণ্ডামিৰ লগত পৰিচয় কৰি দিয়াৰ লগতে পিতৃ-মাতৃৰ অকথ্য গালি-গালাজৰ লগতো চিনাকি কৰি দিছে।

সুকন্যাই অনাহকত কাৰো লগত কাজিয়া নকৰে। কিন্তু উচিত কথাত মাত নমতাকৈ নাথাকে। সেয়েহে মঞ্চত অসমীয়ে বৰগীত গাওঁতে প্ৰেক্ষাগৃহৰ ল'ৰাবোৰে ঠাট্টা কৰাত তাই নাৰাজ হৈ মঞ্চলৈ উঠি গৈছে আৰু তীক্ষ্ণ বাক্যবাণেৰে সকলোকে থকা-সৰকা কৰিছে। স্পষ্টবাদী স্বভাৱৰ সুকন্যাক অদিতিয়ে এইক্ষেত্ৰত সমৰ্থন জনোৱা পৰিলক্ষিত হয়।

"যিবোৰ কথা অশালীন, যিবোৰ কথা অন্যায়, সেইবোৰ কথাৰ বিৰুদ্ধে থিয় হোৱাৰ সাহস সকলোৰে নাথাকে। সুকন্যাৰ আছে। সেয়েহে তাই তোমাৰ ওচৰত থিয় হৈছে। আমিতো তাইৰ ওচৰত থিয় হ'বই লাগিব। তোমাৰ ঠাইত অন্য কোনোবা হোৱা হ'লেও সুকন্যাই একে প্ৰতিবাদ কৰিলেহেঁতেন আৰু আমিও তাইৰ ওচৰত থিয় হ'লোঁহেঁতেন।"[১৯]

সুকন্যাৰ এই সাহসী ৰূপটোৰ লগতে তাইৰ সহায়কাৰী ৰূপটোৰ কথাও উপন্যাসখনিৰ মাজে মাজে ঔপন্যাসিকে ব্যক্ত কৰিছে। পিতৃ হাতদীঘল হোৱা বাবে বহুতো কাকত-আলোচনীৰ সম্পাদকৰ লগত সুকন্যাৰ চিনাকি আছে। সেয়েহে বান্ধৱী কস্তুৰীৰ কবিতা প্ৰকাশত সহায় কৰিবলৈ তাই এখন নামজ্বলা কাকতৰ সম্পাদক ৰঞ্জিত বশিষ্ঠৰ ওচৰলৈ তাইক লৈ গৈছে। পৰৱৰ্তী সময়ত নিজৰ দেউতাকৰ প্ৰেছৰপৰা কস্তুৰীৰ 'অস্তিত্ব' নামৰ প্ৰথম কিতাপখন সোনকালে প্ৰকাশ কৰি উলিওৱাতো কস্তুৰীক সুকন্যাই সহায় কৰিছে।

সুকন্যা এক মহান মনৰ অধিকাৰী আছিল। সেয়েহে ঘটনাৰ পাকচক্ৰত পৰি অবাটে যোৱা বান্ধৱী অসমীক উদ্ধাৰ কৰিবলৈ গৈ তাই নিজেই **গভীৰ ষড়যন্ত্ৰৰ বলি** হৈছে আৰু এগৰাকী বেশ্যাৰ খ্যাতি লাভ কৰি পুলিছ থানাত সোমাবলগীয়া হৈছে। তাই নিৰ্দোষী হোৱা সত্ত্বেও সকলো মিছা অপবাদ মূৰ পাতি লৈছে।

ঔপন্যাসিকে সুকন্যাৰ চৰিত্ৰটোক স্পষ্টবাদী, সাহসী আৰু সৰল মনৰ অধিকাৰী হিচাপে গঢ় দিয়াৰ লগতে বিপদৰ সময়ত সকলোকে যিমান পাৰে সিমানখিনিলৈকে সহায়ৰ হাত আগবঢ়োৱা এক নাৰী চৰিত্ৰ হিচাপে অংকন কৰিছে। **পুৰুষত্বৰ প্ৰবল হাতোৰাই সুকন্যাক বান্ধি ৰাখিব পৰা নাই। তাই নিজৰ ইচ্ছাৰ অধীন।**

অন্যান্য নাৰীৰ দৰেই সুকন্যাও সৌন্দৰ্যপিয়াসী। সেয়েহে বিউটি পাৰ্লাৰৰ কৃত্ৰিম প্ৰসাধনত নষ্ট হৈ যোৱা মাকৰ চেহেৰাতকৈ তাই অদিতিৰ চেহেৰাৰ প্ৰতি আকৰ্ষিত হৈছে আৰু কস্তুৰীকো বিউটি পাৰ্লাৰলৈ গৈ অতিৰিক্ত প্ৰসাধন কৰিবলৈ মানা কৰিছে। এনেদৰেই সুকন্যাৰ জৰিয়তে ঔপন্যাসিকে সমাজৰ কুসংস্কাৰ আৰু কু-প্ৰথাৰ বিৰোধিতা কৰাৰ লগতে নাৰীচেতনাৰ নানান দিশ উন্মোচিত কৰিছে।

এনেদৰে চালে দেখা যায় যে অসম আন্দোলনৰ পটভূমিত **'এই সময় সেই সময়'** উপন্যাসখন ৰচিত হৈছে। **ইয়াত সন্নিৱিষ্ট অদিতি, কাজৰি, কস্তুৰী, সুকন্যাৰ চৰিত্ৰৰ লগতে নিভা, জয়শ্ৰী আৰু অসমী তথা মমী বাৰ দৰে নাৰী চৰিত্ৰবোৰৰ মাজেদি নাৰীসুলভ কপটতা, ঈৰ্ষা, অভিমান, উচ্চাকাংক্ষা আদি প্ৰকাশিত হৈছে।** অৱশ্যে নিভাই অদিতিক যেনেধৰণৰ বুলি ভাবিছিল, অদিতি তেনেধৰণৰ নাৰী নাছিল। জয়শ্ৰী অদিতিৰ সহকৰ্মী হোৱা হেতুকে অদিতিৰ সাফল্যত সুখী নহৈ ঈৰ্ষাত জ্বলিপকি ৰৈছিল। সেয়েহে সুযোগ-সুবিধা পালেই কোব মৰা সাপৰ দৰে অদিতিক ফণা তুলি ধৰিছিল যদিও অদিতিয়ে এইবোৰ কথাক উপেক্ষা কৰি চলিছিল। অদিতিৰ বন্ধু বলোভদ্ৰৰ জীয়ৰী অসমীয়ে অদিতিৰ কলেজত নামভৰ্তি কৰাৰ পিছত ৰুমমেট মমীবায়েকৰ পাল্লাত পৰি নিজৰ খোপনি হেৰুৱাই বিপদৰ সন্মুখীন হয় যদিও বান্ধৱী সুকন্যাই তাইক বদনামী হোৱাৰ পৰা ৰক্ষা কৰে। অৱশ্যে তাই পিছত বিবেকদংশনত পতিত হৈ নিজৰ ভুল স্বীকাৰ কৰি শুদ্ধ পথলৈ ঘূৰি আহে। **মমী হৈছে সময়ৰ চৌত নিজকে উটুৱাই দি বেয়া পথেৰে নিজৰ উচ্চাকাংক্ষা আৰু অভিপ্ৰায় পূৰণ কৰা যুৱতী। আমাৰ সমাজত এনে নাৰীৰ অভাৱ নাই।** গতিকে সমগ্ৰ উপন্যাসখন চালিজাৰি চালে দেখা যায় যে ঔপন্যাসিকে ইয়াত 'অদিতি চৌধুৰী' নামৰ চৰিত্ৰটোক কেন্দ্ৰীয় চৰিত্ৰ হিচাপে লৈ বহুকেইটা সৰু-বৰ নাৰী চৰিত্ৰৰ সৃষ্টি কৰি নাৰীচেতনাৰ বহুকেইটা দিশ সফলতাৰে উপস্থাপন কৰিছে।

**'ৰাজীৱ ঈশ্বৰ' উপন্যাসত প্ৰতিফলিত নাৰীচেতনা**

**'ৰাজীৱ ঈশ্বৰ'** ৰীতা চৌধুৰীৰ দ্বাৰা ৰচিত আন এখন উপন্যাস। এইখন ২০০৭ চনত প্ৰকাশ হৈছিল। চৌধুৰীৰ অন্যান্য উপন্যাসবোৰৰ দৰেই 'ৰাজীৱ ঈশ্বৰ' উপন্যাসতো **নাৰীক অবাধ স্বাধীনতা** দিয়া পৰিলক্ষিত হৈছে। তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ স্ব-মহিমাৰে প্ৰোজ্জ্বল। এই উপন্যাসখনিত অভিজাত পৰিয়ালৰ বোৱাৰী হিচাপে এগৰাকী নাৰীৰ মনত থকা সংস্কাৰ তথা আদব-কায়দাৰ কথা বিশেষভাৱে প্ৰতিফলিত হোৱাৰ উপৰি পূৰ্বৰ অজানা ভুলৰ পৰিণতিত মাত্ৰ চৈধ্য বছৰ বয়সত গৃহ শিক্ষকৰ কামনাৰ বলি হৈ সন্তান জন্ম দিয়া আৰু পিছত মাতৃৰ মমতা উপলব্ধি কৰি সেই সন্তানক বিচাৰি হাইৰাণ হোৱা, এবাৰ স্পৰ্শ কৰি চাব খোজা আদি কথাবোৰেই ৰেখাপাত হৈছে। ইয়াৰ উপৰি **পৰিত্যক্ত শিশুৰ হৃদয়ৰ মৰ্মবেদনাও উপন্যাসখনিত বৰ্ণিত হৈছে**।

"পৰিত্যক্ত শিশুৱে দিয়া মনোকষ্টৰ পৰাই জন্ম হৈছে 'ৰাজীৱ ঈশ্বৰ'ৰ। সীমাবদ্ধ জ্ঞান আৰু অভিজ্ঞতাৰে সীমাবদ্ধ কলমেৰে এটা অত্যন্ত জটিল আৰু স্পৰ্শকাতৰ বিষয়ক লৈ উপন্যাস এখন ৰচনা কৰাৰ প্ৰয়াস কৰিছিলোঁ— এই মনোকষ্টৰপৰা মুক্তি নহয়, মাত্ৰ কিছু উপশম লাভ কৰিবলৈ। শিশু পৰিত্যাগ আৰু শিশু হত্যাৰ নিৰ্মমতাৰ পৰা সমাজক মুক্ত কৰাৰ পথ বিচাৰি উলিওৱাত এই উপন্যাসখনে সামান্যতমো অৰিহণা যোগালে মোৰ কলম সাৰ্থক হোৱা বুলি ভাবিম। উপন্যাসখনৰ চৰিত্ৰসমূহ সম্পূৰ্ণ কাল্পনিক।"[২০]

চৌধুৰীয়ে ইয়াৰ চৰিত্ৰসমূহ কাল্পনিক বুলি ক'লেও উপন্যাসখনিৰ গভীৰ অধ্যয়নৰপৰা এই চৰিত্ৰসমূহ বাস্তৱ জীৱনৰ পৰাই বুটলি অনা যেন লাগে।

নাৰী চৰিত্ৰ হিচাপে এই উপন্যাসখনিত প্ৰধান ভূমিকাত অৱতীৰ্ণ হোৱা মন্দিৰা আৰু তেওঁৰ মাতৃকহে পোৱা যায়। উপন্যাসখনিত মন্দিৰাৰ চৰিত্ৰৰ সবল-দুৰ্বল সকলোবোৰ দিশেই অংকিত হৈছে। নাৰীচেতনাৰে সমৃদ্ধ মন্দিৰাই বিবাহপূৰ্ব সন্তানক বিচাৰি ফুৰোঁতে নিজ মাতৃয়ে কৰা বাধা-নিষেধবোৰেও ইয়াত স্থান পাইছে। অপবাদ, অপযশৰ ভয়ত অপৈণত বয়সত মন্দিৰাই নিজৰ গৰ্ভস্থ সন্তানটিৰ প্ৰতি বিশেষ অনুভূতি অনুভৱ কৰা নাছিল যদিও পৰৱৰ্তী সময়ত এই সন্তানৰ কাৰণেই এক বোবা যন্ত্ৰণাত মন্দিৰা শিললৈ ৰূপান্তৰিত হৈছিল। তাই নিজৰ সংসাৰ ভগাৰ ভয়, অপযশ, কালিমা একোলৈকে কেৰেপ নকৰি পূৰ্বৰ সন্তানক বিচাৰি উলিয়াইছে আৰু পিছত অত্যন্ত সহানুভূতিশীল স্বামীৰ অনুগ্ৰহত সেই 'ৰাজীৱ' নামৰ সন্তানটিক ঘৰলৈ আনিবলৈ সক্ষম হৈছে।

এইবোৰৰ উপৰি উপন্যাসখনত পশ্চিমীয়া দেশসমূহৰ **'আনমেৰিড মাদাৰ', 'ফাউণ্ডলিং হুইল্‌ছ', 'লিভ-টুগেদাৰ', 'হ'ম' ছেক্সুৱেলিটি'** আদিৰ দৰে বিভিন্ন দিশবোৰেও স্থান লাভ কৰিছে। ইয়াৰে 'ফাউণ্ডলিং হুইল্‌ছ' হৈছে এনে এক পশ্চিমীয়া নীতি, য'ত নিজে নিবিচৰা কোনো সন্তানক গিৰ্জা বা তেনে কোনো ঠাইত থৈ আহিব পাৰি। ই অতি নিৰাপদ আৰু ইয়াৰ পৰা কোনো লোকে সন্তানক নিজৰ কৰি তুলি ল'ব পাৰে। অসম তথা ভাৰতত অৱশ্যে এনেকুৱা স্থান আজিও তৈয়াৰ হোৱা নাই।

"foundling wheel. Noun (plural foundling wheels) a revolving crib set in the wall of a church or convent, allowing on abandoned baby to be left anonymously and safely."[২১]

ইয়াৰ লগতে অবিবাহিত মাতৃ, লিভিং টুগেদাৰ বা সমকামিতা এইবোৰ দিশক অৱশ্যে ভাৰতীয় সমাজত অলপমান বেয়া দৃষ্টিৰে চোৱা হয় যদিও বৰ্তমানৰ আইনী ব্যৱস্থাই এইবোৰ নীতিগত বুলি মানি লৈছে। ৰীতা চৌধুৰীয়ে এই উপন্যাসখনিত বিভিন্ন সময়ত সমাজক চুই যোৱা এই নতুন নতুন দিশবোৰৰ অৱলোকন কৰিছে।

**'মন্দিৰা' চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

**'মন্দিৰা', 'ৰাজীৱ ঈশ্বৰ'** উপন্যাসৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ। অনন্য ব্যক্তিত্বৰ অধিকাৰী আৰু উচ্চপদস্থ আৰক্ষী বিষয়াৰ পত্নীৰ লগতে দুটা সু-সংস্কাৰী আৰু মেধাসম্পন্ন সন্তানৰ মাতৃ হিচাপে মন্দিৰা সৰ্বদা গৌৰৱময়ী। **মন্দিৰা হৈছে পৰম্পৰাগত নাৰীৰ এক পৰিচয়** যি নিজস্ব চিনাকি নোহোৱাকৈয়ে কেৱল স্বামীৰ ঘৰ আৰু স্বামীৰ পদবীৰ জৰিয়তে নিজকে সংস্থাপন ঘটাই সদায় সুখী জীৱন কটায়। মন্দিৰাক লৈ তেওঁৰ স্বামী আৰু দুয়োটা সন্তানেই যথেষ্ট সুখী। **চাকৰ-বাকৰেৰে পৰিপূৰ্ণ ঘৰ এখন সম্পূৰ্ণৰূপে চলোৱাৰ লগতে ঘৰৰ বাহিৰৰ সকলোবোৰ দিশ, স্বামীক একান্ত আত্মীয়তাৰে সংগ দিয়া, সতি-সন্তানৰ প্ৰতিটো প্ৰয়োজনীয়তা পূৰণ কৰা আদি দিশত মন্দিৰা নিপুণ। মন্দিৰাৰ ওপৰত নিৰ্ভৰ কৰিয়েই স্বামী আই. জি. পি. অভিজিৎ বৰুৱা নিঃসন্দেহে নিজৰ দায়িত্ববোধত অগ্ৰসৰ হ'ব পাৰিছে।** এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াৰ পত্নী হিচাপে পাব লগা সন্মান আৰু সেৱা তাই স্বামীৰ প্ৰায় সমানভাৱেই উপভোগ কৰি আহিছে। স্বামী পৰিচয়, স্বামী

চাকৰিয়ে দিয়া সুযোগ-সুবিধাৰ লগতে অভিজাত পৰিয়ালৰ বোৱাৰী হিচাপে মন্দিৰাই লাভ কৰিছে পৰিমাণবিহীন পৰিতৃপ্তি।

"মন্দিৰাৰ বাবে ভোগৰ সকলো দুৱাৰেই অবাধ। খোলা। সেই দুৱাৰ খুলি ৰাখিবলৈ যি ঐশ্বৰ্য, যোগ্যতা আৰু দক্ষতাৰ প্ৰয়োজন, সেই সকলোখিনিয়েই আছে মন্দিৰাৰ।

আছে জগৎ জয় কৰিব পৰাকৈ অসামান্য ৰূপ। সংসাৰ পৰিচালনাৰ নিখুঁত দক্ষতা, সন্তান পালনত নিষ্ঠা, স্বামীক সুখী আৰু সন্তুষ্ট কৰি ৰাখিব পৰা গুণাৱলী। আছে আভিজাত্য আৰু পদমৰ্যাদাবোধ, উচ্চাংগ সমাজত মিলিব পৰাকৈ প্ৰশিক্ষণ। প্ৰমোদতৰীত উঠি গৈ থাকিও ভৰিৰ খোপনি হেৰাই নেপেলোৱা পৰিমিতিবোধ।"[২২]

ঔপন্যাসিকে মন্দিৰাৰ চৰিত্ৰটোক এক **ভয়াতুৰ নাৰীৰ ৰূপত** অংকন কৰিছে। ভাৰতীয় সাহিত্যত নাৰীৰ যি দুৰ্বলতাৰ ছবি সঘনে দেখা পোৱা যায় মন্দিৰা সেই সকলোবোৰ দুৰ্বলতাৰে পৰিপূৰ্ণ। উপন্যাসৰ প্ৰথম ভাগত মন্দিৰাক ঘৰুৱা কাম-কাজ, সন্তানৰ প্ৰতিপালন আৰু স্বামীক আলপৈচান ধৰা এগৰাকী নিতান্তই সাধাৰণ গৃহিণী ৰূপেহে লগ পাওঁ। মন্দিৰা প্ৰথম বোৱাৰী হৈ অভিজিৎ বৰুৱাৰ ঘৰলৈ আহোঁতে অত্যন্ত চঞ্চল আৰু পৰম্পৰাগত নিয়ম-নীতিৰ প্ৰশিক্ষণহীন এজনী অতি নিম্নমানৰ অথচ অত্যন্ত ধনী মানুহৰ জীয়ৰী আছিল। এই লৈ অভিজিৎহঁতৰ পৰিয়ালটো মাজে-সময়ে অস্বস্তিতো পৰিছিল। কিন্তু দিন বাগৰাৰ লগে লগে সকলো ঠিক হৈ গ'ল। **মন্দিৰা আৱেগকেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে বুদ্ধিকেন্দ্ৰিকহে। সেয়েহে নিজৰ বুদ্ধিমত্তাৰে লাভ-লোকচানৰ সকলো হিচাপ-নিকাচ কৰি প্ৰতিটো খোজ আগবঢ়োৱাৰ কাৰণেই তাইৰ লোকচানৰ ঘৰ প্ৰায় শূন্য।** প্ৰথম অৱস্থাত কঠোৰ যেন লাগিলেও লাহে লাহে সতি-সন্তান চম্ভালি সিহঁতক সু-সংস্কাৰ দি ডাঙৰ কৰাত মন্দিৰা পাকৈত হৈ উঠিছে। অৱশ্যে অভিনৱ আৰু ৰশ্মিতা, মন্দিৰাৰ এই দুয়োটি সন্তানেই যথেষ্ট বুজন আৰু শিক্ষাৰ প্ৰতি যথেষ্ট আগ্ৰহী। সিহঁতৰ যত্নত মন্দিৰাই তিলমানো ত্ৰুটি ৰখা নাই। নিজৰ সন্তান আৰু স্বামীভাগ্যত ঈৰ্ষাদগ্ধ হোৱা আন মাকবোৰক দেখি তাই আত্মসন্তুষ্টি লাভ কৰিছিল আৰু বেছি ভাল কৰিবলৈ উঠি-পৰি লাগিছিল। আন মাকবোৰে তাইক কৈছিল—

"আপুনি যে কেনেকৈ চবফালে মিলায় আমি ভাবিয়েই নাপাওঁ। নিজক ভালকৈতো ৰাখিছেই, হাজবেণ্ড ল'ৰা-ছোৱালী একোতে প্ৰব্লেম নাই।"[২৩]

উপৰুৱা দৃষ্টিৰে চালে এইখিনিলৈকে সকলো দিশৰপৰা মন্দিৰা সুখীয়েই আছিল। কিন্তু

**ৰাস্তাত কোনোবাই পেলাই থৈ যোৱা এটা কেঁচুৱাই মন্দিৰাৰ জীৱনৰ শৃংখলতা সলনি কৰি দিলে**। হৃদয়ৰ নিভৃত কোণত লুকুৱাই ৰখা মাতৃত্বৰ মমতাই মন্দিৰাক হঠাৎ কোবাই গ'ল। মন্দিৰাৰ মনোজগতৰ এই পৰিৱৰ্তন স্বামী, সন্তান এই সকলোৰে বাবেই আচহুৱা হৈ পৰিল। ঔপন্যাসিকে এইখিনিৰ পৰাই আৰম্ভ কৰিছে মন্দিৰাৰ জীৱনৰ এক বৃহৎ পৰিৱৰ্তনৰ কথা, কালৰ কুটিল গতিত হেৰাই যোৱা এক ভয়াৱহ অতীতৰ কথা।

মন্দিৰাৰ চৰিত্ৰত দৈহিক প্ৰয়োজনৰ কাষত বিবেকৰ সুপ্তি পৰিলক্ষিত হয়। বিবেকবৰ্জিত হৈ মন্দিৰাৰ দৰে বহু নাৰীয়েই পুৰুষৰ ভোগৰ সামগ্ৰী হয়, যাৰ পৰিণাম পিছলৈ ভয়াৱহ হৈ পৰে। **মাত্ৰ চৈধ্য বছৰ বসয়তে জীৱন কি বুজি নৌপাওঁতেই গৃহশিক্ষকৰ লগত যৌনাচাৰত লিপ্ত হৈ মন্দিৰাই এটি সন্তানৰ জন্ম দিছিল।** ডাক্তৰ মোমায়েকে কোনেও গম নোপোৱাকৈ চিকিৎসা কৰাৰ লগতে নৱজাতক সন্তানটোকো সিহঁতৰ ঘৰৰপৰা আঁতৰাই লৈ গৈছিল। মাকে তাইক ভৱিষৎ জীৱনলৈ আহিব পৰা নানান সংকটৰ কথা কৈ ভয়াতুৰ কৰি তুলিছিল।

"বিপদ দেখি ভয় খোৱা শিশুৰ দৰে মাকৰ উপদেশ বাক্যবোৰত দুহাতেৰে খামুচি ধৰিছিল মন্দিৰাই। দুহাতেৰে খামুচি ধৰিয়েই পাৰ হৈ গৈছিল বিপদৰ বৈতৰণী। শুকুৱাই পেলাইছিল মমতাৰ উৎসমুখ। স্মৃতিৰপৰা মচি পেলাইছিল ভয়াৱহ দিনবোৰ। মচি পেলাইছিল ছয়াময়া এটা শিশুৰ মুখ। মাত্ৰ ৰৈ গৈছিল কান্দোনৰ শব্দটো।"[২৪]

অবৈধ মাতৃত্বৰ বোজাটো আঁতৰাই মন্দিৰাও লাহে লাহে সহজ হৈছিল। মাকৰ শেনদৃষ্টি আৰু শাসনৰ শিকলিয়ে মন্দিৰাৰ চৰিত্ৰলৈ গাম্ভীৰ্য কঢ়িয়াই আনিছিল। এনেদৰেই মন্দিৰাই বি. এ. পাছ কৰাৰ পিছত বিয়াত বহিল। জাকজমকতাপূৰ্ণ বিয়া আৰু সুখৰ সংসাৰত মজি দুটা সন্তানৰ মাতৃ হৈ মন্দিৰাই ভয় কৰিবলৈ পাহৰি গ'ল। লগতে স্মৃতিপটৰ পৰাও ম্লান হৈ আহিল সেই অভাগা শিশুটোৰ কান্দোন। কিন্তু এই ৰাস্তাত পেলাই যোৱা শিশুটিয়ে তাইক তাইৰ অতীতলৈ লৈ গ'ল। তাইক নিজৰ প্ৰথম সন্তানে বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে। সেয়েহে সেই সন্তানৰ ঠিকনা বিচাৰি তাই মাক-মামাক সকলোকে লগ কৰিবলৈ ধৰিলে। মাকে সেই সন্তানটোৰ ঠিকনা নাজানিছিল। কিন্তু সন্তানটো ল'ৰা আছিল বুলি জানিছিল। স্বামী-সন্তানৰ সুখেৰে পৰিপূৰ্ণ মন্দিৰাৰ সংসাৰখন বিবাহপূৰ্ব এটি সন্তানৰ বাবে ভাগি যোৱাটো মন্দিৰাৰ মাকে বিচৰা নাছিল। সেয়েহে তেওঁ মন্দিৰাক বাৰে বাৰে বাধা দিছিল। মোমায়েকেও মন্দিৰাক বাৰম্বাৰ বুজনি দিয়ে। আমাৰ

সমাজত যে আনমেৰিড মাদাৰক সদায় বেয়া দৃষ্টিৰে চোৱা হয় এই কথা মোমায়েকে ব্যক্ত কৰিছে। অবৈধ সন্তানটোৰ আগমনে যাতে মন্দিৰাৰ জীৱনলৈ অমানিশা কঢ়িয়াই নানে এই কথা মোমায়েকে বাৰে বাৰে বুজাইছে। কিন্তু আন একপ্ৰকাৰে তেওঁ মন্দিৰাক সহায়ো কৰিছে। বহু কথা-বতৰাৰ অন্তত মন্দিৰাই মোমায়েকৰ পৰা তাইৰ প্ৰথম সন্তানটোৰ সন্ধান লাভ কৰিবলৈ সক্ষম হ'ল। 'শিশু মন্দিৰ' নামৰ অনাথ আশ্ৰমত তাই তাইৰ প্ৰথম সন্তানক বিচাৰি গ'ল। সন্তানটোৰ ফটো দেখা পালে। তাৰ নাম থোৱা হৈছিল **'ৰাজীৱ'**। কিন্তু এই ৰাজীৱ এতিয়া তাত নাথাকে। তিনি বছৰ আগতেই ৰাজীৱ স্বাৱলম্বী হৈ এই আশ্ৰমৰপৰা ওলাই গৈছে। আশ্ৰমৰ সকলো সন্তানৰ উপাধিত **'ঈশ্বৰ'** শব্দটো ব্যৱহাৰ কৰা হয়। মন্দিৰাৰ পৰিত্যক্ত সন্তানটিৰো নাম সেয়ে ৰখা হৈছিল **'ৰাজীৱ ঈশ্বৰ'**। এই 'ৰাজীৱ ঈশ্বৰ'ৰ নামটোকে শিৰোনাম হিচাপে লৈ ৰীতা চৌধুৰীয়ে এই বিশেষ উপন্যাসখন ৰচনা কৰিছে।

বিবাহপূৰ্ব তাইৰ সন্তান **'ৰাজীৱ'** জীয়াই আছে বুলি জানিব পাৰি মন্দিৰাৰ অন্তৰত প্ৰচণ্ড ধুমুহাৰ সৃষ্টি হৈছে। তাই মাতৃত্বৰ স্নেহত আকুল হৈ উঠিছে। আশ্ৰমৰপৰা অহাৰ পিছত মন্দিৰাই তিনিটা উজাগৰী ৰাতি আৰু তিনিটা দিন নিজকে প্ৰশ্ন কৰিছে। অনাথ আশ্ৰমত পালিত ৰাজীৱে মন্দিৰাৰ বিলাসিতা আৰু প্ৰাচুৰ্যৰে ভৰা জীৱনলৈ আহিবলৈ সন্মত হ'বনে? নাইবা মন্দিৰাই তাইৰ নিজৰ পৰিচয় দিব পাৰিবনে এই লৈয়ে নিজকে বাৰে বাৰে প্ৰশ্ন কৰিছে। নিজৰ মনৰপৰা যোগাত্মক সঁহাৰি পাই নিজৰ কালিমাকো খাতিৰ নকৰি মিষ্টাৰ তিৱাৰীৰ গাড়ী গেৰেজলৈ ৰাজীৱক বিচাৰি মন্দিৰা ধাৱমান হৈছে। কাৰণ তাইৰ প্ৰথম সন্তান ৰাজীৱ তাৰেই কৰ্মচাৰী আছিল।

মন্দিৰাৰ মনোজগতত এক অনাকাংক্ষিত সংঘাতে অহৰহ অহা-যোৱা কৰি আছিল। প্ৰেমপাশত আবদ্ধ হোৱা মন্দিৰাই বৈবাহিক জীৱনৰ স্বাদ লাভ কৰাৰ আগতেই বলি হ'বলগীয়া হ'ল গৃহশিক্ষকৰ যৌনক্ষুধাৰ। ইয়াৰ ফলত তাই **অবৈধ মাতৃত্বৰ বোজা** কঢ়িয়াবলগীয়া হ'ল। সন্তানটোকো তাইৰ পৰা আঁতৰাই নিয়া হ'ল। ইয়াৰ পিছত বন্ধ-কুঠৰীত সোমাই এক নিষ্ঠুৰ সংঘাত সাবটি লোৱাৰ বাহিৰে মন্দিৰাই আন একোৱেই কৰিব নোৱাৰিলে। ভাৰতীয় সমাজ ব্যৱস্থাত এইয়া নাৰীৰ সাধাৰণ স্থিতি। সমাজৰ দাসত্বৰ শিকলিৰে বন্ধা মন্দিৰাৰ হাত-ভৰি খুলিবলৈ তাই নিজেও যত্নপৰ নহ'ল। সেই সময়ত তাইৰ দুচকুত কেৱল ভয়াৱহ ভৱিষ্যতেহে দোলা দি আছিল। কিন্তু **যেতিয়া নিজৰ**

**বিবাহপূৰ্ব সন্তানৰ অস্তিত্ব বিচাৰি তাই বিবেকদংশনত ভুগিল, তেতিয়াৰপৰা তাই শান্তিৰে উশাহো ল'ব নোৱাৰিলে। এইয়া মন্দিৰাৰ নাৰীচেতনাৰ মুক্ত বহিঃপ্ৰকাশ।**

মন্দিৰাৰ চিন্তা আৰু কৰ্মত এগৰাকী **মমতাময়ী নাৰীৰ বিশালতা** প্ৰকাশ পাইছে। **ক্ষুদ্ৰতাই স্পৰ্শ কৰিব নোৱাৰা গৰীয়সী মাতৃৰ এনে মহত্ত্বই সকলো ক্ষুদ্ৰ নাৰীৰ সংকীৰ্ণ অভিমান ধুই নিব পাৰে।** মন্দিৰাৰ অন্তৰ দুখত কেতিয়াবা বিগলিত হৈ পৰিছে, **তাইৰ প্ৰতি হোৱা অন্যায়ৰ বিৰুদ্ধে** গৰজি উঠিছে। ঔপন্যাসিকে সন্তানৰ মৰমৰ পৰা বঞ্চিতা নাৰীৰ বেদনাৰ সুপ্ৰকাশ মন্দিৰাৰ চৰিত্ৰৰ জৰিয়তে ঘটাইছে।

এখন পুৰণি ইটালিয়ান ফিয়েট কিনি সেইখন মেৰামতিৰ উজুহাতত তাই 'ৰাজীৱ' নামৰ মেকানিকজনক লগ ধৰিছে। গাড়ীখন ঠিক কৰিবলৈ নিজৰ গাড়ীৰ সন্মুখৰ ছিটত বহি যোৱা 'ৰাজীৱ' নামৰ তাইৰ প্ৰথম সন্তানটোক, সেই মেকানিকজনক চুই চাব খুজিছে। তাইৰ মনত অহৰহ দোলা দি থকা কথাবোৰ কৈ দিওঁ যেনো লাগিছে।

**"পোৱালি হেৰুওৱা মাকৰ যন্ত্ৰণা আৰু ব্যাকুলতা যেন দুঃসহ হৈ উঠিছে। ভাঙি পৰিব খুজিছে কন্যাকালৰ নদী পাৰৰ বান্ধ। আতুৰ হৈ উঠিছে দুহাত হেৰাই যোৱা সন্তানক আঁকোৱালি ল'বৰ কাৰণে। ডুবি যাব ধৰিছে মন্দিৰা— ডুবি যাব ধৰিছে হৃদয়জোৱা হাহাকাৰত।"**[২৫]

এয়াই মন্দিৰাৰ মমতা, এয়াই মন্দিৰাৰ নাৰীত্ববোধ। সন্তানৰ প্ৰতি মাকৰ মৰম যে উমি উমি হ'লেও সৰ্বদায় জ্বলি থাকে, নানা ঘাত-প্ৰতিঘাতেও যে ইয়াক শেষ কৰিব নোৱাৰে মন্দিৰাৰ চৰিত্ৰৰ জৰিয়তে প্ৰতীয়মান হয়।

ৰাজীৱক চকুৰ আগত দেখিবৰ কাৰণেই তাই দিনৰ পিছত দিনজুৰি গেৰেজত বহি ৰৈছে। স্বামী আৰু নিজৰ দুটি সন্তানেও মন্দিৰাৰ ভূমিকাক লৈ আচৰিত হৈছে। জন্মদিনৰ দিনা ৰশ্মিতাৰ লিপষ্টিক শুকাই যোৱা কথাটোকো মন্দিৰাই সন্দেহৰ দৃষ্টিৰে চাইছে। তিৱাৰীৰ শ্বৰুমলৈ গৈ এবাৰো নজনোৱাৰ বাবে অভিজিতে আশ্চৰ্য প্ৰকাশ কৰিছে। অভিজিতে কিন্তু মন্দিৰাৰ ভিতৰত বলি থকা ধুমুহাজাকৰ গতিবেগ ঠিকেই লক্ষ্য কৰিছে। কিন্তু বাৰে বাৰে অভিজিতে জানিব বিচৰাতো মন্দিৰাই ঘটনাৰ সত্যতা স্বীকাৰ কৰা নাই। কাৰণ নাৰী হিচাপে আজিও তাইৰ হাত-ভৰি শিকলিৰে বন্ধা। তাই ভয় খাইছিল। কাৰণ আচল কথাৰ সম্ভেদ পালে তাইৰ সুন্দৰ জীৱন পৰিক্ৰমা তাচপাতৰ দৰে খহি পৰিবও পাৰে। বাস্তৱ আৰু মমতাৰ যুঁজ-বাগৰত অৱশেষত বাস্তৱৰেই জয় হ'ল।

বিবাহপূৰ্ব সন্তান ৰাজীৱে মন্দিৰাক কেৱল হেৰুওৱাৰ বেদনাহে সোঁৰৰাই দিছে। এক বিৰাট শূন্যতাই তেওঁক আগুৰি পেলাইছে। এই শূন্যতা বৰ্তমানৰ অভিজাত জীৱনে দিয়া যশ আৰু খ্যাতিয়ে পূৰাব নোৱাৰে। বিবাহপূৰ্ব এটি পৰিত্যক্ত সন্তানৰ বাবে এগৰাকী নাৰীৰ বুকুভৰা বেদনা ঔপন্যাসিকে জীৱন্ত ৰূপত প্ৰতিফলিত কৰিছে। বিবাহপূৰ্ব সন্তানক বিচাৰি যোৱাটো কিমান গৰ্হিত কাম, মাক আৰু মোমায়েকে হাজাৰ যুক্তিৰে বুজোৱাৰ পিছতো মন্দিৰাৰ বাবে অৰ্থহীন হৈ পৰিছে। এই মন্দিৰা এদিন মূকবধিৰ হৈ অভিভাৱকৰ ইচ্ছা-অনিচ্ছাৰ দাস হ'বলগীয়াত পৰিছিল। নিজৰ অন্তৰ্দ্বন্দ্ব নিজৰ মনতে ৰাখি থৈ সকলো কৰ্তব্য নিয়াৰিকৈ পালন কৰিছিল যদিও মন্দিৰাৰ মাতৃহৃদয়ে সহ্য কৰিব পৰা নাছিল। ঔপন্যাসিকে মন্দিৰাৰ চৰিত্ৰৰ জৰিয়তে **নাৰীৰ চিৰন্তন মাতৃৰূপ** অংকিত কৰিছে। পিছত নিজৰ ভুল বুজিব পাৰি মন্দিৰা অনুতপ্ত হৈছে।

ৰাজীৱৰ পৰিচয়হীনতাই মন্দিৰাৰ চকুত বিদ্ৰোহৰ জন্ম দিছে। তাইৰ নাৰীজীৱন দুঃসহ বেদনাৰে ভাৰাক্ৰান্ত হৈছে। মন্দিৰাৰ চৰিত্ৰত ঔপন্যাসিকে গতানুগতিকতা পৰিহাৰ কৰিছে। ইয়াত চিৰাচৰিত অসমীয়া সমাজৰ ঋজু গতিত প্ৰৱাহমান হৈ থকা অনাবিল সুখ-শান্তিৰে পৰিপূৰ্ণ নাৰীৰ জীৱনগাথাৰ কথা কোৱা হোৱা নাই। **মন্দিৰাৰ চৰিত্ৰ জীৱনৰ একা-বেঁকা বাটৰ সংঘাতত ক্ষত-বিক্ষত নাৰী চৰিত্ৰ।**

মন্দিৰাৰ কৰ্ম আৰু চিন্তাৰ মাজেৰে চৰিত্ৰটিৰ সততা, পৱিত্ৰতা আৰু বাস্তৱৰ সকলো অসততা আৰু দুৰ্বলতাৰ সৈতেও আপোচহীন মনোভাব প্ৰতিফলিত হৈছে। **সমাজৰ দৃষ্টিত মন্দিৰা গ্লানি আৰু পাপৰ প্ৰতীক যদিও লেখকে তাইৰ মাজেৰে মানুহ হোৱাৰ আকাংক্ষাক ফুটাই তুলিছে।** এই চৰিত্ৰটিৰ জৰিয়তে ঔপন্যাসিকে অবৈধ মাতৃত্ব বা বিবাহপূৰ্বক মাতৃত্বৰ মনোকষ্টত ভোগা প্ৰতিগৰাকী নাৰীৰ প্ৰতি ব্যথাভৰা দৃষ্টি নিক্ষেপ কৰাৰ লগতে তেওঁলোকৰ আশা-আকাংক্ষা তথা মনোবেদনাক সূক্ষ্ম দৃষ্টিৰে বিচাৰ-বিশ্লেষণ কৰিছে।

"প্ৰেমবৃত্তি নাৰীৰ ক্ষেত্ৰত সহজাত। তেওঁৰ এই প্ৰেমচেতনা সকলো সময়তে মুমুক্ষু আৰু বন্ধন আশ্ৰিত। এহাতে নাৰীয়ে ঘৰ-সংসাৰ, স্বামীৰ মোহ এৰিব নোৱাৰে আৰু আনহাতে প্ৰাণৱন্ত, মৰমিয়াল পুৰুষৰ বলিষ্ঠ আশ্ৰয়ৰ ব্যাপ্ত নীলিমাত নীড় সাজিবলৈ বিচাৰে। সমাজ, সংস্কাৰ আৰু আজন্ম বাধাই নাৰীমনৰ মুক্তিপিপাসু চেতনাক বাৰে বাৰে আচ্ছন্ন কৰি তোলে। আকাশত নীড় বন্ধা আৰু নহয়। ফলত নিজৰ মাজতে, নিজৰ লগতে তেওঁৰ দ্বন্দ্ব আৰম্ভ হয়। আদিম আৱেগৰ

তীব্রতা, বিৰুদ্ধ প্ৰবৃত্তিৰ দ্বিধা, দ্বন্দ্ব আৰু দাহে তেওঁক গ্ৰাস কৰি আনে। এই গ্ৰাস সৰ্বগ্ৰাসী, অথচ দেখা যায়, বাহ্যতঃ সমাজৰ আচৰণেই তেওঁৰ ভাগ্যক নিয়ন্ত্ৰণ কৰি আছে।”[২৬]

এনে এক চৰিত্ৰই হৈছে মন্দিৰা। মন্দিৰা সমাজৰ চকুত নিন্দিত হ'লেও অন্তৰ্প্ৰদেশৰ গভীৰ সত্যৰে ঔপন্যাসিকৰ কলমত তাই অনিন্দিত হৈ ধৰা দিছে। **মন্দিৰা মানৱীয় সহনশীলতাৰ প্ৰতিমূৰ্তি। মন্দিৰাৰ দৰেই আমাৰ সমাজত অনেক নাৰী আছে, যিয়ে আশাভংগৰ বেদনাত উচুপে, ৰাতিৰ তৰা হৈ নীৰৱে উজলে।**

ঔপন্যাসিকে মন্দিৰাৰ জৰিয়তে নাৰীৰ জীৱনৰ দুখ-দুৰ্দশা, সময়ভেদে দেখা পোৱা নাৰীৰ ভিন্নৰূপ, মানসিক অৱস্থা তথা নাৰী মনস্তত্ত্বৰ প্ৰকৃত ছবিখন দাঙি ধৰিছে। ৰাজীৱক লগ পোৱাৰ আকাংক্ষাত তাই নিজৰ সংসাৰৰ প্ৰতি অলপ কমকৈ গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। অভিজিতৰ লগত ওঠৰ বছৰীয়া সম্পৰ্কৰ মধুৰতা ম্লান পাইছে। ৰশ্মিতা আৰু অভিনৱৰ লগত সহজ বন্ধুত্বৰ মসৃণতাও নষ্ট হৈ গৈছে। তাইৰ ব্যৱহাৰ আৰু সামঞ্জস্যহীন আচৰণত অভিজিৎ বিস্ময়, বিৰক্তি আৰু দুঃচিন্তাত বিতত হৈ পৰিছে। মাৰ্জিত মন্দিৰাৰ অনাদৰ-অৱহেলা, অন্যমনস্কতা তথা অসহিষ্ণুতা দেখি বনকৰা মানুহবোৰো অবাক হৈছে। অভিজিৎ ধৈৰ্যৰ বান্ধ ছিঙি ক্ৰুদ্ধ হৈ পৰিছে। তেওঁ জানিব বিচাৰিছে মন্দিৰাৰ এনে পৰিৱৰ্তনৰ কাৰণ। মন্দিৰাৰ এনে পৰিৱৰ্তনৰ কাৰণ হৈছে তাই ৰাজীৱক নিজৰ ঘৰলৈ লৈ আহিব বিচাৰে। জনাব বিচাৰে ৰশ্মিতা আৰু অভিনৱৰ দৰে ৰাজীৱো তাইৰে গৰ্ভস্থ সন্তান। সেয়েহে মাতৃসুলভ স্নেহেৰে তাই ৰাজীৱক সি ভালপোৱা সেউজীয়া ৰঙৰ টি-ছাৰ্ট উপহাৰ দি কামাখ্যা মন্দিৰলৈ গৈ পূজা কৰি নিজৰ ঘৰলৈ লৈ অহাৰ কথা ৰাজীৱক কৈছে। কিন্তু এই একেখিনি কথাকে স্বামী অভিজিতক খুলি ক'ব নোৱাৰাতেই মন্দিৰাৰ জীৱনত মানসিক সংঘাতৰ সৃষ্টি হৈছে।

**মন্দিৰাক ঔপন্যাসিকে আমাৰ সমাজৰ ধৈৰ্যশীল, সহনশীল, কৰ্তব্যপৰায়ণ নাৰীৰ সফল প্ৰতিনিধি ৰূপে ব্যঞ্জিত কৰিছে।** ৰাজীৱক সমাজৰ আগত, নিজৰ পৰিয়ালৰ আগত পৰিচয় কৰি দিব নোৱাৰি মন্দিৰাৰ মনত নিঃসংগতাবোধৰ সৃষ্টি হৈছে যদিও নিজৰ স্বামীৰ ঘৰৰ আদৰ্শৰে, স্বামীৰ পৰিচয়েৰে, সন্তানৰ সুখ্যাতিৰে নিজৰ অভাৱ আৰু নিঃসংগতাবোধ দূৰ কৰাৰ চিন্তা কৰিছে। ওলাব খুজিও মন্দিৰা সংসাৰৰ খোলাটোৰপৰা ওলাব পৰা নাই। অভিনৱে নিজৰ কৃতিত্বৰ সকলোখিনি মাকৰ যত্নৰ বাবেই সম্ভৱ হোৱা বুলি সংবাদ মাধ্যমত জনোৱাত চিৰন্তন নাৰী সমাজৰ দৰেই তাই

গৰ্বিত হৈ উঠিছে। ৰাজীৱক আনিলে সংসাৰ প্ৰক্ৰিয়া জটিল হ'ব বুলি তাই বুজিব পাৰিছে। সেয়েহে ইমানদিন গেৰেজত বহি বহি ৰাজীৱৰ হতুৱাই চিক্‌চিকীয়া কৰি পেলোৱা ফিয়েটখন ঘৰলৈ আনিবলৈ অমান্তি হৈছে। কাৰণ এই ফিয়েটখনৰ লগত ৰাজীৱো সাঙুৰ খাই আছে। ৰাজীৱক একেবাৰে লৈ আনিবলৈ যাওঁতেই পুত্ৰ অভিনৱৰ সুখ্যাতিৰ কথা জানিব পাৰি মন্দিৰাই নিজৰ মনটোক কঠোৰ কৰিছে। তাই আধাবাটৰপৰা উভতি আহিছে। এখন স্বামী-সন্তানেৰে পৰিপূৰ্ণ সুখৰ সংসাৰত থকাৰ নাৰীৰ যি সপোন এই সপোনৰ পৰা মন্দিৰাও দূৰ হ'ব পৰা নাই। অথচ বুকুত শিল বান্ধি তাই ৰাজীৱৰ পৰা দূৰ হৈ আহিছে। কিন্তু মাতৃত্বৰ মমতা ইমান সহজতে নাইকিয়া হোৱা বস্তু নহয়। সেয়েহে ইমান এটা সুখৰ দিনতো ৰাজীৱক নিজৰ হিচাপে পৰিচয় দিব নোৱাৰা কথাটোৱে তাইক বাৰে বাৰে বিন্ধিছে। তাই গাৰুত মূৰ গুঁজি পাৰ্যমানে কান্দি নিজৰ অশান্ত মনক শান্ত হ'বলৈ প্ৰবোধ দিছে।

এইক্ষেত্ৰত অৱশ্যে মন্দিৰাৰ স্বামী অভিজিতৰ উদাৰ দৃষ্টিভংগীৰ কথা স্বীকাৰ কৰিবই লাগিব। কাৰণ অভিজিতে মন্দিৰাৰ দুখ সহ্য কৰিব নোৱাৰি ৰাজীৱক বিচাৰি উলিয়াইছে। তেওঁ ৰাজীৱক ঘৰলৈকো লৈ আনিছে। অভিজিতে বিচাৰিছিল মন্দিৰাই নিজমুখেই সকলোবোৰ তেওঁক কওক। কাৰণ মন্দিৰাৰ মাক আৰু মোমায়েকক দম দি অভিজিতে ইতিমধ্যেই সকলো কথা জানি লৈছিল। কিন্তু অৱশেষত মন্দিৰা হাৰি যোৱা দেখি অভিজিতে নিজেই ৰাজীৱক লৈ আহিছেগৈ। জীৱনৰ সকলো সময়তে মন্দিৰাক সহযোগিতা আগবঢ়োৱা অভিজিতৰ চৰিত্ৰটো এই দিশত যথেষ্ট উজ্জ্বল আৰু উদাৰ। মন্দিৰাই নিজৰ তিনিওটি সন্তানক বুকুৰ মাজত লৈ কেৱল কান্দিছে আৰু কান্দিছে। এইখিনিতেই উপন্যাসখনৰ সফল পৰিসমাপ্তি ঘটিছে।

অতীতক মানুহে যিমানেই নিলগাই ৰাখিবলৈ যত্ন নকৰক কিয় ই সুৰুঙা বিচাৰি বৰ্তমানত ভিৰ কৰিবই। জীৱনৰ যি কলংকিত অধ্যায় মন্দিৰাই কেতিয়াও নেমেলো বুলি ভাবিছিল, বাটত কোনোবাজনে পেলাই থৈ যোৱা এটা সন্তানে তাক মেলিবলৈ বাধ্য কৰালে। ভিন্নজনৰ কটূক্তি, স্বামী-সন্তানৰ বাৰম্বাৰ প্ৰশ্ন, মাকে দেখুওৱা ভয় আদিয়েও তাইক টলাব নোৱাৰিলে। তাই অন্তৰ্দ্বন্দ্বত ভুগিছে। নিজ বংশৰ লগতে স্বামীগৃহৰ মান-সন্মানো তাই পাহৰি গৈছে। বুকুত এজাক ধুমুহা লৈ তাই বহু দিন-ৰাতি একাকাৰ কৰিছে। কিন্তু প্ৰচণ্ড ধুমুহাৰ পিছত প্ৰকৃতি শান্ত হোৱাৰ দৰেই তাই সংযত হৈছে। এজোপা বটবৃক্ষৰ দৰে তাই স্থিৰ হৈ ৰৈছে। সেই বটবৃক্ষৰ তলত তাই অভিনৱ

আৰু ৰশ্মিতাক স্থান দিছে। ৰাজীৱক তাই নিজৰ ডেউকাৰ তলত স্থান নিদিলে। নিজ পুত্ৰৰ সুখ্যাতিত চেতনা ঘূৰাই পাই মন্দিৰা শূন্য হৃদয় লৈ বাস্তৱলৈ ঘূৰি আহিছে। অথচ নিজৰ চকুৰ পানী মচি মচি তাই সময় পাৰ কৰিছে। এয়াই এগৰাকী নাৰীৰ মমতা, মাতৃত্ববোধ আৰু নিজৰ পৰিয়ালক প্ৰাধান্য দিয়াৰ মানসিকতা। ঔপন্যাসিকে এনেদৰেই মন্দিৰাৰ চৰিত্ৰৰ জৰিয়তে নাৰীচেতনাৰ বহুকেইটা দিশ ফঁহিয়াই দেখুৱাইছে।

**মন্দিৰাৰ 'মাতৃ'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

**মন্দিৰাৰ জীৱনৰ গতি নিৰ্ণয়কাৰী হিচাপে মন্দিৰাৰ মাকৰ ভূমিকা অপৰিসীম**। নিজ সন্তানে যিমান ডাঙৰ ভুলেই নকৰক কিয় মাতৃৰ চকুত সেয়া সদায় তুচ্ছ। সন্তানৰ ভালৰ কাৰণে সমাজৰ চকুত বেয়া বুলি গণ্য হোৱা কামবোৰ কৰিবলৈকো এগৰাকী মাতৃয়ে কুণ্ঠাবোধ নকৰে। মাত্ৰ ক্লাছ এইটতে ঘৰুৱা শিক্ষকৰ লগত যৌনাচাৰত লিপ্ত হৈ অবৈধ মাতৃত্বৰ বোজা কঢ়িওৱা মন্দিৰাৰ ভৱিষ্যতৰ কথা ভাবি মাক চিন্তিত হৈছিল। মন্দিৰা নিজেও নিজৰ ভৱিষ্যতৰ কথা ভাবি শংকিত হৈছিল। দেউতাকৰ কথা শুনি ভয়ত কুঁচি-মুচি নিজৰ বিছনাত বহি থকা মন্দিৰাক মাকে অভয়বাণী শুনাইছিল।

"সিমান দূৰলৈ ভাবি লাভ নাই। এতিয়া কিবাকৈ বিপদ পাৰ হ'লেই হ'ল। তাইৰ ভৱিষ্যৎ কেনেকৈ ভাল কৰিব পাৰি সেই কথা মই জানো। সেইবোৰ কথা মোৰ ওপৰত এৰি দিয়ক। কেনেকৈ চলিলে ভাল সেইবোৰ তাইক মই শিকাম। ভাল ঘৰলৈ বিয়া দিব পৰাকৈয়ে তৈয়াৰ কৰিম। কিবা খালাচ হ'লেই হ'ল।"[২৭]

মন্দিৰাৰ কৈশোৰ কালৰ এই ভয়ংকৰ ভুলৰ পৰিণতিত ভূমিষ্ঠ সন্তানটো দূৰ কৰিবলৈ মাকে নিষ্ঠুৰ পদক্ষেপ লৈছিল। নিজৰ সন্তানক যিকোনো প্ৰকাৰে অপবাদমুক্ত কৰিবলৈ চেষ্টা কৰিছিল। কাৰণ আমি প্ৰত্যেকেই সমাজৰ দাস। গতিকে সমাজৰ দহজনে তেওঁৰ জীয়েকৰ কুৎসা ৰটনা কৰিব, বংশ মৰ্যাদা ম্লান পৰিব এই কথা এগৰাকী নাৰী হিচাপে মন্দিৰাৰ মাকে কেতিয়াও বাস্তৱায়িত হ'বলৈ দিব নোৱাৰে। সেয়েহে জন্মৰ পিছতেই মন্দিৰাৰ অবৈধ সন্তানটোক তেওঁ মন্দিৰাৰ মোমায়েকৰ হাতত তুলি দিছে। তেওঁৰ দুচকুত কেৱল নিজৰ জীয়েকৰ ৰঙীন তথা সুন্দৰ ভৱিষ্যতৰ স্বপ্নহে আছিল। ইয়াৰ তুলনাত নৱজাতকৰ প্ৰতি থাকিবলগীয়া সামান্যতম অনুকম্পাও তেওঁৰ চকুত দেখা পোৱা নগ'ল।

**উপন্যাসখনিৰ প্ৰথমাৰস্থাত দেখা যায় মন্দিৰাৰ মাক ভুৰা আভিজাত্যৰ প্ৰতি বেছি আগ্ৰহী আছিল**। সেয়েহে পাৰ্টি, ক্লাব আদিৰ লগত সততে জড়িত হৈ সন্তানৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা পাহৰি গৈছিল। নিজে যিখিনি চখ জীয়ৰী অৱস্থাত কৰিবলৈ নাপালে সেই সকলোখিনি মন্দিৰাৰ জৰিয়তে চাব বিচাৰিছিল। নিজকে সকলো দিশত পাৰ্গত ৰূপে উপস্থাপন কৰিবলৈ প্ৰতিগৰাকী নাৰীয়েই বিচাৰে। যেতিয়া নিজৰ জীৱনত সেই সপোনবোৰ সাৰ্থক নহয়, তেতিয়া নিজ সন্তানৰ জৰিয়তে এইবোৰ বাস্তৱায়িত কৰাৰ চেষ্টা কৰে। মন্দিৰাৰ মাকে এনে ঢৌতে উটি যোৱা এটি নাৰী চৰিত্ৰ।

"মাকে তাইক ইচ্ছামতে সজাইছিল, পৰাইছিল। সুন্দৰী জীয়েকক সুন্দৰকৈ সজাই আনৰ আগত তাইৰ নাচ, গান, আবৃত্তি আদি গুণৰ প্ৰদৰ্শনত অতীব উৎসাহ আছিল মাকৰ। নিজৰ সময়কালত পূৰণ নোহোৱা সকলো ইচ্ছা-আকাংক্ষা মন্দিৰাৰ যোগেদি পূৰণ কৰিব খুজিছিল হয়তো মাকে। একে সময়তে নিজৰ সকলো ত্ৰুটি পূৰণ কৰি জীৱনৰ ৰূপ, ৰং আহৰণত উঠিপৰি লাগিছিল। মাকহঁতে লাভ কৰা নতুন সমাজখনত মিলি যাব পৰাকৈ মন্দিৰাও লাহে লাহে তৈয়াৰ হৈ উঠিছিল।"[২৮]

মন্দিৰাৰ মাক জীয়েকৰ উজ্জ্বল ভৱিষ্যতৰ প্ৰতি সদা সচেতন। তেওঁ মন্দিৰাক বুজাইছিল নাৰীৰ সতীত্ব অমূল্য সম্পদ। তাতেই নাৰী জীৱনৰ পৱিত্ৰতা নিহিত হৈ থাকে। কৈশোৰ আৰু যৌৱনৰ দোমোজাত এক কৰুণ ভুলৰ বলি হোৱা মন্দিৰাক তেওঁ শাসনৰ বাঘজৰীৰে বান্ধিছিল। প্ৰতিক্ষণতে মন্দিৰালৈ শেন দৃষ্টি নিক্ষেপ কৰিছিল। মন্দিৰাৰ ভৱিষ্যৎ জীৱন সুন্দৰ কৰাৰ লক্ষ্যৰে তেওঁ পৰিকল্পনা হাতত লৈছিল। এইক্ষেত্ৰত তেওঁ সফলো হৈছিল। **পৰৱৰ্তী সময়ত মন্দিৰাৰ সুখৰ সংসাৰ দেখি মাকে স্বস্তিৰ নিশ্বাস পেলাইছিল।** লগতে তেওঁ গৰ্বিতও অনুভৱ কৰিছিল।

"তোৰ কাৰণে বৰ চিন্তা আছিল। ইমানখিনি পাৰিবি বুলি ভবা নাছিলো।"[২৯]

নিজ সন্তানৰ সুৰক্ষিত ভৱিষ্যৎ আৰু সুন্দৰ তথা সফল জীৱন-পৰিক্ৰমা দেখি প্ৰত্যেকগৰাকী নাৰীয়েই সুখী হয়। মন্দিৰাৰ মাকো ইয়াৰ ব্যতিক্ৰম নহয়। **ঔপন্যাসিকে তেওঁক কুটিল মনৰ আৰু হৃদয়হীনা ৰূপত উপস্থাপন কৰিলেও সেয়া সময়সাপেক্ষ আৰু পৰিস্থিতিসাপেক্ষহে আছিল।**

মন্দিৰাৰ মাকৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে ভাবানুভূতি, কাৰ্যকলাপ আৰু চিন্তাধাৰাৰে এগৰাকী পৰম্পৰাগত নাৰীৰ ৰূপ অংকন কৰিছে। সেয়েহে মন্দিৰাই বিবাহপূৰ্ব সন্তানক বিচাৰি

যাবলৈ ওলোৱাত তেওঁ শংকিত হৈছে। অনাগত দিনবোৰত ৰাজীৱৰ বিষয়ে জানিব পাৰি অভিজিৎ-মন্দিৰাৰ সুন্দৰ সংসাৰখন ভাগি-ছিগি যাব বুলি তেওঁ চিন্তিত হৈছে। সেয়েহে ৰাজীৱক বিচাৰি যাবলৈ ওলোৱা মন্দিৰাক তেওঁ বাধা প্ৰদান কৰিছে। কাৰণ মন্দিৰাৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত কিয়েইবা কৰা নাছিল মাকে। কিন্তু এতিয়া মন্দিৰাই বিবাহপূৰ্ব সন্তানক বিচাৰি গ'লে তেওঁৰ অত কষ্ট অথলে যাব বুলি তেওঁ অনুভৱ কৰিছে। সেয়েহে পৰিত্যক্ত সন্তানটোৰ বিষয়ে জানিবলৈ বিচাৰোতে মন্দিৰাক তেওঁ একো কথাই জনাব বিচৰা নাই।

"জানি কি কৰিবি? বিচাৰি যাবি? সেইটোক বুকুত চপাই লৈ মানুহক ক'বি— তই তাক জন্ম দিছিলি? চৈধ্য বছৰ বয়সত টিউচন মাষ্টৰৰ লগত প্ৰেম কৰি? গিৰিয়েৰৰ আগত সত্যবাদী যুধিষ্ঠিৰ হৈ দেখুৱাবি? কোনটো নাকেৰে তাৰ পিছত মানুহৰ আগত ওলাবি? শহুৰৰ ঘৰৰ মানুহৰ আগত, ল'ৰা-ছোৱালীৰ আগত ওলাবি? কি ভাবিছ তই? তোক তাৰ পিছত সিহঁতে মূৰত তুলি নাচিব? দেৱী বুলি পূজা কৰিব? নিজেতো ডুবিবিয়েই লগতে আমাকো ডুবাবি।[৩০]

মাতৃ হিচাপে মন্দিৰাৰ মাকৰ এনে চিন্তা অহেতুক নাছিল। ইমান এক ভয়ংকৰ আৰু কালিমাযুক্ত অতীত থকাৰ পিছতো মন্দিৰাৰ বৰ্তমান যি সুখ-স্বাচ্ছন্দ্যময় জীৱন ইয়াৰ সম্পূৰ্ণ দাবীদাৰ তাইৰ মাক। সেয়েহে মাকে ইমান **কষ্টেৰে তৈয়াৰ কৰা মন্দিৰাৰ সুন্দৰ জীৱনটো অতীতৰ ভুল খুঁচৰি ধ্বংস কৰাটোত মাকে কেতিয়াও সমৰ্থন জনোৱা নাছিল। ঔপন্যাসিকে মন্দিৰাৰ মাকৰ চৰিত্ৰটো এফালেদি হৃদয়হীন ৰূপত উপস্থাপন কৰিলেও আনফালেদি সন্তানৰ সুখ দেখি নিজে সুখী হোৱা এগৰাকী মাতৃ তথা নাৰীৰ দিশটোকো বিবৃত কৰিছে।**

ঔপন্যাসিক ৰীতা চৌধুৰীয়ে 'ৰাজীৱ ঈশ্বৰ' উপন্যাসখনত মন্দিৰা আৰু মন্দিৰাৰ মাক এই দুয়োটা নাৰী চৰিত্ৰকহে প্ৰাধান্য দিছে। অভিজিৎ আৰু মন্দিৰাৰ জীয়ৰী **'ৰশ্মিতা'**ৰ কথাও অতি সীমিতভাৱে উপস্থাপিত হৈছে। গৱেষণাৰ বিষয়ৰপৰা ৰশ্মিতাৰ চৰিত্ৰই দূৰৈত অৱস্থিতি কৰাৰ বাবে এই চৰিত্ৰটিৰ আলোচনাৰ পৰা বিৰত থকা হ'ল।

ঔপন্যাসিকে **'ৰাজীৱ ঈশ্বৰ'** এই উপন্যাসখনত 'মন্দিৰা' নামৰ কেন্দ্ৰীয় চৰিত্ৰটিৰ জৰিয়তে এগৰাকী নাৰীৰ গভীৰ মমতাবোধ, নিজৰ সন্তানক দুচকুৰে দেখাৰ আকাংক্ষা, এবাৰ চুই চোৱাৰ ইচ্ছা আদিৰ কথা সুন্দৰভাৱে প্ৰতিভাত কৰিছে। লগতে স্বামীৰ প্ৰতি কৰণীয়, সন্তানক সুশিক্ষা দি পালন কৰা আদিতো যে মন্দিৰা সফল সেই কথাও ব্যক্ত কৰিছে। ঔপন্যাসিকৰ ভাষাত—

"মন্দিৰাই মাত্ৰ নিজৰ কথা ভাবে— নিজৰ স্বামী, সন্তান, সংসাৰৰ কথা ভাবে। তাইৰ সমস্ত নিজস্বতা কেন্দ্ৰীভূত হৈ আছে নিজৰ সংসাৰখনত। সকলোফালৰপৰাই সুন্দৰ সংসাৰখনত মন্দিৰা এনেকৈ মজি আছে যে বাহিৰৰ জগতৰ কোনো দুখ-দুৰ্ঘটনা, গভীৰ মননৰ কোনো আৱেগ অথবা যন্ত্ৰণাই, প্ৰশ্ন অথবা আক্ষেপে তাইক কেতিয়াও স্পৰ্শ কৰিবহি পৰা নাই।"[৩১]

কিন্তু সেয়া হ'লেও সমাজৰ তথা নাৰীত্বৰ শিকলিৰে তাই যে বন্ধা এই কথা গম পাও তীব্ৰ ইচ্ছা থকা সত্ত্বেও ৰাজীৱক নিজৰ পৰিয়ালৰ লগত নিজৰেই বিবাহপূৰ্ব সন্তান বুলি পৰিচয় কৰি দিব নোৱাৰাৰ দুৰ্বলতাখিনিত। তথাপি কিছু হ'লেও সমাজক ভয় নকৰি, দহজনৰ তীক্ষ্ণ বাক্যবাণক আওকাণ কৰি তাই যে বিবাহপূৰ্ব সন্তানক বিচাৰি গৈছে এইখিনিতে মন্দিৰাৰ শক্তিশালী মনৰ পৰিচয় পোৱা যায়। মন্দিৰা নাৰীচেতনাৰে সমৃদ্ধ এগৰাকী নাৰী। এই কথা উপন্যাসখনিৰ পাতে পাতে প্ৰতিফলিত হৈছে।

**'দেওলাংখুই' উপন্যাসত প্ৰতিফলিত নাৰীচেতনা**

তিৱা সমাজৰ ঐতিহাসিক চৰিত্ৰ **'জোঙালবলহু'**ৰ জীৱনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা **'দেওলাংখুই'** ৰীতা চৌধুৰীৰ এখনি বিশিষ্ট উপন্যাস। ঔপন্যাসিকে উপন্যাসখনিত মধ্যযুগৰ অসমীয়া সমাজ জীৱনক যথাসম্ভৱ বিশ্বাসযোগ্য ৰূপত তুলি ধৰিবলৈ চেষ্টা কৰিছে। ইয়াত তিৱা সমাজৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি-পৰম্পৰাৰ লগতে মাজে-সময়ে তিৱা ভাষা আৰু তিৱা শব্দৰ প্ৰয়োগো পৰিলক্ষিত হয়।

"The writer has shown dexterity in depicting all the characters, their actions, inner conflicts, etc. and gives a message that sex and beauty are not the root of all relations. Besides, she gives a detailed account of that time of Assam. She throws light on social, cultural and some other important aspects its history. She refers to Jonbeel Mela, a symbol of union between the estern Assam and western Assam, which becomes a place for exchanging merchandise and a place for exchanging hearts. Through the writer's dexterity of descriptive power, the novel delves into the readers' mind like a vivid picture, meticulously reflecting all the aspects of every incident."[৩২]

২০০৮ চনৰ সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত এই উপন্যাসখন কিংবদন্তি, জনশ্ৰুতি, লোককথা আৰু ইতিহাসৰ কিছু সমল একগোট কৰি ৰচনা কৰা হৈছে। ঔপন্যাসিকে এই কথা নিজেই কৈ গৈছে।

"বিভিন্ন বুৰঞ্জী পুথি, অন্যান্য পুথি আৰু প্ৰবন্ধ আদিত সিঁচৰতি হৈ থকা তথ্যসমূহৰ পৰা আৰিমত্ত, জোঙালবলহু আদিৰ পৰিচয়, পুৰুষাণুক্ৰম, ৰাজত্বকাল আৰু ঘটনাৱলী সম্পৰ্কে সঠিক সিদ্ধান্তত উপনীত হোৱাটো অত্যন্ত কঠিন হৈ পৰিছিল। সেয়েহে উপন্যাসখন ৰচনা কৰিবলৈ যাওঁতে পুথিগত তথ্যসমূহৰ সহায় লোৱাৰ লগতে প্ৰচলিত কিংবদন্তিসমূহ আৰু মৌখিক বুৰঞ্জীৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিছিলোঁ।"[৩৩]

উপন্যাসখনিত সৰু-বৰ বহুতো চৰিত্ৰৰ সমাৱেশ ঘটিছে। আমাৰ গৱেষণাৰ লগত সংগতি থকা নাৰীচেতনাৰ নানান দিশ প্ৰকাশ পোৱা চৰিত্ৰকেইটা হৈছে— **চন্দ্ৰপ্ৰভা, গংগাৱতী, ৰত্নাৱলী আৰু সুকোমলা**। এই প্ৰধান নাৰী চৰিত্ৰকেইটাৰ উপৰি **যজ্ঞৱতী, সোণজিৰা, ফুলখুৰি, লখাইতৰা** আদি গৌণ চৰিত্ৰকেইটাৰো উপন্যাসখনত থকা ভূমিকা উল্লেখযোগ্য।

উপন্যাসখনিৰ অধ্যয়নৰপৰা এটা কথা জ্ঞাত হয় যে ইয়াৰ ঘটনাবৃত্তিৰ গতিসূত্ৰ নিৰ্ধাৰণকাৰীৰ ক্ষেত্ৰত '**চন্দ্ৰপ্ৰভা**' বা '**আবি কনচাৰী**'ৰ বিশেষ ভূমিকা আছে। উপন্যাসখনিত প্ৰতিফলিত হোৱা তিনিটা প্ৰজন্মৰ যোগসূত্ৰকাৰী 'চন্দ্ৰপ্ৰভা'ই উপন্যাসখনিৰ প্ৰথমৰপৰা শেষলৈকে নিজৰ অস্তিত্ব ঘোষণা কৰিছে। এই চন্দ্ৰপ্ৰভা প্ৰেম-ঈৰ্ষা, বিশ্বাস-অবিশ্বাস, সৰলতা-ক্ৰূৰতা এই আটাইবোৰৰে নীৰৱ সাক্ষী। জীৱনৰ প্ৰতিটো ডাঙৰ ধুমুহাক প্ৰতিহত কৰিব পৰাকৈ এই চৰিত্ৰটোৱে নিজকে অধিক শক্তিশালী আৰু ধৈৰ্যশীল ৰূপত গঢ়ি তুলিছে। জীৱনৰ সকলো সুখ, ৰং হেৰুৱায়ো পোৱাখিনিকে লৈ সন্তুষ্ট থকাৰ নাৰীৰ যি সহজাত প্ৰবৃত্তি 'চন্দ্ৰপ্ৰভা'ৰ জৰিয়তে ঔপন্যাসিকে ইয়াক যথাৰ্থভাৱে প্ৰতিভাত কৰিছে।

**'চন্দ্ৰপ্ৰভা' বা 'আবি কনচাৰী'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

**'দেওলাংখুই'— এই উপন্যাসখনিত ঐতিহাসিক জোঙালবলহুৰ বংশৰ তিনিটা প্ৰজন্মক সামৰি লোৱা হৈছে। ইয়াৰে প্ৰতাপচন্দ্ৰ, চন্দ্ৰপ্ৰভা আৰু সাধুকুমাৰ হৈছে প্ৰথম প্ৰজন্ম; ৰত্নাৱলী, অৰিমত্ত আৰু ফিংগুৱা কোঁৱৰ হৈছে দ্বিতীয় প্ৰজন্ম আৰু জোঙালবলহু, সুকোমলা, ৰত্নাৱলী,**

**লখাইতৰা হৈছে তৃতীয় প্ৰজন্মৰ প্ৰতিনিধি। এই তিনিওটা প্ৰজন্মৰ যোগসূত্ৰকাৰী 'চন্দ্ৰপ্ৰভা' বা 'কনচাৰী'য়ে উপন্যাসখনিৰ আদিৰপৰা অন্তলৈকে নিজস্ব নাৰীচেতনাৰে নিজৰ সুদৃঢ় অস্তিত্ব ঘোষণা কৰিছে।** ভুল ধাৰণাৰ বশৱৰ্তী হৈ প্ৰতাপচন্দ্ৰই নিজ পত্নী চন্দ্ৰপ্ৰভাক পৰিত্যাগ কৰিলেও গোভাৰাজ্যত **'কনচাৰী'** নাম লৈ তেওঁ তিৰা সমাজৰে এজনী হৈ জীৱনপৰিক্ৰমা অতি সফল আৰু সাহসিকতাৰে চলাই নিছে।

"Chandraprabha is the queen of Pratapsingha, banished by him to the Gobha king for she had made merry with the latter. In Gobha Kingdom Chandraprabha is highly respected by the subjects and she makes familiar herself with its customs and traditions and changes her identity to Konchari."[৩৪]

উপন্যাসখনিৰ আৰম্ভণিতে চন্দ্ৰপ্ৰভাক ৰজা প্ৰতাপচন্দ্ৰৰ সুযোগ্য পত্নী হিচাপেই উপস্থাপন কৰা হৈছে। কিশোৰী অৱস্থাতে প্ৰতাপপুৰৰ মহাপ্ৰতাপী ৰজা প্ৰতাপসিংহৰ লগত বিবাহত বহিলেও মাকৰপৰা শিকা গাম্ভীৰ্য তথা নিপুণ প্ৰশিক্ষণৰ লগতে ৰাজমাতা যজ্ঞৱতীয়ে শিকোৱা নতুন ৰাজপ্ৰাসাদৰ আদব-কায়দা আৰু আচাৰ-অনুষ্ঠানবোৰো চন্দ্ৰপ্ৰভাই খুব কম সময়তে আয়ত্ত কৰি লৈছিল। স্বামীৰ প্ৰতি থকা দায়িত্ব-কৰ্তব্য, শ্ৰদ্ধা-সন্মান আৰু প্ৰেম-প্ৰীতি প্ৰদানৰ ক্ষেত্ৰত চন্দ্ৰপ্ৰভা আছিল যথেষ্ট পাৰদৰ্শী। মুঠতে এগৰাকী বিবাহিতা নাৰীৰ স্বামীৰ প্ৰতি থাকিব লগা সকলোখিনি ধ্যান-ধাৰণাৰ জ্ঞানেই চন্দ্ৰপ্ৰভাৰ আছিল। **নাৰীচেতনাৰে উদ্বুদ্ধ চন্দ্ৰপ্ৰভাই স্বামীক সেৱা কৰাই একমাত্ৰ কৰ্তব্য বুলি জ্ঞান কৰিছিল।** বিনিময়ত চন্দ্ৰপ্ৰভাই প্ৰতাপ সিংহৰপৰা অজস্ৰ মৰম লাভ কৰিবলৈ সক্ষম হৈছিল। চন্দ্ৰপ্ৰভাক মহাৰাণী কৰি অনাৰ দিন ধৰি প্ৰতাপচন্দ্ৰৰ জীৱন কেৱল ৰাজ্য আৰু চন্দ্ৰপ্ৰভাক কেন্দ্ৰ কৰি আৱৰ্তিত হৈছিল। ক্ৰমে চন্দ্ৰপ্ৰভাৰ ৰূপ-যৌৱনৰ ওচৰত জিতাৰী বংশীয় ক্ষত্ৰিয় বীৰ বিৱশ হৈ পৰিছিল। **ইমান মৰমৰ মাজতো চন্দ্ৰপ্ৰভাই মনত কিছু শংকা অনুভৱ কৰিছিল**। প্ৰতাপচন্দ্ৰৰ মৰমৰ মাজত চন্দ্ৰপ্ৰভাই কিছু অহংকাৰ আৰু কিছু সন্দেহ সানমিহলি হৈ থকা যেন অনুমান কৰিছিল। অলপ সময়ৰ কাৰণে চন্দ্ৰপ্ৰভা চকুৰ আঁতৰ হ'লেই তেওঁ যেন প্ৰতাপচন্দ্ৰৰ জীৱনৰ পৰা একেবাৰে হেৰাই যাব এনে ধাৰণা প্ৰতাপ চন্দ্ৰৰ মনত গঢ় লৈ উঠিছিল। কিন্তু চন্দ্ৰপ্ৰভাই প্ৰতাপচন্দ্ৰক সন্তুষ্ট কৰাত অলপো কৃপণালি কৰা নাছিল। প্ৰতাপ সিংহৰ ৰাজপ্ৰাসাদত

চন্দ্ৰপ্ৰভাৰ দিনবোৰ খুব সুন্দৰকৈ অতিবাহিত হৈছিল। কিন্তু কালৰ কুটিল গতিত কথাবোৰ বেলেগ দিশলৈ ঢাল খোৱাত কম বয়সীয়া আৰু কোমলমনা চন্দ্ৰপ্ৰভা ধীৰ-গম্ভীৰ আৰু পৈণত বয়সৰ নাৰী এগৰাকীলৈ পৰিণত হোৱালৈ বেছি সময় নালাগিল।

এটা ঘটনাক কেন্দ্ৰ কৰি চন্দ্ৰপ্ৰভাৰ জীৱন-চকৰি বেলেগ দিশলৈ গতি কৰিছিল। জিতাৰী বংশীয় বীৰ প্ৰতাপচন্দ্ৰই অসীম বাহুবল আৰু শক্তিৰে প্ৰতাপপুৰ ৰাজ্য গঢ়ি তুলিছিল। শক্তিশালী হোৱাৰ লগতে আৰ্যবংশোদ্ভৱ বুলি তেওঁ গৰ্বিতও আছিল। কিন্তু এই মহাপ্ৰতাপী ৰজাজনেই এটা ভুল ধাৰণাৰ বশৱৰ্তী হৈ নিজৰ মৰমৰ পত্নীক নিৰ্বাসনৰ দৰে গধুৰ শাস্তি দিয়াটো অত্যন্ত চিন্তনীয় বিষয়। বহু দেৰিকৈ প্ৰতাপচন্দ্ৰই নিজৰ ভুল বুজিব পাৰিছিল যদিও তেতিয়ালৈ চন্দ্ৰপ্ৰভাক ঘূৰাই পোৱাৰ কোনো পথেই নাছিল। যি ঘটনাক কেন্দ্ৰ কৰি চন্দ্ৰপ্ৰভাক প্ৰতাপচন্দ্ৰই ভুল বুজিলে, সেই ঘটনা হৈছে এনেধৰণৰ—

কামৰূপৰ মহাপ্ৰতাপী ৰজা প্ৰতাপসিংহ আৰু তেওঁৰ পত্নী চন্দ্ৰপ্ৰভা ব্ৰহ্মপুত্ৰৰ মাজৰ নতুন ৰাজধানী 'মায়াপুৰ'ৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত আছিল। ওচৰ-চুবুৰীয়া আন ৰজাসকলৰ দৰেই নিমন্ত্ৰণ লাভ কৰি গোভাৰজা সাধুকুমাৰো এই সভাত উপস্থিত হৈছিল। ৰাণী চন্দ্ৰপ্ৰভা এই অনুষ্ঠানৰ মাজতেই বনবিহাৰলৈ যাওঁতে পানী-যুৰলিত পিছলি পৰি পানীত কক্‌বকাই থাকোঁতে গোভাৰজা সাধুকুমাৰে চন্দ্ৰপ্ৰভাক উদ্ধাৰ কৰে। এইখিনিতে প্ৰতাপচন্দ্ৰই সাধুকুমাৰক কৃতজ্ঞতাৰে উপচাই দিয়াৰ পৰিৱৰ্তে চন্দ্ৰপ্ৰভাক পৰপুৰুষে স্পৰ্শ কৰি সতীত্ব নাশ কৰা বুলি কৈ নিৰ্বাসন দি শাস্তিহে দিলে। নিজৰ প্ৰচণ্ড উচ্চাত্মিকাবোধ, অবিবেচক মনোভাব আৰু আৰ্য গৌৰৱৰ বাবেই একো অপৰাধ নকৰাকৈয়ে প্ৰতাপচন্দ্ৰৰ মনত চন্দ্ৰপ্ৰভা গভীৰ অপৰাধী হৈ পৰিল। সেই সময়ত চন্দ্ৰপ্ৰভা অন্তঃসত্বা আছিল। অৱশ্যে প্ৰতাপচন্দ্ৰই এই কথা নাজানিছিল। মনত তীব্ৰ অভিমান লৈ চন্দ্ৰপ্ৰভাই প্ৰতাপচন্দ্ৰই দিয়া শাস্তি কোনো প্ৰতিবাদ নকৰাকৈ মানি ল'লে। আনকি সাধুকুমাৰে এই অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ ওলোৱাতো চন্দ্ৰপ্ৰভাই বাধা আৰোপ কৰিলে। কাৰণ খঙত প্ৰতাপচন্দ্ৰৰ মুখৰপৰা ওলোৱা প্ৰতিটো শব্দই একো একোপাট তীক্ষ্ণাগ্ৰ কাঁড় হৈ চন্দ্ৰপ্ৰভাক উৰি উৰি শালি ধৰিছিল। চন্দ্ৰপ্ৰভাই প্ৰতিবাদ কৰাটো দূৰৰে কথা তাই বুজিবও পৰা নাছিল হঠাতে তাইৰ জীৱনত এনেদৰে নিদাৰুণ অধ্যায়ৰ আৰম্ভণি কেনেকৈ ঘটিল।

"চন্দ্ৰপ্ৰভাৰ প্ৰেমত মগ্ন, সুখী, পৰিতৃপ্ত স্বামী প্ৰতাপচন্দ্ৰ কি হৈ গ'ল সামান্য এটা ঘটনাত। এই ৰূপ ক'ত লুকাই আছিল অতদিনে? ক'ত লুকাই আছিল এই জিঘাংসাত বিকৃত, ঈৰ্ষাত অস্থিৰ, ক্ৰোধত উন্মাদ প্ৰতাপচন্দ্ৰ?"[৩৫]

নাৰী সদায় সৌন্দৰ্যপিয়াসী। ব্ৰহ্মপুত্ৰৰ মাজৰ এই দ্বীপটোৰ প্ৰাকৃতিক সৌন্দৰ্যত চন্দ্ৰপ্ৰভা মুগ্ধ হৈ পৰিছিল। সেয়েহে নিজৰ মাজতে আপোন পাহৰা হৈ থাকোঁতে কোনো এক অসতৰ্ক মুহূৰ্তত তাই পানী-যুৰলিত পিছল খাই পৰিল। এইটো এটা সাধাৰণ দুৰ্ঘটনাহে আছিল। কিন্তু এই দুৰ্ঘটনাটোৱে চন্দ্ৰপ্ৰভাৰ জীৱনৰ গতিপথক এক বেলেগ দিশলৈ লৈ গ'ল।

নিশাৰ শেষ প্ৰহৰত যেতিয়া গোভাৰজাৰ লগত চন্দ্ৰপ্ৰভাক নাৱত গোপনে উঠাই দিয়া হ'ল তেতিয়াও চন্দ্ৰপ্ৰভা খুব শান্ত আৰু ধীৰভাৱে আহিছিল। তলমূৰ কৰি আছিল, কাৰোফালে চোৱাও নাছিল। ইয়াৰ উপৰি শোক বা আক্ষেপৰ কোনো এটা শব্দও চন্দ্ৰপ্ৰভাই উচ্চাৰণ কৰা শুনা নগ'ল। **প্ৰতাপচন্দ্ৰৰ প্ৰতি মনত প্ৰচণ্ড অভিমান লৈয়ে চন্দ্ৰপ্ৰভা চিৰদিনৰ বাবে অচিন গোভা ৰাজ্যলৈ গুচি গ'ল।**

গোভা ৰাজ্যলৈ যাত্ৰা কৰি থাকোঁতে বা গোভা ৰাজ্যৰ ৰাজপ্ৰাসাদত থাকোঁতে এগৰাকী নাৰী হিচাপে কোনোদিন তেওঁ নিৰাপদ অনুভৱ কৰা নাছিল। কাৰণ চন্দ্ৰপ্ৰভা আছিল আৰ্য সমাজৰ পৰম্পৰাৰে প্ৰশিক্ষিত নাৰী। স্বামীয়ে পৰিত্যাগ কৰি আন পুৰুষক গতাই দিলেও পৰপুৰুষ সাধুকুমাৰক স্বামী হিচাপে স্বীকাৰ কৰিবলৈ চন্দ্ৰপ্ৰভা কোনো কাৰণতে ৰাজী নহয়। মনৰ কোনো দুৰ্বল মুহূৰ্তত আত্মহত্যা কৰাৰ কথা মনলৈ আহিছিল যদিও গৰ্ভাৱস্থাত আত্মহত্যা কৰাটো মহাপাপ বুলি গণ্য কৰি তেওঁ এই কাৰ্যৰপৰা বিৰত থাকিল। সেয়েহে মনৰ খূ-দুৱনিত উপায়ান্তৰ হৈ চন্দ্ৰপ্ৰভাই সাধুকুমাৰক মতাই আনি নিজেই কৈ পেলালে যে সাধুকুমাৰে বিচাৰিলেও চন্দ্ৰপ্ৰভাই তেওঁক স্বামী বুলি গ্ৰহণ কৰিব নোৱাৰে। নাৰী হিচাপে নিজৰ সতীত্ব ৰক্ষাৰ চেষ্টা কৰাটো চন্দ্ৰপ্ৰভাৰ পক্ষে অমূলক নহয়। কিন্তু যেতিয়া সাধুকুমাৰে তেওঁক জনালে যে চন্দ্ৰপ্ৰভাক তেওঁ কেতিয়াও বেয়া দৃষ্টিৰে চোৱা নাই আৰু গোভা ৰাজ্যৰ ৰাজপ্ৰাসাদ ত্যাগ কৰি সাধুকুমাৰ আমচাই মাৰ্জঙৰ ৰাজানঃলৈ গুচি গ'ল— এই কাৰ্যত চন্দ্ৰপ্ৰভা অতিশয় লজ্জিত হ'ল আৰু আচৰিতো হ'ল। **গোভাৰাজ্যৰ ৰাজপ্ৰাসাদত থাকি চন্দ্ৰপ্ৰভাৰ নিজৰ সাতামপুৰুষীয়া বিশ্বাসবোৰ অৰ্থহীন যেন লাগিল।**

গোভা ৰাজ্যত যথাসময়ত চন্দ্ৰপ্ৰভাৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। নৱজাতকৰ ক্ৰিয়াকৰ্ম

গোভা ৰাজপ্ৰাসাদত তিৰা নিয়ম অনুসৰি সম্পন্ন হ'ল। লাহে লাহে চন্দ্ৰপ্ৰভাৰ চিন্তাধাৰালৈ পৰিৱৰ্তন আহিল। নিজৰ আৰ্য ঐতিহ্যক কিমানখিনি ধৰি ৰাখিব পাৰিব, প্ৰতাপ সিংহৰ পৰিত্যক্তা নাৰীৰ ৰূপত থাকিব নে তিৰা সমাজৰ এটা অংশ হৈ পৰিব— এইবোৰ চিন্তাই চন্দ্ৰপ্ৰভাক উদ্বাউল কৰি তুলিলে—

"চন্দ্ৰপ্ৰভাৰ সেই সমাজখন ক'ত?

নিজৰ সমাজখন?

এজন পুৰুষৰ নিৰ্দেশত যিখন সমাজৰপৰা নিৰ্বাসিত হৈছিল চন্দ্ৰপ্ৰভা? সেই কথা মনত পৰিলেই চন্দ্ৰপ্ৰভাৰ তেজত যেন জুই জ্বলে। এক ভয়ংকৰ ক্ৰোধানলত দহি যায় চন্দ্ৰপ্ৰভা। কলিজালৈকে বিদ্ৰোহৰ এক সুতীব্ৰ ইচ্ছাই যে দপ্‌দপাবলৈ আৰম্ভ কৰে সিৰাই সিৰাই।"[৩৬]

ইয়াৰ উপৰি পুত্ৰ অৰিমত্ত যেতিয়া জনা-বুজা হৈ আহিব, ৰিহা-মেখেলা পিন্ধা আৰু সেন্দূৰ লোৱা চন্দ্ৰপ্ৰভাক দেখা পালে কি ভাবিব এই লৈও চন্দ্ৰপ্ৰভাৰ চিন্তা। মাজে মাজে চন্দ্ৰপ্ৰভাই ভাবিছিল যে অৰিমত্তক নি প্ৰতাপচন্দ্ৰ আৰু ৰাজমাতা যজ্ঞৱতীৰ হাতত তুলি দিবগৈ, কিন্তু **চন্দ্ৰপ্ৰভা আত্মমৰ্যাদাসম্পন্ন নাৰী। ৰজা প্ৰতাপচন্দ্ৰৰ ওচৰত ক্ষমাপ্ৰাৰ্থিনী হৈ, অনুগ্ৰহপ্ৰাৰ্থিনী হৈ চন্দ্ৰপ্ৰভাই কেতিয়াও আঁঠু ল'ব নোৱাৰে**। কাৰণ প্ৰতাপচন্দ্ৰৰ ৰাজ্যত ৰাণী হিচাপে চন্দ্ৰপ্ৰভাৰ কোনো নিজস্ব অধিকাৰ, পৰিচিতি তথা মৰ্যাদা নাই। **সেয়েহে সাধুকুমাৰক চন্দ্ৰপ্ৰভাই নিজকে গোভা ৰাজ্যৰ এগৰাকী কৰি দিবলৈ আৰু তেওঁৰ সন্তানটোকো সাধুকুমাৰৰ পৰিচয় দিবলৈ অনুৰোধ কৰিলে।**

গোভা ৰাজ্যত চন্দ্ৰপ্ৰভাই নতুন পৰিচয়েৰে গোভা ৰাইজে সন্মান দিয়া **'আই খামাৰি কনচাৰী'** নাম ল'লে। লাহে লাহে কনচাৰী গোভা ৰাজগৃহৰ মূল নাৰী হৈ পৰিল। **শিশু অৰিমত্ত, তিৰা সমাজে প্ৰদান কৰা নাম 'মৃগাংক' লাহে লাহে ডাঙৰ হৈ আহিল।** এজন ৰজা হ'ব পৰাকৈ সকলোধৰণৰ শিক্ষাই অৰিমত্তক দিয়া হ'ল। জীৱনৰ বাবে প্ৰয়োজনীয়, ৰজা হ'ব পৰাকৈ প্ৰয়োজনীয় সকলো জ্ঞান আহৰণ কৰি অৰিমত্ত গোভা ৰাজ্যৰ আৰু সাধুকুমাৰৰ উত্তৰাধিকাৰী হৈ উঠিল। পৰৱৰ্তী সময়ত এই অৰিমত্তই গোভা ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰিছিল। মাতৃ চন্দ্ৰপ্ৰভা বা কনচাৰীয়ে পিতৃ প্ৰতাপচন্দ্ৰৰ দৰেই অৰিমত্তৰ পৌৰুষত্বতো আৱেগিক তথা জেদী মানসিকতা আৰু আৰ্য ক্ষত্ৰিয়ৰ বিজয়তৃষ্ণা দেখি ভিতৰি ভিতৰি শংকিত হৈ পৰিছিল।

পৰৱৰ্তী সময়ত খলাৰ ৰাণী **গংগাৰতী**ৰ লগত অৰিমত্তৰ প্ৰেমৰ সম্পৰ্ক স্থাপন হৈছে যদিও একে কুলৰ হোৱা হেতুকে কনচাৰী এই বিয়াত বাধা স্বৰূপে থিয় দিছে। **এইখিনিতে কনচাৰীয়ে পৰম্পৰাগত নাৰীৰ চিৰন্তন ভূমিকা গ্ৰহণ কৰিছে। স্বামীয়ে নিৰ্বাসন দিয়াৰ পিছত যিখন সমাজে কনচাৰীক ইমান এখন উচ্চ আসন প্ৰদান কৰিছে, নিজৰ পুত্ৰৰ সুখৰ স্বাৰ্থত সেই সমাজৰ নিয়ম ভাঙিবলৈ কনচাৰী মান্তি নহ'ল।** পুত্ৰক বুজাই একো লাভ নহ'ব বুলি জানি চন্দ্ৰপ্ৰভাই গংগাৰতীক লগ ধৰি অৰিমত্তৰ জন্ম ৰহস্য আৰু গোভাৰজাই চন্দ্ৰপ্ৰভা আৰু অৰিমত্তক প্ৰদান কৰা স্বীকৃতি, সন্মান-শ্ৰদ্ধা আদিৰ কথা কৈ সমাজৰ বিপক্ষে নাযাবলৈ অনুৰোধ কৰিলে। গংগাৰতীয়েও নিজৰ বুজন মনৰ পৰিচয় দি চন্দ্ৰপ্ৰভাৰ কথা মানি অৰিমত্তৰ লগত গোপনে বেলেগ ৰাজ্যলৈ গুচি যোৱাৰ পৰিকল্পনাটো ত্যাগ কৰিলে। গংগাৰতীৰ এনে কাৰ্যত অৰিমত্ত ক্ষোভ, হতাশা আৰু দুখত জৰ্জৰিত হৈ গোভাৰাজ্য ত্যাগ কৰি নতুনকৈ স্থাপন কৰা কমতা ৰাজ্যলৈ গুচি গ'ল। অৰিমত্তৰ এনে কাৰ্যত চন্দ্ৰপ্ৰভাক বাহিৰৰপৰা সুস্থ আৰু স্থিতপ্ৰজ্ঞ যেন দেখা পালেও চন্দ্ৰপ্ৰভাৰ বাবে সকলোবোৰেই অৰ্থহীন হৈ পৰিল। অৰিমত্তৰ অনুপস্থিতিত গোভাৰাজ্যত শূন্যতাই বিৰাজ কৰিলে। অৰিমত্তয়ো কমতা ৰাজ্যত গৈ **ৰত্নাৱলী**ৰ লগত বিবাহপাশত আবদ্ধ হ'ল।

চন্দ্ৰপ্ৰভাই নিজ পুত্ৰৰ সুখৰ পথ নিজেই ৰুদ্ধ কৰি তীব্ৰ অপৰাধবোধত ভুগি থকাৰ সময়তেই আন এক বাতৰিয়ে চন্দ্ৰপ্ৰভাক পুনৰ জোকাৰি থৈ গ'ল। চন্দ্ৰপ্ৰভাৰ মনত তীব্ৰ যন্ত্ৰণাৰ সৃষ্টি কৰা এই বাতৰিটো হৈছে গংগাৰতীৰ গৰ্ভত অৰিমত্তৰ সন্তানে থিতাপি লৈছে। ইতিমধ্যে অৰিমত্তই আন এগৰাকীৰ লগত বিবাহ পাশত আবদ্ধ হোৱা কথা চন্দ্ৰপ্ৰভাই গংগাৰতীক জনোৱাত গংগাৰতী ব্যথিত হৈছে যদিও নিজকে চম্ভালি লৈ গৰ্ভস্থ সন্তানটিক অকলেই ডাঙৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

পূৰ্বতেই চন্দ্ৰপ্ৰভাই অৰিমত্তক পূব দিশলৈ ৰাজ্য বিস্তাৰ নকৰিবলৈ অনুৰোধ জনাইছিল। কিন্তু **ফিংগুৱা কোঁৱৰ আৰু ৰত্নাৱলীৰ উচটনিত পৰি অৰিমত্তই পূব দিশৰ ৰাজ্য আক্ৰমণ কৰে আৰু পিতৃৰ পৰিচয় নাজানি তেওঁক আঘাত কৰে**। অৰিমত্তই প্ৰতাপচন্দ্ৰক মৃত্যুসম আঘাত হনাৰ কথা গম পাই চন্দ্ৰপ্ৰভাৰ বুকুত যন্ত্ৰণাৰ জুইকুৰা দাওদাওকৈ জ্বলি উঠিল। জীৱনে যেন চন্দ্ৰপ্ৰভাক কোনোবাখিনিত ছলনা কৰিলে। সেয়েহে **পুত্ৰ-পিতৃৰ এই মহাৰণৰ বাৰ্তাই ইমানদিন ধৈৰ্যসহকাৰে থকা মানুহজনীৰ গম্ভীৰতা আৰু কঠোৰতাখিনি ক্ৰমশঃ গলাই পেলালে।**

মৃত্যুশয্যাত পৰি থকা প্ৰতাপচন্দ্ৰক চন্দ্ৰপ্ৰভাই শেষবাৰৰ বাবে দেখা কৰিবলৈ গ'ল। শেষ সময়ত প্ৰতাপচন্দ্ৰৰ চকুপানীয়ে কনচাৰীৰ বুকুখনো তিয়াই থৈ গ'ল। লগতে এই চকুৰ পানীয়েই প্ৰতাপচন্দ্ৰৰ অহংকাৰ, অভিমান আৰু জন্মান্তৰৰ সকলো নিঃসংগতাকো ধুই লৈ গ'ল। সুগভীৰ বিষাদগ্ৰস্ততাৰ মাজতো মৃত্যুমুখী প্ৰতাপচন্দ্ৰক ধীৰ কণ্ঠেৰে চন্দ্ৰপ্ৰভাই কৈ উঠিছিল—

"দুৰ্ভাগ্য। আৰ্য পুত্ৰ।"[৩৭]

'দেওলাংখুই' উপন্যাসখনিৰ মেৰুদণ্ড স্বৰূপ চন্দ্ৰপ্ৰভা বা কনচাৰীৰ চৰিত্ৰ বিশ্লেষণ কৰিলে দেখা যায় যে নাৰী হৈও তেওঁ এক শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী। চন্দ্ৰপ্ৰভাৰ গোটেই জীৱনটোৱেই দুখ, যন্ত্ৰণা আৰু সংঘাতেৰে ভাৰাক্ৰান্ত যদিও চন্দ্ৰপ্ৰভা কোনোদিন ভাগি পৰা নাই। মনৰ কোনোবা দুৰ্বল ক্ষণত কেতিয়াবা ভাগি পৰিলেও সেয়া কাৰো চকুত ধৰা পৰিবলৈ নিদি তেওঁ নিজৰ সবল মনৰ পৰিচয় দাঙি ধৰিছে।

**চন্দ্ৰপ্ৰভা আত্মসন্মানেৰে বিধৌত এগৰাকী নাৰী**। সেয়েহে সামান্য এটা ঘটনাৰ বাবে ভুল ধাৰণাৰ বশৱৰ্তী হৈ প্ৰতাপচন্দ্ৰই যেতিয়াই চন্দ্ৰপ্ৰভাক ত্যাগ কৰিলে, তেতিয়াই তেওঁ নিজৰ প্ৰতি হোৱা অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পাৰিলেহেঁতেন। কিন্তু প্ৰতাপচন্দ্ৰক ইমান শ্ৰদ্ধা-ভক্তি কৰাৰ পিছতো যেতিয়া প্ৰতাপচন্দ্ৰই ইয়াৰ মূল্য নুবুজিলে তেতিয়া নিজৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সন্মানৰ বাবেই বিনা প্ৰতিবাদে গোভাৰাজ্যলৈ গুচি গ'ল। মাতৃত্বৰ মমতাৰে তেওঁ নিজৰ সন্তানক লালন-পালন কৰাৰ ক্ষেত্ৰতো কোনোধৰণৰ ত্ৰুটি নাৰাখিলে। ইয়াৰ উপৰি নিজৰ বংশ মৰ্যাদাৰ প্ৰতিও তেওঁ সদা সচেতন আছিল। এগৰাকী আৰ্যনাৰী হিচাপে তেওঁ যে দ্বিতীয় স্বামী গ্ৰহণ কৰিবলৈ অপৰাগ এই কথা তেওঁ নিজেই সাধুকুমাৰক বুজাই দিছে। ইয়াৰ সমান্তৰালভাৱে সাধুকুমাৰৰ বংশ পৰম্পৰা তথা ৰীতি-নীতি মানিবলৈ গৈয়ে অৰিমত্ত আৰু গংগাৰতীৰ বিবাহত তেওঁ নিষেধাজ্ঞা আৰোপ কৰিছে। কনচাৰীৰ এনে কাৰ্যৰ জৰিয়তে ঔপন্যাসিকে এই চৰিত্ৰটিৰ সমাজ সচেতনতাৰ দিশটোক আঙুলিয়াই দেখুৱাইছে।

**যিকোনো পৰিস্থিতিতে নিজকে চম্ভালি লোৱাৰ সাহসিকতা আৰু মনোবৃত্তি চন্দ্ৰপ্ৰভাৰ আছে। গংগাৰতীৰ গৰ্ভত অৰিমত্তৰ ঔৰসত জন্ম হোৱা জোঙালবলহু বা জকাংকই** পিতৃ পৰিচয় নাজানি যেতিয়া অৰিমত্তক হত্যা কৰিছে আৰু অৰিমত্তৰ কটা মূৰ দেখি গংগাৰতীয়ে প্ৰাণ ত্যাগ কৰিছে সেই সময়তো কনচাৰী ধৈৰ্যচ্যুত নহৈ জকাংকক বুজনিহে দিছে। ইমান এক গভীৰ শোকৰ

সময়তো তেওঁ জকাংকক বুজনি দিবলৈ সক্ষম হৈছে।

“মই কি ক'ম জকাংক। মই এজনী শাস্ত্ৰজ্ঞানহীন সাধাৰণ নাৰী। কিন্তু জীৱনত অনেক দেখি শুনি যি বুজিছো সেই বুজাখিনিৰে এটা কথা ক'ব পাৰো— সন্ন্যাস লোৱাটো অৰ্থহীন। জীৱনৰ দুখবোৰ দেখি পলাই যোৱাটো ভুল। জীৱনৰ ভালবোৰলৈ চাই টান মাটিত ভৰি থৈ জীয়াই থাকিব লাগে। তেনেকৈয়ে জীয়াই থাকিবৰ চেষ্টা কৰ জকাংক।”[৩৮]

নিজ পুত্ৰক অকালতে হেৰুৱাই চন্দ্ৰপ্ৰভা দুখত ম্ৰিয়মাণ হ'লেও সেই দুখক আওকাণ কৰি তেওঁ জকাংকক বুজনি দিছে। অথচ এই পুত্ৰ গৰ্ভত থকাৰ বাবেই এদিন চন্দ্ৰপ্ৰভাই প্ৰতাপচন্দ্ৰৰ পৰা ইমান অপমান পায়ো আত্মহত্যা কৰিব নোৱাৰিলে। **নিজে হাজাৰটা দুখ, হাজাৰটা সমস্যাৰ মাজত থাকিও আনৰ অসহায় মুহূৰ্তৰ বেলিকা প্ৰবোধবাণী শুনোৱাৰ নাৰীৰ যি সহজাত প্ৰবৃত্তি, চন্দ্ৰপ্ৰভাও ইয়াৰ ব্যতিক্ৰম নহ'ল।**

কিন্তু নিজৰে শহুৰেক কছাৰী ৰজা বডচাৰ কুচক্ৰান্তত পৰি যেতিয়া জকাংকৰ মৃত্যু ঘটিছে, তেতিয়া জকাংক সুকোমলাৰ কেঁচুৱা ‘বুবাউ’ক হাতত লৈ চন্দ্ৰপ্ৰভা বিচলিত হৈছে। এইখিনিতে চন্দ্ৰপ্ৰভাৰ ধৈৰ্যৰ বান্ধ শিথিল হৈছে। পিতৃ-মাতৃহীন এই কেঁচুৱাটি কোলাত লৈ চন্দ্ৰপ্ৰভা পাৰাপাৰহীন দুখত ভাগি পৰিছে।

“সাধুকুমাৰৰ হাতত মূৰ থৈ সহস্ৰ দিনৰ মূৰত নিঃশব্দ কান্দোনত ভাগি পৰিল কনচাৰী।”[৩৯]

**‘দেওলাংখুই’— এই সমগ্ৰ উপন্যাসখন অধ্যয়ন কৰিলে দেখা যায় যে প্ৰতাপচন্দ্ৰই নিৰ্মমভাৱে নিৰ্বাসন দিয়া দিনৰপৰা পুত্ৰ অৰিমত্ত, নাতি জকাংকৰ মৃত্যুলৈকে চন্দ্ৰপ্ৰভাৰ জীৱন নানা সংঘাতৰ মাজেৰে অতিবাহিত হৈছে।** ইমানবোৰ সংঘাতে জুৰুলা কৰা সত্ত্বেও চন্দ্ৰপ্ৰভা উপন্যাসখনিৰ শেষলৈকে স্থিৰ হৈ ৰৈছে। চন্দ্ৰপ্ৰভাক ঔপন্যাসিকে প্ৰতিটো দুৰ্যোগ, প্ৰতিটো দুৰ্ঘটনাৰ নীৰৱ সাক্ষী ৰূপত প্ৰতিষ্ঠিত কৰিছে। অপৰিসীম ধৈৰ্যৰে এগৰাকী পৰিপক্ক নাৰী ৰূপে চন্দ্ৰপ্ৰভা ওৰফে আবি কনচাৰীয়ে থিয় দিছে। জকাংক-সুকোমলাৰ মৃত্যুৰ পিছতো পৰিনাতি ‘বুবাউ’ৰ লগত চন্দ্ৰপ্ৰভাই আকৌ নতুন দিনৰ আৰম্ভণি কৰিছে। অৱশ্যে **গোভাৰাজ সাধুকুমাৰে আজীৱন চন্দ্ৰপ্ৰভাক প্ৰদৰ্শন কৰা শ্ৰদ্ধা, পৰামৰ্শ, নিৰাপত্তা, উৎসাহ আৰু ভালপোৱাই চন্দ্ৰপ্ৰভাক সবল আৰু সাহসী হোৱাত বিশেষ ভূমিকা লৈছে।**

মুঠৰ ওপৰত ক'ব পাৰি যে নাৰীচেতনাৰে উদ্বুদ্ধ চন্দ্ৰপ্ৰভা বা কনচাৰীয়ে উপন্যাসখনিত এক

শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। **পত্নী হিচাপে প্ৰতাপচন্দ্ৰক তেওঁ সুখী কৰিব নোৱাৰিলে যদিও মাতৃ হিচাপে বা আইতাক হিচাপে আৰু পৰৱৰ্তী সময়ত আজো আইতা হিচাপেও তেওঁ নিজৰ দায়িত্ব পালন কৰিছে। জীৱনৰ প্ৰতিটো ডাঙৰ ধুমুহাক প্ৰতিহত কৰিব পৰাকৈ তেওঁ নিজকে অধিক শক্তিশালী আৰু ধৈৰ্যশীল ৰূপত গঢ়ি তুলিছে।**

**ৰাণী 'যজ্ঞৱতী'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

ঔপন্যাসিকে **প্ৰতাপচন্দ্ৰৰ মাতৃ 'যজ্ঞৱতী'ৰ জৰিয়তে নাৰীচেতনাৰ বহুকেইটা দিশ ফুটাই তুলিছে**। নিজৰ সন্তানৰ প্ৰতি মাকৰ অকুণ্ঠ মৰম প্ৰতিগৰাকী নাৰীৰ অন্তৰত প্ৰৱাহমান। যজ্ঞৱতীৰো নিজ সন্তানৰ প্ৰতি অসংখ্য মৰম আছিল। দৰাচলতে বিবাহৰ পিছৰ পৰাই যজ্ঞৱতীয়ে জিতাৰী বংশৰ পুৰুষৰ তেজত থকা বিজয় তৃষ্ণা দেখি আহিছিল। ইয়াৰ লগতে আছিল ৰাজ্য বিস্তাৰৰ আকাংক্ষা, ক্ষত্ৰিয় আৰু আৰ্য হিচাপে প্ৰচণ্ড উচ্চাত্মিকাবোধ। এই বংশৰ পুৰুষসকল সাহসী, জেদী, ৰণ কৌশলী আৰু প্ৰচুৰ শাৰীৰিক শক্তিৰ অধিকাৰী আছিল। পুতেক প্ৰতাপচন্দ্ৰৰ গাতো এই সকলোবোৰ লক্ষণ দেখা পাই ৰাজমাতা যজ্ঞৱতী শংকিত হৈছিল। একমাত্ৰ পুত্ৰৰ অমংগলৰ চিন্তাত যজ্ঞৱতীৰ মাতৃহৃদয় কম্পিত হৈছিল। সেয়েহে নিজেই চাই মেলি সৰ্বগুণসম্পন্ন কিশোৰী চন্দ্ৰপ্ৰভাক প্ৰতাপচন্দ্ৰৰ লগত বিয়া কৰাই দি **পুতেকক সংসাৰমুখী কৰাৰ প্ৰয়াস কৰিছিল**।

**যজ্ঞৱতী মধ্যযুগীয় ৰজাঘৰীয়া ধ্যান-ধাৰণাৰে পৰিচালিত নাৰী**। সেয়েহে এই বংশৰ মান-মৰ্যাদা অটুট ৰাখিবলৈ যজ্ঞৱতীয়ে চন্দ্ৰপ্ৰভাক অনুৰোধ জনাইছে। বংশ পৰম্পৰা জানি লৈ চন্দ্ৰপ্ৰভা যাতে অনেক বিদ্যাত কুশলী হৈ উঠিব পাৰে তাৰ বাবে যজ্ঞৱতীয়ে উপযুক্ত চেষ্টাৰ ত্ৰুটি কৰা নাই।

"প্ৰায়েই আবেলি চন্দ্ৰপ্ৰভাক নিজৰ কক্ষলৈ মাতি আনি যজ্ঞৱতীয়ে বিভিন্ন ধৰণৰ খোপা বান্ধি দিয়ে। খোপা বন্ধাৰ লগে লগে নিজে শাহুৰেকৰ পৰা শিকা কথাবোৰ কৈ যায়। কৈ যায় নিজে দেখি-শুনি শিকা কথাবোৰ। প্ৰসাধনৰ কলা-কৌশল, স্বাস্থ্যবিধি, গৃহ পৰিচালনাৰ খুটি-নাতিৰপৰা ৰাজ্য, ৰাজনীতিলৈ নানা কথা কয় যজ্ঞৱতীয়ে।"[৪০]

নিঃসংগতা কোনো নাৰীৰে প্ৰিয় নহয়। যজ্ঞৱতী ৰাজমাতা হ'লেও এগৰাকী সাধাৰণ নাৰী। সেয়েহে প্ৰতাপচন্দ্ৰ আৰু চন্দ্ৰপ্ৰভা মহাভৈৰৱত পূজা দি ৰাজ্য ভ্ৰমণ কৰিবলৈ যোৱাত নিঃসংগভাৱে

দিন কটাই যজ্ঞৱতী বিৰক্ত হৈ পৰিছে। সেয়েহে কেইবাদিনৰ পিছত চন্দ্ৰপ্ৰভাক কাষত পাই যজ্ঞৱতী উৎফুল্লিত হৈছে আৰু খোপা বান্ধি দি বিভিন্ন কথাত মগ্ন হৈ পৰিছে। চন্দ্ৰপ্ৰভাক যজ্ঞৱতীয়ে অত্যন্ত মৰম কৰিছিল। চন্দ্ৰপ্ৰভাক বোৱাৰীতকৈও জীয়ৰী হিচাপে ভাবিহে যজ্ঞৱতীয়ে অত্মসন্তুষ্টি লাভ কৰিছিল।

**যজ্ঞৱতী সুন্দৰতাৰ প্ৰতি আকৰ্ষিত এটি নাৰী চৰিত্ৰ। সেয়েহে গৃহাবদ্ধ নাৰী হিচাপে নিজকে সুন্দৰ কৰি ৰাখিবলৈ তেওঁ যত্নৱান হৈছিল আৰু চন্দ্ৰপ্ৰভাকো সুন্দৰ হৈ থাকিবলৈ নানা কিটিপ-কায়দা শিকাই দিছিল।** নিজৰ যৌৱনক দীৰ্ঘস্থায়ী কৰি ৰাখিবলৈ চন্দ্ৰপ্ৰভাক নিয়মিত ৰূপ-চৰ্চা কৰাৰো পৰামৰ্শ দিছিল। ইয়াৰ লগতে নিজৰ স্বামীক বশ কৰি ৰাখিবলৈ প্ৰয়োজনীয় নানা কৌশলৰ কথাও যজ্ঞৱতীয়ে চন্দ্ৰপ্ৰভাক কৈছিল।

**ৰাজমাতা যজ্ঞৱতী অতিশয় চিন্তাশীল আৰু সুন্দৰ ভৱিষ্যৎপ্ৰত্যাশী নাৰী**। সেয়েহে ‘মাঘী’ নামৰ লিগিৰীগৰাকীয়ে যেতিয়া চন্দ্ৰপ্ৰভা গৰ্ভৱতী বুলি জনাইছে— কথাষাৰ নিশ্চিত নোহোৱাকৈ কাকো নজনাবলৈ কৈছে। কাৰণ পুত্ৰই গম পালে যাগ-যজ্ঞ পাতিব, দান-দক্ষিণা কৰিব। পিছত কথাটো মিছা হ’লে লাজত পৰিব লাগিব। ‘বকুলী’ নামৰ লিগিৰীগৰাকীকো এই কথা প্ৰচাৰ নকৰিবলৈ কৈছে যদিও চন্দ্ৰপ্ৰভাক কিন্তু এগৰাকী মাতৃয়ে সন্তানৰ প্ৰতি ল’ব লগা যত্নৰ, নিজৰ প্ৰতি ল’ব লগা যত্নৰ ঠিকেই উপদেশ দিছে।

এইগৰাকী যজ্ঞৱতী কিন্তু ৰাজনৈতিক দিশৰপৰাও বিচক্ষণ। মায়াপুৰলৈ যাওঁতে ঘটা ঘটনাত প্ৰতাপচন্দ্ৰই চন্দ্ৰপ্ৰভাক চিৰদিনৰ বাবে বিসৰ্জন দি অহা কথাটো যজ্ঞৱতীয়ে সহজভাৱে ল’ব পৰা নাই। সন্তানসম্ভৱা চন্দ্ৰপ্ৰভাৰ শান্ত-সমাহিত সৰল মুখখন মনত পৰি ৰাজমাতা দুখত আকুল হৈ উঠিছে। নিজ পুত্ৰৰ অবিবেচক কাৰ্যক ধিক্কাৰ দিছে। অনাহকত মিছা সন্দেহ কৰি নিজৰ লক্ষ্মীৰ দৰে পত্নীক বিসৰ্জন দিয়াৰ বাবে নিজ পুত্ৰক তেওঁ বাৰে বাৰে গৰিহণা দিবলৈ ধৰিছে। যিগৰাকী নাৰীয়ে প্ৰতাপচন্দ্ৰৰ সন্তান গৰ্ভত ধাৰণ কৰিব পাৰে, প্ৰতাপচন্দ্ৰৰ বংশক আৰু এঢাপ আগুৱাই নিবলৈ আগবাঢ়ি আহিব পাৰে, সেই নাৰীয়ে কিদৰে নিজৰ মৰ্যাদা নষ্ট কৰিব বা প্ৰতাপচন্দ্ৰক বিশ্বাসঘাতকতা কৰিব পৰা গৰ্হিত কাম কৰিব বুলি বাক্যবাণ এৰিছে। **সীতাৰ দৰে বধুমাতা চন্দ্ৰপ্ৰভাক নিৰ্বাসন দিয়াত নিজ পুত্ৰৰ প্ৰতি যজ্ঞৱতী অতিশয় ক্ষুব্ধ হৈছে।** মহামন্ত্ৰী সগৰকো মতাই আনি প্ৰতাপচন্দ্ৰক উচিত কথা নুবুজোৱাৰ কাৰণে গালিৰে থকা-সৰকা কৰিছে।

নিৰ্বাসনৰ সময়ত চন্দ্ৰপ্ৰভা গৰ্ভৱতী আছিল বুলি জানিব পাৰি যেতিয়া প্ৰতাপচন্দ্ৰই আত্মগ্লানিত ত্ৰস্তমান হৈ গোভাৰাজ্যৰপৰা চন্দ্ৰপ্ৰভাক ঘূৰাই অনাৰ ইচ্ছা প্ৰকাশ কৰিছে, তেতিয়া সমগ্ৰ ৰাইজৰ ৰোষত পৰাৰ ভয়ত প্ৰতাপচন্দ্ৰক এনে কাৰ্য কৰাৰ পৰা বিৰত থাকিবলৈ ৰাজমাতা যজ্ঞৰতীয়ে উপদেশ দিছে।

"অসম্ভৱ। প্ৰজাৰ মাজত তাইক ব্ৰহ্মপুত্ৰক উচৰ্গা কৰা বুলি প্ৰচাৰ কৰিছ। এতিয়া চন্দ্ৰপ্ৰভাক উভতাই অনাৰ প্ৰশ্ন নুঠে। এনে ভুলৰ কেনো শুধৰণি নাই। বিসৰ্জিত ৰাজমহিষীক পুনৰ গ্ৰহণ অসম্ভৱ। মন বান্ধ পুত্ৰ। চন্দ্ৰপ্ৰভা অবিহনে জীয়াই থাকিব লাগিব তই। উপায় নাই। যা নিজৰ কক্ষলৈ যা।"[৪১]

যজ্ঞৰতীৰ এনে কথা-বতৰাৰ পৰা এই চৰিত্ৰটিৰ **ৰাজনৈতিক বিচক্ষণতা**ৰ উমান পাব পাৰি। ইয়াৰ উপৰি যজ্ঞৰতীৰ **শাস্ত্ৰজ্ঞানো** আছিল অপৰিসীম। সেয়েহে নিৰপৰাধী দ্ৰৌপদীৰ হুমুনিয়াহত ধ্বংসপ্ৰাপ্ত হোৱা পাণ্ডুৰ কুলৰ উদাহৰণ দি নিজ পুত্ৰৰ কাৰুকাৰ্যক ধিক্কাৰ দিছিল।

'দেওলাংখুই' উপন্যাসত ৰাজমাতা যজ্ঞৰতীৰ চৰিত্ৰটোক ঔপন্যাসিকে সীমিত পৰিসৰত আবদ্ধ কৰিছে। কিন্তু তাৰ মাজতেই যজ্ঞৰতীৰ নাৰীচেতনাৰ দিশবোৰো প্ৰতীয়মান কৰাইছে। **পুত্ৰৰ প্ৰতি থকা এগৰাকী মাতৃৰ সহজাত মৰম তথা মমতা, স্বামীগৃহৰ বংশ পৰম্পৰা অক্ষুণ্ণ ৰখাৰ প্ৰচেষ্টা, উত্তৰ প্ৰজন্মক নানান জ্ঞান দি বংশ মৰ্যাদা মজবুত কৰাৰ ইচ্ছা আৰু ইয়াৰ উপৰি নাৰীমনৰ স্বাভাৱিক আকাংক্ষাৰে নিজৰ লগতে নিজৰ জীয়ৰীসম বোৱাৰীকো সুন্দৰ হৈ থকাৰ কৌশল-কায়দা শিকোৱা আদিৰপৰা যজ্ঞৰতীৰ নাৰীচেতনাৰ উত্তৰণৰ কথা জ্ঞাত হয়।** লগতে চন্দ্ৰপ্ৰভাক পুনৰ ৰাজ্যলৈ ঘূৰাই নানিবৰ কাৰণে প্ৰতাপচন্দ্ৰক যি পৰামৰ্শ দিছে ইয়াৰ পৰা তেওঁৰ দূৰদৰ্শী আৰু সবল ব্যক্তিত্বৰ উমান পোৱা যায়।

### খলাৰাণী 'গংগাৰতী'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা

**খলাৰাণী 'গংগাৰতী' 'দেওলাংখুই' উপন্যাসৰ আন এটি নাৰী চৰিত্ৰ। ঔপন্যাসিকে এই চৰিত্ৰটিক প্ৰেমৰ দুৰ্বলতা, মোহ, মিলনৰ বাসনা, মহাপ্ৰতাপী ৰজাৰ ৰাণী হোৱাৰ সামান্যতম অভিজ্ঞতা এই সকলোবোৰ জলাঞ্জলি দি নিজৰ কৰ্তব্য পালনত দৃঢ় প্ৰতিজ্ঞ এক নাৰীৰ ৰূপত অংকিত কৰিছে।**

পিতৃৰ মৃত্যুৰ পিছত খলাৰাজ্যৰ সমগ্ৰ দায়িত্ব গংগাৰতীয়ে অকলেই পালন কৰিছে। নিজৰ ব্যক্তিত্ব আৰু ৰাজনৈতিক কুশলতাৰে গংগাৰতীয়ে ওচৰ-চুবুৰীয়া সকলো ৰাজ্যৰ লগত সদ্ভাৱেৰে চলিবলৈ সক্ষম হৈছে। ওচৰ-চুবুৰীয়া জয়ন্তীয়া ৰাজ্যৰ পৰা অনা মণি-মুকুতাৰে গংগাৰতীয়ে নিজকে সজাই-পৰাই ৰাখে। ৰাণী গংগাৰতী নাৰী হিচাপে যথেষ্ট চৌখিনো। সেয়েহে সাধাৰণ বাঁহৰ চুঙাবোৰত তাই জয়ন্তীয়াসকলৰ পৰা অনা মণিবোৰ লগাই সুন্দৰ কৰি তুলিছে।

খলাত অনুষ্ঠিত হোৱা ঐতিহাসিক জোনবিল মেলাৰ কথাও এই উপন্যাসখনিত বৰ্ণিত হৈছে। এই জোনবিল মেলাতে অৰিমত্ত আৰু গংগাৰতীৰ মনৰ মিলন সম্ভৱ হৈছে। দুয়োৰে মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক এটাও গঢ়ি উঠিছে। অৰিমত্তৰ কৌতূহলপূৰ্ণ কথাবোৰে কোনো সময়ত খলাৰাণীৰ গাম্ভীৰ্যখিনিকো চুই যায়। নাৰী হিচাপে উপযুক্ত পাত্ৰৰ প্ৰতি গংগাৰতীৰ মনত প্ৰেম ভাবৰ উদয় হোৱাটোৱে স্বাভাৱিক।

"এই প্ৰথম এজন পন্থায়ে গংগাৰতীৰ মনত ঢৌ তুলিছে। মাছমৰীয়া তিৰোতাসকলে জোনবিলত জাকৈৰ চাব বহুৱাই খলকনি তোলাৰ দৰে বুদ্ধিদীপ্ত কথাৰে, ৰূপ আৰু ব্যক্তিত্বৰে গংগাৰতীৰ বুকুৰ তৰংগহীন পানীত চাপ মাৰি মাৰি খলকনি তুলিছে অৰিমত্তই।"[৪২]

ধেমালিৰ ছলেৰে অৰিমত্তই কোনো কোনো সময়ত গংগাৰতীক দ্ব্যৰ্থক বাক্য কৈ পেলায়। এই কথাবোৰে গংগাৰতীৰ মনত খেলিমেলিৰ সৃষ্টি কৰে। **এখন ৰাজ্যৰ ৰাণী হোৱা সত্ত্বেও সাধাৰণ নাৰী এগৰাকীৰ দৰে তাই অৰিমত্তৰ প্ৰেমত হাবুডুবু খায়।**

খলাৰাণী গংগাৰতী অহিংসাপ্ৰিয়। সেয়েহে অনবৰত ৰাজ্য বিস্তাৰৰ চিন্তাত মগ্ন অৰিমত্তক এই চিন্তা দূৰ কৰি শান্তিমনেৰে জীৱন-জীয়াবলৈ আহ্বান জনাইছে। খলাৰাণী যদ্‌ভৱিষ্য নাৰীও। গংগাৰতীৰ মুখৰপৰা যেতিয়া তাই আৰু অৰিমত্ত একে কুলৰ বুলি গম পাইছে, তেতিয়া সমাজৰপৰা একাষৰীয়া হোৱাৰ ভয়ত তাই নিজৰ প্ৰেমৰ সম্পৰ্ক ছিঙি ৰাজশাসনৰ ভাৰ চলোৱা কাৰ্যটোকহে প্ৰাধান্য দিলে। ইয়াৰ জৰিয়তে গংগাৰতীৰ সামাজিক দায়বদ্ধতাৰ কথা জানিব পাৰি।

অৱশ্যে গংগাৰতীয়ে অৰিমত্তৰ লগত গোপনে বিবাহপাশত আবদ্ধ হোৱাৰ কথাও ভাবিছিল। ইয়াৰ লগতে দৈহিক মিলনতো দুয়ো লিপ্ত হৈছিল। এই সকলোখিনি হৈ যোৱাৰ পিছতো চন্দ্ৰপ্ৰভাৰ কথাৰ প্ৰতি শ্ৰদ্ধা-সন্মান জনাই তাই পলাই যোৱাৰ পৰা দূৰ হৈ ৰ'ল।

পৰৱৰ্তী সময়ত **গংগাৰতী তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে**। অৰিমত্ত আৰু গংগাৰতীৰ মিলনৰ চিনস্বৰূপে তাই গৰ্ভৱতী হৈছে। এই কথা চন্দ্ৰপ্ৰভাক জনোৱাটো উচিত হ'ব বুলি ভাবি জনোৱাত তাই এক চৰম সত্যৰ মুখামুখি হৈছে। তাই চন্দ্ৰপ্ৰভাৰ মুখৰপৰা জানিব পাৰিছে যে কমতাৰাজ্যত অৰিমত্তই 'ৰত্নাৱলী' নামৰ এজনী যুৱতীক বিয়া কৰাইছে। **অৰিমত্তৰ প্ৰতি প্ৰচণ্ড অভিমানত দগ্ধ হৈ তাই পিতৃ পৰিচয় নোহোৱাকৈয়ে নিজৰ গৰ্ভস্থ সন্তানক অকলে ডাঙৰ কৰাৰ সিদ্ধান্ত লৈছে। এইখিনিতে খলাৰাণীৰ সবল ব্যক্তিত্বৰ পৰিচয় ব্যঞ্জিত হৈছে।**

অৰিমত্তৰপৰা বহু দূৰৈত অৱস্থিতি গ্ৰহণ কৰিলেও তাইৰ অৰিমত্তৰ প্ৰতি থকা প্ৰেম কিন্তু নিঃশেষ হোৱা নাছিল। যুদ্ধত অৰিমত্তক পৰাজিত কৰি পুত্ৰ জকাংকই যেতিয়া পৰম উৎসাহেৰে অৰিমত্তৰ কটা মূৰটো দেখুৱাবলৈ লৈ আহিছে, গংগাৰতীৰ অন্তৰভাগ ভাগি চূৰ্ণাকৃত হৈছে। অৰিমত্তৰ দৰে মহা প্ৰতাপী ৰজাক হত্যা কৰা জকাংকক আদৰিবলৈ গোট খোৱা বিষয়া আৰু প্ৰজাৰ সন্মুখতেই গংগাৰতীয়ে জকাংকক ধিক্কাৰ আৰু অভিশাপেৰে জৰ্জৰিত কৰি তুলিছে।

"এয়া তোৰ ফা হয় জকাংক। নিজৰ ফাৰ মূৰ কাটি আনিলি তই ? মোৰ কথা নুশুনিলি ? থাদ্‌ক। কাফুত লাৰা। তোক মই কেতিয়াও ক্ষমা নকৰোঁ। যি দুখন হাতেৰে তই নিজৰ পিতৃক মাৰিলি সেই দুখন হাতেৰে মৰণকালত তই পানী খাবলৈ নাপাবি। গোমুখে পানী খাই তোৰ মৃত্যু হ'ব। যি অস্ত্ৰৰ শক্তিত তই শপত পাহৰি গ'লি সময়ত সেই অস্ত্ৰই তোক এৰি যাব। তই—"[৪৩]

অন্তৰৰ আকুল আবেদন উপেক্ষা কৰি, চকুলো সামৰি, অনাগত সন্তানক জন্ম দিবলৈ যি গংগাৰতী অকলেই ব্ৰতী হৈছিল; দৃঢ়তাৰে, নিষ্ঠাৰে আৰু কৰ্তব্যৰ গুৰুভাৰ বহনত যি গংগাৰতী সফল হৈছিল, তাই ইমান বছৰৰ মূৰত প্ৰেমিকৰ কটামূৰ দেখা পাই দুখত আউলি-বাউলি হৈ প্ৰাণত্যাগ কৰাটোৱে সকলোৰে অন্তৰত সহমৰ্মিতাৰ সৃষ্টি কৰে। **সমাজৰ ৰোষত পৰাৰ ভয়ত এদিন গংগাৰতীয়ে নিজকে অৰিমত্তৰপৰা দূৰ কৰি ৰাখিছিল যদিও অৰিমত্তৰ মৃত্যুত তেওঁও মৃত্যুক সাবটি লোৱা ঘটনাই নাৰীৰ চিৰন্তন প্ৰেমিকাৰ দিশটো উন্মোচন কৰে।**

এনেদৰেই ঔপন্যাসিকে খলাৰাণী গংগাৰতীৰ চৰিত্ৰটোক ত্যাগৰ এক মহামূৰ্তি ৰূপত উপস্থাপন কৰাৰ লগতে এগৰাকী নাৰীৰ প্ৰিয় পুৰুষজনৰ প্ৰতি থকা স্নেহ, শ্ৰদ্ধা তথা প্ৰেমৰ দিশটোকো উপস্থাপিত কৰিছে। ইয়াৰ উপৰি তাইক ঔপন্যাসিকে এজনী **সাহসী নাৰী** হিচাপেও

অংকিত কৰিছে। কাৰণ অৰিমত্ত আৰু তাইৰ প্ৰেমৰ চিনস্বৰূপ জকাংকক তাই জন্ম দি অকলেই লালন-পালন কৰি ৰাজ্যভাৰ গ্ৰহণৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিছে।

উপন্যাসখনিত এইকেইটা নাৰী চৰিত্ৰৰ উপৰি **'ৰত্নাৱলী'**ৰ চৰিত্ৰৰ কথাও পোৱা যায়। ৰত্নাৱলী ফিংগুৱা কোঁৱৰৰ চিৰপ্ৰেমিকা আছিল। কিন্তু পিতৃৰ চক্ৰান্তত পৰি তাই অৰিমত্তৰ লগত বিবাহপাশত আবদ্ধ হৈ দুটা সন্তানৰ মাতৃ হৈছে। ইয়াৰ পিছতো তাইৰ ফিংগুৱা কোঁৱৰৰ প্ৰতি থকা প্ৰেমৰ অৱসান ঘটা নাই। অৰিমত্ত আন ৰাজ্য আক্ৰমণৰ কাৰণে যাওঁতে তাই ফিংগুৱা কোঁৱৰৰ লগত একেবাৰে গুচি যোৱাৰ সিদ্ধান্ত লৈছে যদিও তাইৰ চিৰপ্ৰেমিক ফিংগুৱা কোঁৱৰেই ঠগবাজিৰে তাইক হত্যা কৰিছে।

**ৰত্নাৱলী সাধাৰণ নাৰীৰ ঈৰ্ষাৰে ঈৰ্ষান্বিত নাৰী। সেয়েহে অৰিমত্তৰ মুখত যেতিয়াই তাই গংগাৱতীৰ নাম শুনিছে, তেতিয়াই তাই ক্ৰোধত ফাটি পৰিছে। ৰত্নাৱলীৰ জীৱন বৰ বেছি সুখদায়ক নাছিল।**

কছাৰী ৰজা বডছাৰ জীয়ৰী আৰু জকাংক অৰ্থাৎ জোঙালবলহুৰ পত্নী **'সুকোমলা'** উপন্যাসখনিৰ আন এটি চৰিত্ৰ। **সুকোমলা ইয়াত ৰাজনৈতিক প্ৰৰোচনাৰ বলি হৈছে।** পিতৃৰ কথাত বেছি গুৰুত্ব দি তাই নিজৰ স্বামীৰ জীৱনলৈ বিঘিনি নমাই আনিছে। নিজৰ প্ৰতাৰণাৰ বাবে তাই জকাংকৰ দ্বাৰা মৃত্যুদণ্ডেৰে দণ্ডিত হৈছে। সুকোমলা সৰল মনৰ অধিকাৰী আছিল বাবেই ৰাজনৈতিক কুচক্ৰান্তবোৰ তাই বুজিব পৰা নাছিল আৰু অতি দুৰ্ভাগ্যজনকভাৱে মৃত্যুক সাবটি ল'বলগীয়া হৈছিল।

**ৰীতা চৌধুৰীয়ে এই 'দেওলাংখুই' উপন্যাসত এনেদৰেই অনেক সৰু-বৰ চৰিত্ৰৰ সৃষ্টি কৰিছে আৰু এইবোৰৰ জৰিয়তে নাৰীচেতনাৰ বিভিন্ন দিশ ফঁহিয়াই দেখুৱাইছে। এই চৰিত্ৰবোৰে কেতিয়াবা নিজৰ লগত হোৱা অন্যায়ৰ কাৰণে ভাগ্যক ধিয়াই বহি ৰৈছে, আকৌ কেতিয়াবা জ্বালামুখীৰ দৰে উদ্গীৰণ হৈ সন্মুখত থকা ব্যক্তিক কঠোৰ ভাষাৰে ধুই নিছে। উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ চন্দ্ৰপ্ৰভা বা কনচাৰী হৈছে ধৈৰ্যৰ মূৰ্তিমান স্বৰূপ, যি জীৱনৰ প্ৰতিটো খোজেই কাঁইটীয়া পথেৰে আগুৱাব লগা হৈছে। জীৱনৰ সকলো সুখ-ৰং হেৰুৱায়ো পোৱাখিনিকে লৈ সন্তুষ্ট থকাৰ নাৰীৰ যি সহজাত মনোবৃত্তি, সেয়া কনচাৰীৰ মুখৰ ধ্বনিতেই প্ৰতিফলিত হৈছে।** সমগ্ৰ উপন্যাসখনৰ সৰু-বৰ সকলো ঘটনাতেই এই চৰিত্ৰটোৱে এক সবল ভূমিকাত অৱতীৰ্ণ হৈছে।

উপন্যাসখনিত তিৱা বা লালুং সমাজৰ সামাজিক নীতি-নিয়ম তথা পৰম্পৰা আদিৰ লগতে তিৱা ভাষাৰ বিভিন্ন বাক্য, শব্দ আদিৰ প্ৰয়োগ ঘটিছে। কিন্তু আমাৰ গৱেষণাকাৰ্যৰ বিষয়ৰ লগত এইবিলাকৰ বিশেষ সম্বন্ধ নথকাত এইবোৰৰ আলোচনাৰপৰা বিৰত থকা হ'ল।

ৰীতা চৌধুৰীৰ প্ৰায় আটাইবোৰ উপন্যাসৰে কেন্দ্ৰীয় চৰিত্ৰ হৈছে নাৰী। ইয়াৰে **'এই সময় সেই সময়', 'ৰাজীৱ ঈশ্বৰ' আৰু 'দেওলাংখুই' উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰ 'অদিতি', 'মন্দিৰা' আৰু 'চন্দ্ৰপ্ৰভা' বা 'কনচাৰী'ৰ জৰিয়তে ঔপন্যাসিকে নাৰীচেতনাৰ বিভিন্ন দিশ আলোকপাত কৰিছে।**

**'এই সময় সেই সময়'** উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ **'অদিতি'**য়ে মহাবিদ্যালয়ৰ প্ৰবক্তা ৰূপে আত্মপ্ৰকাশ কৰিছে। তেওঁ ভিন্ন সময়ত ভিন্ন ৰূপ পৰিগ্ৰহ কৰিছে। কেতিয়াবা তেওঁ অতীতমুখী হৈছে আৰু কেতিয়াবা বৰ্তমানতো মূৰ দাঙি উঠিছে। কিন্তু সকলো সময়তে স্থিতপ্ৰজ্ঞ হৈ থকা অদিতিয়ে পাঠকৰ অন্তৰ চুই যাবলৈ সক্ষম হৈছে।

**'ৰাজীৱ ঈশ্বৰ'**ৰ **'মন্দিৰা'**ই নিজৰ বিবাহপূৰ্ব সন্তানক বিচাৰি হাবাথুৰি খাইছে। নানা ঘটনা পৰিক্ৰমাৰ মাজেৰে গৈ স্বামীৰ অনুগ্ৰহত সেই সন্তানটোক বুকুত ল'বলৈ সুযোগ পাইছে। ঔপন্যাসিকে এই চৰিত্ৰটোক এগৰাকী মমতাময়ী নাৰীৰ লগতে স্বামী, সন্তান তথা সংসাৰৰ দায়িত্ব আৰু কৰ্তব্য পালনত নিপুণ হিচাপে গঢ়ি তুলিছে।

তিৱা সমাজৰ এগৰাকী প্ৰধান নাৰী হিচাপে **'দেওলাংখুই'** উপন্যাসখনিত **'চন্দ্ৰপ্ৰভা'** বা **'কনচাৰী'**ক উপবিষ্ট কৰোৱা হৈছে। চন্দ্ৰপ্ৰভাক ইয়াত জীৱন্ত কিংবদন্তি হিচাপে গঢ়ি তোলা হৈছে। চন্দ্ৰপ্ৰভাৰ জীৱনপথ কাঁইটেৰে ভৰপূৰ যদিও পৰিস্থিতিৰ লগত তেওঁ হাৰ মনা নাই। ঔপন্যাসিকে এই চৰিত্ৰটিকো সবল ব্যক্তিত্বৰ অধিকাৰী এক নাৰী চৰিত্ৰ হিচাপে গঢ়ি তুলিছে।

**ৰীতা চৌধুৰীৰ উপন্যাসবোৰত নাৰী জীৱনৰ জটিল মনস্তত্ত্ব, কাৰুণ্যবহুল জীৱনপৰিক্ৰমা, সংসাৰ যাত্ৰাত পদে পদে লাভ কৰা নানান সংঘাত আদিৰ উপৰি সমাজ জীৱনৰ দুৰূঢ় আৰু জটিল নৈতিক মূল্যবোধ, আৱেগ আৰু প্ৰত্যয় অনুভূতিৰ বৰ্ণিল ৰূপ ধ্বনিত হৈছে।**

## প্ৰসংগটীকা

১। উৎস- গুগল, Rita Choudhury, Literary Career, https://en.m.wikipedia.org, তাৰিখ ১১-১০-২০১৯, সময় দিনৰ ১ বজা

২। উৎস ঃ গুগল, https://www.goodreads.com, তাৰিখ ১২-১০-২০১৯, সময় নিশা ৮ বজা

৩। গগৈ, মন্দিৰা ঃ *অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ*, পূৰ্বাঞ্চল প্ৰকাশ, মুখ্য কাৰ্যালয় ঃ ঘৰ নং. ২, সেউজী পথ, ৰায়াৰলেছ, গুৱাহাটী- ৬, পৃষ্ঠা নং- ১২০

৪। চৌধুৰী, ৰীতা ঃ জলপদ্ম, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, চতুৰ্থ প্ৰকাশ, ২০১৭, প্ৰাক্‌কথন

৫। গগৈ, মন্দিৰা ঃ অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ, পূৰ্বাঞ্চল প্ৰকাশ, মুখ্য কাৰ্যালয় ঃ ঘৰ নং. ২, সেউজী পথ, ৰায়াৰলেছ, গুৱাহাটী- ৬, পৃষ্ঠা নং. ১৩৯

৬। চৌধুৰী, ৰীতা ঃ এই সময় সেই সময়, বনলতা, পাণবজাৰ, প্ৰথম প্ৰকাশ, ১ম জানুৱাৰী, ২০০৭, পৃ. নং. 'লেখকৰ একাষাৰ'।

৭। ঐ

৮। Kalita, Shobhanjan : Community reviews, https://www.goodreads.com, তাৰিখ ১২-১০-২০১৯, সময় ৰাতি ১০ বজা।

৯। গগৈ, মন্দিৰা ঃ অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ, পূৰ্বাঞ্চল প্ৰকাশ, মুখ্য কাৰ্যালয় ঃ ঘৰ নং.- ২, সেউজী পথ, ৰায়াৰলেছ, গুৱাহাটী- ৬, পৃষ্ঠা নং. ১৪

১০। চৌধুৰী, ৰীতা ঃ এই সময় সেই সময়, বনলতা, পাণবজাৰ, প্ৰথম প্ৰকাশ, ১ম জানুৱাৰী, ২০০৭, পৃষ্ঠা নং- ৪৪৭

১১। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৮২

১২। উক্ত গ্ৰন্থ ঃ পৃষ্ঠ নং. ১৫৯

১৩। গগৈ, মন্দিৰা ঃ অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ, পূৰ্বাঞ্চল প্ৰকাশ, মুখ্য কাৰ্যালয় ঃ ঘৰ নং- ২, সেউজী পথ, ৰায়াৰলেছ, গুৱাহাটী- ৬, পৃ. নং- ১৪২

১৪। চৌধুৰী, ৰীতা ঃ এই সময় সেই সময়, পৃষ্ঠা নং. ১১৩

১৫। উৎস- গুগল, https://www.quora.com, তাৰিখ- ২০-১০-২০১৯, সময়- দিনৰ ২ বজা

১৬। চৌধুৰী, ৰীতা ঃ এই সময় সেই সময়, পৃষ্ঠা নং.- ১৮৬

১৭। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১২০

১৮। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং. ৪৫৫

১৯। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং.- ১৬৯

২০। চৌধুৰী, ৰীতা ঃ ৰাজীৱ ঈশ্বৰ, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, চতুৰ্থ সংস্কৰণ, ২০১৭, লেখকৰ একাষাৰ।

২১। উৎস ঃ গুগল, Foundling-wheel dictionary definition, www.yourdictionary.com.
২২। চৌধুৰী, ৰীতা ঃ ৰাজীৱ ঈশ্বৰ, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, চতুৰ্থ সংস্কৰণ, ২০১৭, পৃষ্ঠা নং- ২
২৩। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৭
২৪। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৪৭
২৫। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১০০
২৬। বৰঠাকুৰ, ড° শীলা ঃ অসমীয়া সাহিত্যত নাৰী, সম্পা ঃ বিনীতা দত্ত, সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ- ৭৮৪০০১, অসম (প্ৰাক্‌কথন)
২৭। চৌধুৰী, ৰীতা ঃ ৰাজীৱ ঈশ্বৰ, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, চতুৰ্থ সংস্কৰণ- ২০১৭, পৃষ্ঠা নং- ৫১
২৮। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৩৫
২৯। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৮
৩০। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৫৮
৩১। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২
৩২। উৎস ঃ গুগল, https://en.m.wikipedia.org, তাৰিখ ০১-১১-২০১৯, সময় দিনৰ ১ বজা
৩৩। চৌধুৰী, ৰীতা ঃ দেওলাংখুই, জ্যোতি প্ৰকাশন, যশোৱন্ত পথ, পাণবজাৰ, গুৱাহাটী- ১, পৃষ্ঠা- 'উপন্যাসখন সম্পৰ্কে ক'বলগীয়া'- খণ্ড
৩৪। উৎস- গুগল, https://www.en.m.wikipedia.org, তাৰিখ ০২-১১-২০১৯, সময় পুৱা ১০ বজা
৩৫। চৌধুৰী, ৰীতা ঃ দেওলাংখুই, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, পৃষ্ঠা নং- ৫৯
৩৬। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১০৩
৩৭। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৫৭
৩৮। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৮১
৩৯। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৪১৪
৪০। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৩৪
৪১। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৮১
৪২। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১৪৩, ১৪৪
৪৩। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৮৮